মাজুলী আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

www.asombarta.in

❒ PRGI REGD. NO. : ASASS/25/A2361

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

❒ প্ৰথম বছৰ ❒ সংখ্যা- ৩১১ ❒ শনিবাৰ ❒ ১৯ ছেপ্টেম্বৰ, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 311 ❒ Saturday ❒ 19th September, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page-8

নিজৰ কুকুৰটোৰ কাৰণে গৰাকীজন সদায়েই নেপোলিয়নৰ দৰে বীৰপুৰুষ। সেই গুণেই কুকুৰক প্ৰিয় কৰি তোলে। — হাক্সলী

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

৮ বাংলাদেশীসহ ৯ অপৰাধীক যাৱজ্জীৱন কাৰাদণ্ড

মানৱ সৰবৰাহৰ গোচৰত NIA আদালতৰ কঠোৰ ৰায়

সৰ্বমুঠ ১ লাখ ৩৭ হাজাৰ টকাৰ আৰ্থিক জৰিমনা, ব্যৰ্থ হ'লে অতিৰিক্তভাৱে আৰু ৩ মাহৰ কাৰাদণ্ড

অনলাইন ডেস্ক, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ মানৱ সৰবৰাহৰ দৰে এক স্পৰ্শকাতৰ আৰু জঘন্য অপৰাধৰ গোচৰত ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ NIAৰ হায়দৰাবাদস্থিত বিশেষ আদালতে এক ঐতিহাসিক আৰু কঠোৰ ৰায়দান প্ৰদান কৰিছে। ১৭ ছেপ্টেম্বৰত ❑ ৩ পৃষ্ঠাত

২০২৫-২৬ত ৭.৪৫ লাখ কোটি জিএছডিপিৰ অনুমান; এডভাণ্টেজ অসম ২.০ৰ জৰিয়তে ৫.১৮ লাখ কোটি বিনিয়োগ

উন্নয়নৰ প্ৰচুৰ সম্ভাৱনাৰে আগবাঢ়িছে অসম ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ এছিয়া, দক্ষিণ-পূব এছিয়া আৰু পূব এছিয়াৰ দেশসমূহৰ সৈতে সংযোগ কৰা এক গুৰুত্বপূৰ্ণ ভৌগোলিক অৱস্থানৰ বাবে আছিয়ান (ASEAN) দেশসমূহৰ দুৱাৰমুখ হিচাপে অভিহিত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অসম এতিয়া উন্নয়নৰ প্ৰচুৰ সম্ভাৱনা থকা ৰাজ্য হৈ পৰিছে। নতুন দিল্লীত অনুষ্ঠিত দ্বিতীয় আই চি চি গ্ল'বৈল বিজনেছ সামিটত অংশগ্ৰহণ কৰি ভাষণ প্ৰদানৰ সময়ত মুখ্যমন্ত্ৰী শৰ্মাই অসমৰ বিকশিত অৰ্থনীতি, বিনিয়োগৰ অনুকূল পৰিৱেশ, মানৱ সম্পদ আৰু উন্নত যোগাযোগ ব্যৱস্থাৰ কথা বিশেষভাৱে উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলে দক্ষিণ এছিয়া, দক্ষিণ-পূব এছিয়া আৰু পূব এছিয়াৰ দেশসমূহৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সীমা ভাগ-বতৰা কৰে। বিশেষকৈ ভূটান আৰু বাংলাদেশৰ সৈতে থকা সীমান্ত সংযোগৰ লগতে প্ৰাকৃতিক ভৌগোলিক অৱস্থানৰ বাবেই অসম আছিয়ান দেশসমূহৰ বাবে গেটৱে বা দুৱাৰমুখ হৈ পৰিছে। এই কৌশলগত অৱস্থানে অসমক কেৱল ❑ ৬ পৃষ্ঠাত

▪ জনতাৰ শিল্পী জুবিন গাৰ্গলৈ ৰাজ্যজুৰি শ্ৰদ্ধাঞ্জলি ▪

জুবিনবিহীন এটা বছৰ

সোণাপুৰৰ জুবিন ক্ষেত্ৰত তিনিদিনীয়া কাৰ্যসূচী ঃ আজি তৃতীয় দিন

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, গুৱাহাটী, ১৮ ছেপ্তেম্বৰ ঃ জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপন কৰাৰ উদ্দেশ্যে ৰাজ্যজুৰি জুবিন দিৱস পালন কৰা হৈছে। এই দিৱসৰ অংশ হিচাপে কালিৰ পৰা তিনিদিনীয়া কাৰ্যসূচী আৰম্ভ হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। জুবিন ক্ষেত্ৰত কালি সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। আজি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। কাইলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ ❑ ৩ পৃষ্ঠাত

দেৱাশিস শৰ্মা, বদৰুদ্দিন আজমল আৰু শিৱামণি বৰাৰ মনোনয়ন বৈধ

নগাঁও লোকসভা উপ-নিৰ্বাচনত ১৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহৰ পৰীক্ষা সম্পূৰ্ণ হৈছে। এই উপ-নিৰ্বাচনত মুঠ ২৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। তাৰ ভিতৰত ১৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত প্ৰধান ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থীসকলৰ ❑ ৬ পৃষ্ঠাত

আজিৰ কলম

প্ৰাণৰ জুবিন

হিমাংশু ৰণ্জন ভূঞা

জুবিন নামৰ সত্তাটো কায়িকভাৱে আঁতৰি যোৱা এটা বছৰ হ'ল যদিও এই এটা বছৰত অসমীয়াৰ মন মগজুৰ পৰা এটা মুহূৰ্তৰ বাবেও আঁতৰি যোৱা নাই জুবিন। হয়তো জাতিটো জীয়াই থকালৈকে অসমীয়াৰ হিয়াৰ আমঠু জুবিন ক আমাৰ বুকুৰ মাজৰ পৰা কোনো শক্তিয়ে আঁতৰাই নিব নোৱাৰে। মায়াময় ❑ ৩ পৃষ্ঠাত

নগাঁও উপ-নিৰ্বাচন ঃ সংখ্যালঘু ভোটাৰক লৈ এআইইউডিএফৰ প্ৰচাৰ তীব্ৰ

হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশতে কংগ্ৰেছে শিৱামণি বৰাক প্ৰাৰ্থিত্ব দিছে ঃ বদৰুদ্দিন আজমল

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ অহা ৬ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নগাঁও লোকসভা ❑ ৬ পৃষ্ঠাত

ঐতিহাসিক পুখুৰী পঞ্চায়তৰ অধীনলৈ যোৱাত বছৰি ৫ লাখ টকাৰ লোকচান

মুখ্যমন্ত্ৰীৰ আগমনৰ পূৰ্বে মধুপুৰ সত্ৰৰ ৪৮ বিঘা মাটি উদ্ধাৰৰ দাবী

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মধুপুৰ সত্ৰ পৰিদৰ্শন কৰিবলৈ যোৱাৰ পূৰ্বে সত্ৰখনৰ অধীনৰ পৰা ওলাই যোৱা ৪৮ বিঘা মাটি পুনৰ উদ্ধাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ-নামঘৰসমূহৰ সমন্বয় ৰক্ষী সমিতিয়ে মুখ্যমন্ত্ৰীলৈ আহ্বান জনাইছে। সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে এই সন্দৰ্ভত প্ৰকাশ কৰা এক বিবৃতিত এই আহ্বান জনোৱা হয়। বিবৃতিত উল্লেখ কৰা অনুসৰি, সত্ৰখনৰ ❑ ৬ পৃষ্ঠাত

কল-কাৰখানা, প্ৰতিষ্ঠান, বাছ আস্থান আৰু গেৰেজত উলহ-মালহেৰে পূজা

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মাক ৰাজ্যজুৰি আৰাধনা

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ ছেপ্টেম্বৰ ঃ কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা তথা বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মাৰ পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি-নীতিৰে পালন ❑ ৬ পৃষ্ঠাত

ৰিং ৰোড কৰিড'ৰক অগ্ৰাধিকাৰ দি গুৰুত্বপূৰ্ণ অঞ্চল সংযোগৰ লক্ষ্য

দিল্লী-মীৰাটৰ আৰ্হিত অসমতো ৰেপিড ৰে'ল

নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ অসমত দিল্লী-মীৰাট আৰ্হিত আঞ্চলিক ৰেপিড ট্ৰেনজিট ব্যৱস্থা বা ৰেপিড ৰে'ল চলোৱাৰ সম্ভাৱনা লৈ চৰ্চা আৰম্ভ হৈছে। ৰাজ্যৰ গুৰুত্বপূৰ্ণ ব্যৱসায়িক কেন্দ্ৰ আৰু নগৰাঞ্চলসমূহক দ্ৰুত, সুবিধাজনক আৰু বহনক্ষম পৰিবহণ ব্যৱস্থাৰে সংযোগ কৰাৰ উদ্দেশ্যে অসম চৰকাৰে এই ❑ ৬ পৃষ্ঠাত

বিশ্ব বাঁহ দিৱসত অসমৰ জীৱিকা, দক্ষতা আৰু বহনক্ষম বিকাশৰ নতুন যাত্ৰা

২ অক্টোবৰত ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰণ্টত মুকলি হ'ব অসমৰ বাঁহেৰে নিৰ্মিত চাইকেল

নিউজ ডেস্ক, অসমবাৰ্তা, ৰজ্জ্ব ছেপ্তেম্বৰ ঃ 'বিশ্ব বাঁহ দিৱস' উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে বাঁহে ৰাজ্যবাসীৰ বাবে নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এক বাৰ্তাত তেওঁ উল্লেখ কৰে যে বাঁহৰ বহুমুখী ব্যৱহাৰে অসমত উদ্যোগীকৰণ আৰু বহনক্ষম বিকাশৰ নতুন দুৱাৰ মুকলি কৰিছে। দৈনন্দিন জীৱনত ❑ ৬ পৃষ্ঠাত

১০ লাখ টকা ক্ষতিপূৰণ, চিবিআই তদন্ত আৰু ২৩ ছেপ্তেম্বৰৰ প্ৰতিবাদী সমাৱেশৰ আহ্বান

বানপীড়িতৰ ন্যায়ৰ দাবীত মুখ্যমন্ত্ৰীলৈ অখিল গগৈৰ মুকলি পত্ৰ

নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ ছেপ্টেম্বৰ ঃ ৰাইজৰ দলৰ সভাপতি তথা ৯৬ নং শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ পুনৰ মুকলি পত্ৰ লিখিছে। ১৯ জুলাইত শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সংঘটিত প্ৰলয়ংকৰী বানপানীত সৰ্বস্বান্ত পৰিয়ালসমূহৰ জৰুৰী সাহায্য, আইনী-চিবিআই তদন্ত আৰু স্থায়ী ক্ষতিপূৰণৰ দাবীত এই পত্ৰ প্ৰেৰণ কৰা হৈছে। পত্ৰত তেওঁ উল্লেখ কৰিছে যে তেওঁ ইতিমধ্যে চৰকাৰক চাৰি-পাঁচবাৰ স্মাৰকপত্ৰ দিছে আৰু এবাৰ ❑ ৬ পৃষ্ঠাত

শিৱসেনা, এনচিপিৰ পিছত একে আৰ্হিৰ অভিযোগ

তৃণমূলৰ নাম-প্ৰতীক স্থগিত; নিৰ্বাচন আয়োগক ৰাহুল গান্ধীৰ তীব্ৰ সমালোচনা

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ পশ্চিমবংগৰ উপ-নিৰ্বাচনৰ প্ৰাকক্ষণত সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ দুটা প্ৰতিদ্বন্দ্বী গোটক দলৰ নাম ❑ ৩ পৃষ্ঠাত

মুখ্যমন্ত্ৰী পদত থাকিয়েই দুৰ্নীতিক প্ৰশ্ৰয় ঃ কংগ্ৰেছৰ কটাক্ষ

পেমা খাণ্ডুৰ বিৰুদ্ধে চিবিআই তদন্তৰ নিৰ্দেশ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ বিৰুদ্ধে ❑ ৬ পৃষ্ঠাত

পাকিস্তানৰ খাইবাৰ পখতুনখোৱাত জুম্মাৰ নামাজৰ সময়ত বিস্ফোৰণত ১৫ জনৰ অধিক নিহত

বিস্ফোৰক ভৰ্তি বাহনৰ পুৰণি আৰক্ষী লাইনৰ গেটত খুন্দা মাৰি বিস্ফোৰণ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ পাকিস্তানৰ উত্তৰ-পশ্চিম অংশৰ অশান্ত খাইবাৰ পখতুনখোৱা প্ৰদেশত শুকুৰবাৰে জুম্মাৰ নামাজৰ সময়ত এক ভয়ংকৰ বিস্ফোৰণ সংঘটিত হৈছে। এই বিস্ফোৰণত ৰপ্ত জনতকৈ অধিক ❑ ৬ পৃষ্ঠাত

২০২৮ চনত ঢেকীয়াখোৱা বৰনামঘৰৰ ৫০০ বছৰীয়া প্ৰতিষ্ঠা জয়ন্তী

আধ্যাত্মিক পৰ্যটনস্থলী হিচাপে ঢেকীয়াখোৱা বৰনামঘৰক ঘোষণাৰ প্ৰস্তুতি

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ ছেপ্তেম্বৰ ঃ যোৰহাটৰ অন্যতম ঐতিহাসিক ধৰ্মীয় পীঠ মহাপুৰুষ মাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা বৰনামঘৰে ২০২৮ চনত ৫০০ বছৰ সম্পূৰ্ণ কৰিব। এই উপলক্ষে বৰনামঘৰ পৰিচালনা সমিতিয়ে এক সংবাদমেলযোগে গুৰুত্বপূৰ্ণ তথ্য সদৰি কৰে। সংবাদমেলত পৰিচালনা সমিতিয়ে উল্লেখ কৰে যে ৫০০ বছৰীয়া প্ৰতিষ্ঠা জয়ন্তী উপলক্ষে ঢেকীয়াখোৱা বৰনামঘৰক ৰাজ্য চৰকাৰে বিশ্ব আধ্যাত্মিক পৰ্যটনস্থলী হিচাপে ঘোষণা কৰাৰ পৰিকল্পনা কৰিছে। এই ঘোষণা ৫০০ বছৰ সম্পূৰ্ণ হোৱাৰ ❑ ৬ পৃষ্ঠাত

দৰং জিলাত সমষ্টিভিত্তিত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ আৰু ২.০ৰ আনুষ্ঠানিক আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠান

অসম বাৰ্তা, দেওমৰনৈ, ১৮ ছেপ্টেম্বৰ ঃ ৰাজ্যিক পৰ্যায়ত আজি গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ প্ৰাংগণত অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) ১.০ আৰু ২.০ৰ আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। ৰাজ্যিক অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ অন্যান্য জিলাৰ লগতে দৰং জিলাতো জিলাখনৰ তিনিওটা বিধানসভা সমষ্টি ছিপাঝাৰ, দলগাঁও আৰু মঙলদৈ—ভিত্তিত আজি সমান্তৰালভাৱে আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। মঙলদৈ বিধানসভা সমষ্টিৰ অনুষ্ঠানটো জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানত অসম চৰকাৰৰ মীন, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মাননিয় মন্ত্ৰী নীলিমা দেৱী উপস্থিত থাকে। ভাষণ প্ৰসংগত মাননিয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলক স্ব-নিয়োজনৰ জৰিয়তে আত্মনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ সুবিধা যথাযথভাৱে গ্ৰহণ কৰি নিজৰ উদ্যোগ আৰু ব্যৱসায়িক কাৰ্যকলাপক অধিক শক্তিশালী কৰাৰ বাবে আহ্বান জনায়। তেওঁ এই আঁচনিখনে যুৱসমাজক আত্মনিয়োগৰ সুযোগ প্ৰদান কৰাৰ লগতে ৰাজ্যৰ অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে। দৰং জিলা আয়ুক্ত আয়ুষী জৈনেও অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ উদ্দেশ্য, কাৰ্যপদ্ধতি আৰু হিতাধিকাৰীসকলে আঁচনিখনৰ জৰিয়তে লাভ কৰিব পৰা সুবিধাসমূহৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰে। ভাষণ প্ৰসংগত তেওঁ আঁচনিখনৰ সহায়ত আত্মনিয়োজিত হৈ আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ দিশত সফলতাৰে আগবাঢ়ি থকা কেইবাগৰাকীও হিতাধিকাৰীৰ সফলতাৰ কাহিনী উল্লেখ কৰি আনসকলকো উদ্যোগী মনোভাৱেৰে আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। CMAAA ১.০ৰ প্ৰথম পৰ্যায়ত মঙলদৈ বিধানসভা সমষ্টিৰ ১৬৪ গৰাকী, ছিপাঝাৰ সমষ্টিৰ ১৬৯ গৰাকী আৰু দলগাঁও সমষ্টিৰ ৪৪ গৰাকী, অৰ্থাৎ মুঠ ৩৭৭ গৰাকী হিতাধিকাৰীয়ে আৰ্থিক সহায় লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত CMAAA ১.০ৰ দ্বিতীয় পৰ্যায়ৰ অধীনত মঙলদৈ সমষ্টিৰ ৬৩ গৰাকী, ছিপাঝাৰ সমষ্টিৰ ১০২ গৰাকী আৰু দলগাঁও সমষ্টিৰ ২২ গৰাকীকে ধৰি মুঠ ১৮৭ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছে। এইদৰে CMAAA ১.০ৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত দৰং জিলাত উল্লিখিত পৰিসংখ্যা অনুসৰি মুঠ ৫৬৪ গৰাকী হিতাধিকাৰী সামৰি লোৱা হৈছে। আনহাতে, CMAAA ২.০ৰ অধীনত ২৫, ০০০ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ বাবে দৰং জিলাত মুঠ ১, ৭৯৬ গৰাকী যোগ্য হিতাধিকাৰী চিনাক্ত কৰা হৈছে। ইয়াৰে মঙলদৈ বিধানসভা সমষ্টিৰ ৭২৪ গৰাকী, ছিপাঝাৰ সমষ্টিৰ ৭৮৫ গৰাকী আৰু দলগাঁও সমষ্টিৰ ২৮৭ গৰাকী হিতাধিকাৰী অন্তৰ্ভুক্ত। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে দৰং জিলাত আত্মনিয়োগ আৰু উদ্যোগ সৃষ্টিৰ ক্ষেত্ৰত এক ফলপ্ৰসূ প্ৰভাৱ পেলোৱা দেখিবলৈ পোৱা গৈছে। অনুষ্ঠানত CMAAAৰ সহায়ত নিজৰ ব্যৱসায় স্থাপন, সম্প্ৰসাৰণ আৰু শক্তিশালী কৰি তোলা হিতাধিকাৰীসকলৰ সফলতাৰ কাহিনীও উপস্থাপন কৰা হয়। এই আঁচনিৰ জৰিয়তে লাভ কৰা আৰ্থিক সহায়ে জিলাখনৰ বিভিন্ন প্ৰান্তৰ উদ্যোগীসকলক নিজ নিজ ব্যৱসায় আৰু উদ্যোগ সম্প্ৰসাৰণৰ ক্ষেত্ৰত যথেষ্ট উৎসাহিত কৰিছে। ইয়াৰ এক উল্লেখযোগ্য উদাহৰণ হিচাপে মঙলদৈৰ পৱিত্ৰ চি. দাসে সাজু-পোছাকৰ ব্যৱসায়ত প্ৰায় ১০ লাখ টকা বিনিয়োগ কৰি ব্যৱসায়িক কাৰ্যকলাপত প্ৰায় ৯০ শতাংশ বৃদ্ধি সাধন কৰিবলৈ সক্ষম হৈছে। একেদৰে, প্ৰসাধন সামগ্ৰীৰ ব্যৱসায়ৰ সৈতে জড়িত বিনোদ ডেকাই বিক্ৰীত প্ৰায় ২০ শতাংশ বৃদ্ধি, লাভত প্ৰায় ৫ শতাংশ বৃদ্ধি আৰু বজাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰায় ১০ শতাংশ উন্নতি লাভ কৰিছে। আনহাতে, পশু চিকিৎসা সেৱাৰ ক্ষেত্ৰত ১০ বছৰতকৈ অধিক অভিজ্ঞতাসম্পন্ন বকুল শইকীয়াই এটা পশু চিকিৎসা কেন্দ্ৰ আৰু পশুখাদ্য বিক্ৰী কেন্দ্ৰ স্থাপনৰ লগতে ৭ বিঘা ভূমিত মীনপালনৰ ব্যৱস্থা গঢ়ি তুলিছে। তেওঁৰ এই উদ্যোগে স্ব-নিয়োজনৰ জৰিয়তে বহুমুখী জীৱিকাৰ সুযোগ সৃষ্টি কৰাৰ এক উল্লেখযোগ্য নিদৰ্শন দাঙি ধৰিছে। মঙ্গলদৈ সমষ্টিৰ দৰে অনুৰূপ আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠান আজি ছিপাঝাৰ বিধানসভা সমষ্টি আৰু দলগাঁও বিধানসভা সমষ্টিটো অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে, আজিৰ অনুষ্ঠানত গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ প্ৰাংগণত অনুষ্ঠিত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) ১.০ আৰু ২.০ৰ আৰ্থিক সাহায্য বিতৰণৰ কেন্দ্ৰীয় অনুষ্ঠানত অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সম্বোধন কৰা ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ উপস্থিত সকলোৰে প্ৰত্যক্ষ কৰাৰো ব্যৱস্থা কৰা হয়। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আগবঢ়োৱা আৰ্থিক সহায়ে দৰং জিলাত আত্মনিয়োগ আৰু উদ্যোগিতাৰ পৰিৱেশ সুদৃঢ় কৰাৰ লগতে যুৱক-যুৱতী আৰু ক্ষুদ্ৰ উদ্যোগীসকলক নিজস্ব উদ্যোগ গঢ়ি তুলি আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ সুযোগ প্ৰদান কৰিছে। এই পদক্ষেপে স্থানীয় পৰ্যায়ত জীৱিকাৰ সুযোগ সৃষ্টি, ব্যৱসায়িক কাৰ্যকলাপৰ সম্প্ৰসাৰণ আৰু আত্মনিৰ্ভৰশীল অৰ্থনৈতিক পৰিৱেশ গঢ়ি তোলাত ইতিবাচক ভূমিকা পালন কৰিছে। আজিৰ অনুষ্ঠানত অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, মঙ্গলদৈ পৌৰসভাৰ অধ্যক্ষা নিৰ্মালি দেৱী, জিলা প্ৰশাসনৰ জ্যেষ্ঠ-কনিষ্ঠ বিষয়া, বিভাগীয় মুৰব্বী সকল আৰু বহু সংখ্যক হিতাধিকাৰী ৰাইজ উপস্থিত থাকে।

আধা কিলোমিটাৰ পথত অসংখ্য প্ৰকাণ্ড গাঁত; বৰষুণত বোকাৰ পুখুৰী, শুকান বতৰত ধূলিৰ ধুমুহা

গহপুৰ ৰে'ল ষ্টেচন সংযোগী পথৰ দুৰৱস্থাই জীয়াতু ভোগাইছে ৰাইজক



অসম বাৰ্তা, গহপুৰ, ১৮ ছেপ্টেম্বৰ ঃ গহপুৰ সমজিলাৰ অন্যতম গুৰুত্বপূৰ্ণ যাতায়াতৰ পথ হিচাপে পৰিচিত গহপুৰ ৰে'ল ষ্টেচন-গোহাঁইচুক-গহপুৰ নগৰ হৈ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথছোৱাৰ শোচনীয় অৱস্থাই দীৰ্ঘদিন ধৰি যাত্ৰী তথা স্থানীয় ৰাইজক জীয়াতু ভোগাই আহিছে। প্ৰায় আধা কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা বৰ্তমান অসংখ্য প্ৰকাণ্ড গাঁত, গভীৰ খাৱৈ আৰু বোকাময় পৰিৱেশেৰে এক প্ৰকাৰ বিপজ্জনক ৰূপ ধাৰণ কৰিছে। বিশেষকৈ বৰষুণৰ সময়ত পথছোৱাত পানী আৰু বোকা জমা হৈ পথটো বোকাময় জলাশয়ৰ ৰূপ লয়। আনহাতে, শুকান বতৰত অত্যধিক ধূলিৰ সৃষ্টি হৈ পথটোৱে অহা-যোৱা কৰা লোকসকলৰ লগতে পথৰ দাঁতিৰ বাসিন্দাসকলো সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, পথটোৰ দুৰৱস্থাৰ ফলত ইতিমধ্যে কেইবাটাও দুৰ্ঘটনা সংঘটিত হৈছে। ৰে'লযোগে গহপুৰলৈ অহা-যোৱা কৰা দৈনিক যাত্ৰী, বৃদ্ধ-বৃদ্ধা, স্কুলীয়া ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু অন্যান্য পথচাৰীৰ বাবে পথছোৱা এক বৃহৎ নিৰাপত্তাজনিত সমস্যাত পৰিণত হৈছে। উল্লেখযোগ্য যে, এই গুৰুত্বপূৰ্ণ সমস্যাটোৰ বিষয়ে স্থানীয় সংবাদ মাধ্যমৰ জৰিয়তে বহুবাৰ বাতৰি প্ৰকাশ কৰাৰ লগতে স্থানীয় বিধায়ক আৰু উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষৰো দৃষ্টি আকৰ্ষণ কৰা হৈছিল। কিন্তু অভিযোগ অনুসৰি, আজিলৈকে পথছোৱাৰ স্থায়ী সমাধানৰ ক্ষেত্ৰত কোনো উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। ইফালে গহপুৰ ক্ৰমাৎ এক গুৰুত্বপূৰ্ণ সমজিলা কেন্দ্ৰ হিচাপে বিকশিত হৈ অহাৰ সময়তে ৰে'ল ষ্টেচনক গহপুৰ নগৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে সংযোগ কৰা এই অতি গুৰুত্বপূৰ্ণ পথছোৱাৰ এনে শোচনীয় অৱস্থাই ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত গহপুৰৰ এগৰাকী সমাজ সচেতন ব্যক্তিয়ে ১৭ চেপ্তেম্বৰত অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী অভিযোগ-পত্ৰ প্ৰেৰণ কৰি বিষয়টোত প্ৰত্যক্ষ হস্তক্ষেপৰ দাবী জনাইছে। অভিযোগ-পত্ৰখনত লোক নিৰ্মাণ বিভাগ (পথ)ক প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰাৰ লগতে উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষৰ সৈতে সমন্বয় সাধন কৰি প্ৰায় ০.৫ কিলোমিটাৰ পথছোৱা শীঘ্ৰে নিৰ্মাণ বা পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। ৰাইজে আশংকা প্ৰকাশ কৰিছে যে পথছোৱাৰ শীঘ্ৰে মেৰামতি বা পুনৰ নিৰ্মাণ কৰা নহ'লে আগন্তুক দিনত অধিক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা আছে। সেয়েহে জনসাধাৰণৰ জীৱন আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰ তথা সংশ্লিষ্ট বিভাগে বিষয়টো জৰুৰীভাৱে বিবেচনা কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন হৈছে।

বকোৰ ২ নং দিলিঙ্গা প্ৰগতিপুৰত উলহ-মালহেৰে বিশ্বকৰ্মা পূজা উদ্‌যাপন

অসম বাৰ্তা, বকো, ১৮ ছেপ্টেম্বৰ ঃ আজি বিশ্বকৰ্মা পূজা। সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাৰ বকোৰ ২ নং দিলিঙ্গা প্ৰগতিপুৰতো উলহ-মালহেৰে পালন কৰা হৈছে বিশ্বকৰ্মা বাবাৰ পূজা। বিশ্বকৰ্মা পূজা উপলক্ষে পুৱাৰে পৰা অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। পৰম্পৰাগত ৰীতি-নীতিৰে ভগৱান বিশ্বকৰ্মাৰ পূজা-অৰ্চনা কৰাৰ লগতে ভক্তসকলে বিশ্বকৰ্মা বাবাৰ ওচৰত সকলোৰে সুখ-শান্তি, সমৃদ্ধি আৰু মংগল কামনা কৰে। বিশেষকৈ কাৰিকৰী কাম-কাজ, নিৰ্মাণ, উদ্যোগ তথা বিভিন্ন যান্ত্ৰিক সঁজুলিৰ সৈতে জড়িত লোকসকলে বিশ্বকৰ্মা বাবাক সৃষ্টিৰ দেৱতা হিচাপে আৰাধনা কৰি আজিৰ এই পৱিত্ৰ দিনটো পালন কৰে। দিলিঙ্গা প্ৰগতিপুৰত অনুষ্ঠিত এই পূজা আয়োজনত স্থানীয় ৰাইজৰ উৎসাহ-উদ্দীপনাও পৰিলক্ষিত হয়। পূজাখন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে গঠিত সমিতিখনত প্ৰায় ৭০গৰাকী সদস্যই সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াইছে। সকলো সদস্যৰ সহযোগিতা আৰু স্থানীয় ৰাইজৰ সহায়-সহযোগিতাৰ ফলতে পূজাখন সুন্দৰভাৱে আয়োজন কৰা হৈছে বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। পূজাস্থলীত পুৱাৰে পৰা ভক্তৰ সমাগম দেখা পোৱা যায়। পূজা-অৰ্চনাৰ লগতে পৰিৱেশটো ভক্তিময় কৰি তোলাৰ বাবে বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। বিশ্বকৰ্মা পূজাৰ এই পৱিত্ৰ দিনটোত দিলিঙ্গা প্ৰগতিপুৰবাসীৰ মাজত ভাতৃত্ববোধ, একতা আৰু সম্প্ৰীতিৰ এক সুন্দৰ ছবি পৰিলক্ষিত হৈছে। আয়োজক সমিতিয়ে আগন্তুক দিনতো সকলোৰে সহায়-সহযোগিতা কামনা কৰাৰ লগতে বিশ্বকৰ্মা বাবাৰ আশীৰ্বাদত অঞ্চলটোৰ সকলো পৰিয়ালৰ সুখ-শান্তি আৰু সমৃদ্ধি কামনা কৰে।

পুখুৰীৰ পদুম পাতৰ আঁৰত লুকাইও ৰক্ষা নপৰিল অভিযুক্ত

গেলেকীৰ বগীচাপৰিত গৰু চুৰি কাণ্ড; আৰক্ষীৰ জালত এজন চোৰ

অসম বাৰ্তা, গেলেকী, ১৮ ছেপ্টেম্বৰ ঃ গেলেকী আৰক্ষী থানাৰ অন্তৰ্গত বগীচাপৰি অঞ্চলত সংঘটিত এক গৰু চুৰি কাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগেৰে এজন যুৱকক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। গৰু চুৰি কাণ্ডৰ লগত জড়িত থকাৰ সন্দেহত মানৱ গগৈ নামৰ যুৱকজনক আটক কৰাৰ লগতে চুৰি কাৰ্যত ব্যৱহৃত AS 04-BC-8499 নম্বৰৰ এখন বলেৰ' পিকআপ ভান গাড়ীও জব্দ কৰে আৰক্ষীয়ে। জানিব পৰা মতে, বগীচাপৰিৰ পৰা চোৰাংভাৱে গৰু কঢ়িয়াই নিয়াৰ সময়তে ঘটনাটো পোহৰলৈ আহে। আৰক্ষীৰ হাতত ধৰা পৰাৰ ভয়ত অভিযুক্ত মানৱ গগৈয়ে পলায়নৰ চেষ্টা চলায় আৰু এটা পুখুৰীত জাপ দিয়ে। আৰক্ষীৰ চকুত ধূলি দিয়াৰ উদ্দেশ্যেৰে তেওঁ পুখুৰীৰ পদুম পাতৰ আঁৰত প্ৰায় ৩ ঘণ্টাজোৰা সময় ধৰি লুকুৱা অৱস্থাত থাকে বুলি জানিব পৰা গৈছে। অৱশেষত আৰক্ষীৰ তৎপৰতাত তেওঁক পুখুৰীৰ পানীৰ পৰা উদ্ধাৰ কৰি আটক কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱকজনে আৰক্ষীৰ জেৰাত স্বীকাৰোক্তি প্ৰদান কৰে যে এই চোৰাং চক্ৰটোৰ লগত আৰু দুজন লোক সক্ৰিয়ভাৱে জড়িত হৈ আছে। বৰ্তমান পলাতক অৱস্থাত থকা বাকী অভিযুক্তক আটক কৰাৰ বাবে গেলেকী আৰক্ষীয়ে তীব্ৰ তদন্ত আৰু অভিযান অব্যাহত ৰাখিছে।

ডুমডুমাৰ দৈমুখীয়া চাহ বাগিচাৰ সহকাৰী পৰিচালকৰ পত্নীৰ ৰহস্যজনকভাৱে অগ্নিদগ্ধ হৈ মৃত্যু

স্বামীক আটক আৰক্ষীৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ ছেপ্টেম্বৰ ঃ ডুমডুমা চহৰৰ সমীপৰ তথা বাঘজান আৰক্ষী থানাৰ অন্তৰ্গত দৈমুখীয়া (ৰ'জবেৰী) চাহ বাগিচাৰ কলঘৰৰ সহকাৰী পৰিচালক গগণদ্বীপ সিং ধীলনৰ পত্নী তথা ডুমডুমাৰ এখন ব্যক্তিগত নাৰ্চিংহোমত জি এন এম নাৰ্চ হিচাপে কৰ্মৰত শ্যামলীমা বৰা (২৭)ৰ বুধবাৰে নিশা চাহ বাগিচাখনৰ বঙলাত ৰহস্যজনকভাৱে অগ্নিদগ্ধ হৈ মৃত্যু হোৱা ঘটনাই চাহ বাগিচাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিষয়ে সহকাৰী পৰিচালকজনৰ বঙলাত নিয়োজিত নৈশ চকীদাৰে জানিবলৈ দিয়া অনুসৰি বুধবাৰে সন্ধিয়া স্বামী-স্ত্ৰী দুয়ো বঙলাৰ পৰা ওলাই আহি নিশা প্ৰায় ১০ মান বজাত বঙলালৈ উভতি গৈ গেটখনত তলা লগাবলৈ চকীদাৰজনক নিৰ্দেশ দি দুয়োজন ঘৰৰ ভিতৰত সোমাই ভিতৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিছিল। কিন্তু কিছুসময় পাছত ঘৰৰ ভিতৰৰ পৰা মহিলাগৰাকীৰ কান্দোনৰ শব্দ ভাঁহি আহিছিল। মহিলাগৰাকীৰ এনে কান্দোনৰ শব্দৰ বাবে বিশেষ চিন্তিত হোৱা নাছিল নৈশ চকীদাৰ। কিয়নো মাজে-সময়ে দুয়োজনৰ মাজত বাক-বিতণ্ডা হ'লে মহিলাগৰাকীয়ে তেনেদৰে কান্দিছিল। কিন্তু মহিলাগৰাকীৰ কান্দোনৰ শব্দ ভাঁহি অহাৰ কিছু সময়ৰ পাছত সহকাৰী পৰিচালকজনে ঘৰৰ ভিতৰৰ পৰা চিঞৰি থকাত কৰ্তব্যৰত অৱস্থাত থকা নৈশ চকীদাৰে ঘৰৰ দুৱাৰখনত টুকিওৱাত ভিতৰৰ পৰা সহকাৰী পৰিচালকজনে দুৱাৰখন খুলি দিছিল। নৈশ চকীদাৰজন ঘৰৰ ভিতৰত সোমায়েই ভিতৰখন একেবাৰে ধোঁৱাৰে আৱৰি থকা দেখিছিল আৰু তেওঁলোকৰ এটা কোঠাৰ বিছনাখনৰ কাষত মহিলাগৰাকীক অগ্নিদগ্ধ অৱস্থাত মজিয়াত পৰি থকা দেখে। এনেদৰে মহিলাগৰাকীক পৰি থকা দেখি নৈশ চকীদাৰজনে লগে লগে বাহিৰলৈ ওলাই আহি কাষতে থকা বাগিচাখনৰ কলঘৰত কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীসকলক চিঞৰ-বাখৰ কৰি মতাৰ লগতে লাইন চকীদাৰক বিষয়টো অৱগত কৰি এম্বুলেন্সৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনায়। আনহাতে এই ঘটনাৰ খবৰ লাভ কৰি বাগিচাখনৰ চিকিৎসা বিভাগৰ কৰ্মচাৰী, প্ৰতিবেশী আৰু একাংশ শ্ৰমিক বঙলাটোত আহি উপস্থিত হৈ যদিও তেতিয়ালৈকে মহিলাগৰাকীৰ মৃত্যু হয়। পৰৱৰ্তী সময়ত বাঘজান আৰক্ষী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো চমজি লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে মৃত শ্যামলীমাৰ স্বামী গগণদ্বীপ সিং ধীলনক সোধ-পোছৰ বাবে আটক কৰে। আনফালে এই ঘটনাৰ সন্দৰ্ভত সহকাৰী পৰিচালকজনে কয় যে, আনদিনাৰ দৰে কালি সন্ধিয়া কলঘৰৰ পৰা অহাৰ পাছত পত্নী শ্যামলীমাই বাহিৰত কিবা খোৱাৰ কথা কোৱাত দুয়োজন ডুমডুমালৈ গৈ এখন ফাষ্ট ফুডৰ দোকানত খোৱা-লোৱা কৰি বঙলালৈ উভতি আহিছিল। ঘৰ আহি পোৱাৰ পাছত আনদিনাৰ দৰে সেইদিনাও তেওঁ গা ধুবলৈ বাথৰুমত সোমাইছিল। কিন্তু গা ধুই ওলাই আহি শ্যামলীমাক অগ্নিদগ্ধ অৱস্থাত দেখি তেওঁ হতবাক হৈ পৰিছিল আৰু তাইক বচাবৰ কাৰণে চিঞৰ-বাখৰ কৰিছিল। কিন্তু "তাইক বচাব নোৱাৰিলোঁ" বুলি কয় কিহৰ কাৰণে পত্নীয়ে আত্মহত্যা কৰিলে সেই বিষয়ে তেওঁ একো জ্ঞাত নহয় বুলি উল্লেখ কৰে। উল্লেখনীয় বিষয় যে, জি এন এম হিচাপে কৰ্মৰত নাৰ্চিংহোমখনত বুধবাৰেও নিজৰ কৰ্ম সম্পাদন কৰি বাগিচাৰ ঘৰলৈ উভতি যোৱা শ্যামলীমাৰ প্ৰায় ডেৰ বছৰমান পূৰ্বে গগণদ্বীপ সিং ধীলনৰ সৈতে বিবাহ হৈছিল। নগাঁও জিলাৰ খুটিকটীয়া গাঁৱৰ মনমোহন সিং ধীলনৰ পুত্ৰ গগণদ্বীপ আৰু নগাঁও জিলাৰে বৰহমপুৰ হাতিয়নীভেটা গাঁৱৰ শ্যামলীমাৰ বহুদিনীয়া প্ৰেমৰ অন্তত বিবাহ হৈছিল আৰু প্ৰায় এবছৰমান পূৰ্বৰে পৰা কৰ্মসূত্ৰে দৈমুখীয়া চাহ বাগিচাত বসবাস কৰিছিল। বুধবাৰে নিশা সংঘটিত হোৱা এই চাঞ্চল্যকৰ ঘটনাক আত্মহত্যা বুলি কোৱা হৈছে যদিও একাংশ লোকে এইয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ কৰিছে। কিন্তু প্ৰকৃততে এইয়া আত্মহত্যা নে হত্যাকাণ্ড সেয়া মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু আৰক্ষীৰ তদন্তত হে পোহৰলৈ আহিব। আনহাতে আৰক্ষী সূত্ৰে জানিব পৰা মতে বৃহস্পতিবাৰে বিয়লি তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত মহিলাগৰাকীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত নগাঁৱৰ পৰা অহা পৰিয়ালৰ হাতত মৃতদেহটো চমজাই দিয়াৰ লগতে আৰক্ষীৰ জিম্মাত থকা গগণদ্বীপ সিং ধীলনক সোধ-পোছ অব্যাহত ৰাখিছে। ইপিনে শেহতীয়া খবৰ অনুসৰি মৃত মহিলাগৰাকীৰ পিতৃ প্ৰেমকান্ত বৰাই তেওঁৰ কন্যা শ্যামলীমাক তেওঁৰ স্বামী গগণদ্বীপে পৰিকল্পিতভাৱে হত্যা কৰা বুলি বাঘজান থানাত এখন এজাহাৰ দাখিল কৰিছে।

জাননী

বিজনী সমবায় সমিতিৰ সাধাৰণ সভা।

চিৰাং জিলাৰ বিজনী সমবায়ৰ সমিতি লিমিটেডৰ ২০২৬-২৭ বৰ্ষৰ বছৰেকীয়া সাধাৰণ সভা অহা ২০/০৯/২০২৬ তাৰিখ ৰবিবাৰে ৰাতিপুৱা ১১ বজাত বিজনী সমবায় সমিতিৰ কাৰ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হব। বিজনী সমবায়ৰ সমিতি লিমিটেডৰ সভাপতি আৰু সম্পাদক ক্ৰমে শ্ৰীযুত অভিৰাম মহানায়ক আৰু শ্ৰীযুত নৃপেন চন্দ্ৰ ৰায় মহোদয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে এই তথ্য সদৰি কৰিছে। বিজনী সমবায় সমিতি লিমিটেডৰ সকলো বৈধ অংশীদাৰ সকলক উক্ত দিনা যথা সময়ত সভাখনত উপস্থিত থাকিবলৈ এই বিবৃতিখনৰ জৰিয়তে আহ্বান জনাইছে।

AB-167/2026

শিশু অপহৰণ কাণ্ডত মোমায়েকৰ পিছত মামীয়েকক গ্ৰেপ্তাৰ

অসম বাৰ্তা, মৰিয়নী, ১৮ ছেপ্টেম্বৰ ঃ মৰিয়নীত ১ ছেপ্টেম্বৰত সংঘটিত ৯ বছৰীয়া শিশু অপহৰণ কাণ্ডৰ তদন্তত সফলতা লাভ কৰিছে মৰিয়নী আৰক্ষীয়ে। ক্ষিপ্ৰ তদন্ত আৰু ধাৰাবাহিক অভিযানৰ জৰিয়তে ঘটনাটোৰ সৈতে জড়িত মুঠ চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে মৰিয়নি আৰক্ষী। উল্লেখ্য যে, টকাৰ লোভত নিজ মোমায়েক-মামীয়েকে ৯ বছৰীয়া ভাগিনীয়েকক অপহৰণ কৰি ৬০ লাখ টকা মুক্তিপণ দাবী কৰাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে উক্ত ঘটনাটোৱে মৰিয়নী অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ঘটনাৰ পিছতে মৰিয়নী আৰক্ষীয়ে বিষয়টোক গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰে। তদন্তৰ সময়ছোৱাত আৰক্ষীয়ে লাভ কৰা বিভিন্ন তথ্য আৰু সূত্ৰৰ ভিত্তিত প্ৰথমে ঘটনাৰ মূল অপহৰণকাৰী আৰু শিশুটিৰ মোমায়েকসহ এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পিছতো তদন্তত থমকি নৰৈ ধাৰাবাহিকভাৱে অভিযান চলাই আন অভিযুক্তসকলৰ সন্ধান উলিয়াবলৈ সক্ষম হয় মৰিয়নি আৰক্ষী। ইতিমধ্যে এটাৰ পিছত এটাকৈ মুঠ তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ পিছত শুক্ৰ বাৰে পুৱা নাগালেণ্ডৰ উষা অঞ্চলৰ পৰা অপহৰণ কাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগত মামীয়েক মনীষা ঘোষকো গ্ৰেপ্তাৰ কৰে মৰিয়নী আৰক্ষীয়ে। আৰক্ষীৰ এই ধাৰাবাহিক তদন্ত আৰু আন্তঃৰাজ্যিক অভিযানৰ ফলত কাণ্ডটোৰ সৈতে জড়িত চাৰিজন অভিযুক্ত আৰক্ষীৰ জালত পৰাটো তদন্তৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ অগ্ৰগতি হিচাপে বিবেচিত হৈছে। ইফালে, অপহৰণ কাণ্ডটোৰ সৈতে আৰু কোনো লোক জড়িত আছে নেকি, ঘটনাটোৰ আঁৰৰ উদ্দেশ্য আৰু ৬০ লাখ টকা মুক্তিপণ দাবীৰ সৈতে জড়িত অন্যান্য বিষয়সমূহ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

চেপনত জুবিন দিৱসৰ আয়োজন

অসম বাৰ্তা, চেপন, ১৮ ছেপ্টেম্বৰ ঃ জনতাৰ শিল্পী, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ এখন অন্যতম প্ৰিয় চহৰ, বুৰঞ্জী বিধৌত 'কমোৱা তুলাৰ নগৰ' চেপনত উদযাপিত হ'ব 'জুবিন দিৱস'। জুবিন গাৰ্গ ফেন ক্লাৱৰ উদ্যোগত বৃহত্তৰ চেপনবাসীৰ সহযোগত কাইলৈ চেপন ৰাজহুৱা খেলপথাৰত জুবিন দিৱস আয়োজনৰ বাবে পূৰ্ণ প্ৰস্তুতি চলিছে। আয়োজক সমিতিৰ সভাপতি অজয় সূত, কাৰ্যকৰী সভাপতি সন্তোষ কোঁৱৰ, সম্পাদক যিজাচ গগৈ আৰু জুবিন গাৰ্গ ফেন ক্লাৱৰ বিষয়ববীয়াসকলে ইতিমধ্যে প্ৰস্তাৱিত জুবিন দিৱসৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উল্লেখ্য যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ উত্তৰসুৰী হিচাপে বিশেষকৈ অসমৰ সংগীত আৰু চলচ্চিত্ৰজগতখনক বিশ্বমুখী কৰাৰ প্ৰয়াস কৰা অসমৰ জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ কায়িকভাৱে আঁতৰি যোৱা কাইলৈ এটা বছৰ সম্পূৰ্ণ হ'ব। এই উপলক্ষে কাইলৈ সন্ধিয়া ৬-০০ বজাত চেপন ৰাজহুৱা খেলপথাৰত অঞ্চলটোৰ বিভিন্ন জাতীয় দল সংগঠনৰ লগতে স্থানীয় বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত প্ৰাণৰ শিল্পীজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ পিছতে তেওঁৰ কালজয়ী গীত "মায়াবিনী" সমূহীয়াকৈ পৰিৱেশন কৰিব। সন্ধিয়া ৭-০০বজাৰ পৰা "জুবিনৰ গান, জুবিনৰ কবিতা" শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে অসমৰ সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ, জনতাৰ প্ৰাণৰ শিল্পী, লুইত কণ্ঠ জুবিন গাৰ্গৰ সোঁৱৰি কাইলৈৰ দিনটোত আয়োজন কৰা 'জুবিন দিৱস' সফল কৰি তুলিবলৈ বৃহত্তৰ চেপন অঞ্চলৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণী লোকৰ উপস্থিতি আৰু আন্তৰিক সহযোগিতা আয়োজক সমিতিয়ে কামনা কৰিছে।

OFFICE OF THE SUB DIVISIONAL MEDICAL & HEALTH OFFICER
NORTH GUWAHATI BLOCK PHC
College Nagar, Abhoypur, Kamrup, Guwahati- 781031

No.NGBPHC/RBSK/ NIQ/01 Date: 17-09-2026

NOTICE INVITING QUOTATION

Sealed quotation/s are invited from preferably Govt. Registered Parties for **hiring of vehicle under RBSK Programme for the F.Y. 2026-27 and 2027-28. The vehicle may be Scorpio, Bolero, TUV 300, Ertiga etc.**

The Quotation will be received in the office of the undersigned from 19-09-2026 to 25-09-2026 till 2.P.M. and will be opened at 3 P.M. same day. The quotationer/s or their representatives may present at the time of opening the quotations.

The terms and conditions etc. may be obtained from the Office of the undersigned from 19-09-2026 onwards on all working days up to 25-09-2026 till 3 PM. If the date of opening happens to be holiday or if for any unavoidable circumstances the opening cannot be processed, the quotations will be opened in the next working day.

The undersigned is not bound to accept the lowest rates and reserves the right to accept or reject any or all quotation/s without assigning any reason thereof.

SDM&HO
North Guwahati Block PHC

NGBPHC/RBSK/NIQ/01 Date: 17.09.2026

SDM&HO

AB-168/2026

সভাপতি নীলভ ঘৰফলীয়া-সম্পাদক মিণ্টু চেতিয়া নিৰ্বাচিত

ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত ২০২৬-২৭ ৰৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। ছাত্ৰ একতা সভাৰ মুঠ ১১টা পদৰ ভিতৰত ৮টা পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। যোৱা বৰ্ষৰ দৰেই এইবাৰো দেমহাবিদ্যালয়ৰ নিজা ছফ্‌টৱেৰ ডেভেলপাৰ 'ফিনিস্কীয়া ডেডিকেচন'ৰ দ্বাৰা প্ৰস্তুত কৰা 'ফিনলেক্সা' ছফ্‌টৱেৰৰ জৰিয়তে ইলেক্ট্ৰনিক পদ্ধতিত নিৰ্বাচন অনুষ্ঠিত হয়। এই ডিজিটেল পদ্ধতিৰ জৰিয়তে ভোটগ্ৰহণ আৰু ফলাফল প্ৰকাশৰ প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতাৰে সম্পন্ন হয়। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মোবাইল ফোনৰ জৰিয়তেও নিৰ্বাচনৰ ফলাফল চাব পৰা ব্যৱস্থা আছে। ইলেক্ট্ৰনিক পদ্ধতিৰ জৰিয়তে মাত্ৰ ১৫ মিনিটৰ ভিতৰতে ফলাফল ঘোষণা কৰা হয়। ফলাফল অনুসৰি সভাপতি পদত নীলভ ঘৰফলীয়া, উপ-সভাপতি পদত প্ৰাচুৰ্য ডাঙৰীয়া, সাধাৰণ সম্পাদক পদত মিণ্টু চেতিয়া আৰু সহকাৰী সাধাৰণ সম্পাদক পদত ইমণ দহোতিয়া নিৰ্বাচিত হয়। ইয়াৰোপৰি বিভিন্ন বিভাগৰ সম্পাদক আৰু সম্পাদিকা পদত পুলক ভূঞা (ছাত্ৰ জিৰণি কোঠা), তুষাৰ বৰুৱা (শৰীৰ চৰ্চা সম্পাদক), মন্দিপ বৰা (সাংস্কৃতিক আৰু ছাত্ৰ কল্যাণ সম্পাদক) আৰু প্ৰীয়ংগণা শইকীয়া (ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা) নিৰ্বাচিত হয়। সংগীত সম্পাদক পদত অভ্ৰনীল শইকীয়া, আলোচনী সম্পাদক পদত কৰবী পাণিফুকন আৰু ক্ৰীড়া সম্পাদক পদত হাৰ্ডিক শৰ্মা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। নিৰ্বাচন প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী সহযোগী অধ্যাপক ড° স্বপ্না নাথ ৰিটাৰ্নিং অফিচাৰৰ হ দায়িত্বত থাকে। হিচাপবিদ্যা বিভাগৰ সহকাৰী অধ্যাপক ড° জেকব কোঁৱৰ আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকা সংগীতা গগৈ শেনচোৱাই নিৰ্বাচনী পৰ্যবেক্ষক হিচাপে থাকে। নিৰ্বাচন প্ৰক্ৰিয়া সুকলমে সম্পন্ন হোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

তৃণমূলৰ নাম-প্ৰতীক স্থগিত

আৰু 'ঘাঁহ-ফুল'ৰ প্ৰতীক ব্যৱহাৰ কৰিবলৈ বাধা দিয়া নিৰ্বাচন আয়োগৰ সিদ্ধান্তই ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে এই সিদ্ধান্তক তীব্ৰ ভাষাত সমালোচনা কৰি কৈছে যে নিৰ্বাচন আয়োগে নিজৰ সাংবিধানিক দায়িত্ব পালন কৰাৰ পৰিৱৰ্তে জনসাধাৰণৰ ৰায় উলংঘা কৰা শক্তিক সহায় কৰিছে। ৰাহুল গান্ধীয়ে শুকুৰবাৰে কয় যে প্ৰথমে শিৱসেনা, তাৰ পিছত এনচিপি আৰু এতিয়া তৃণমূল কংগ্ৰেছ - প্ৰতিবাৰেই একে আৰ্হি দেখা গৈছে। তেওঁৰ অভিযোগ, বিজেপি আৰু নিৰ্বাচন আয়োগে একত্ৰিতভাৱে এটা দল বিভাজন কৰে আৰু তাৰ পিছত সেই দলৰ নিৰ্বাচনী প্ৰতীক কাঢ়ি লৈ যায়। তেওঁ মন্তব্য কৰে যে যেতিয়া এটা সম্পূৰ্ণ দল চুৰি হ'ব পাৰে, তেতিয়া কোটি কোটি ভাৰতীয়ৰ ভোট চুৰি হোৱাটো একো আচৰিত কথা নহয়। "ভোট চুৰি, চৰকাৰ চুৰি, এতিয়া দল চুৰি - এইবোৰ আমাৰ গণতান্ত্ৰিক অৱনতিৰ প্ৰতীক হৈ পৰিছে, "বুলি ৰাহুল গান্ধীয়ে কয়। তেওঁ লগতে উল্লেখ কৰে যে ভাৰতৰ নিৰ্বাচন আয়োগৰ সাংবিধানিক দায়িত্ব হৈছে আদেশ ৰক্ষা কৰা; কিন্তু ইয়াৰ পৰিৱৰ্তে সংস্থাটোৱে জনসাধাৰণৰ ৰায় উলংঘা কৰা শক্তিক সহায় কৰিছে। তেওঁ স্পষ্ট কৰি দিয়ে যে এই যুঁজখন কেৱল মমতা বেনাৰ্জীৰ নহয়; এই যুঁজখন প্ৰতিটো ৰাজনৈতিক দলৰ আৰু মুক্ত তথা নিকা নিৰ্বাচন বিচৰা প্ৰতিজন ভোটাৰৰ। ইফালে, কংগ্ৰেছে বৃহস্পতিবাৰে নিৰ্বাচন আয়োগৰ সিদ্ধান্তক গৰিহণা দি অভিযোগ উত্থাপন কৰে যে নিৰ্বাচনী সংস্থাটোৱে সাংবিধানিক দায়িত্ব উলংঘা কৰিছে। কংগ্ৰেছৰ মতে, তৃণমূল কংগ্ৰেছৰ নাম আৰু প্ৰতীক স্থগিত ৰখাটো মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দিয়া "শেষ নিশাৰ জন্মদিনৰ উপহাৰ।" উল্লেখ্য, নিৰ্বাচন আয়োগে তৃণমূল কংগ্ৰেছৰ প্ৰতিদ্বন্দ্বী ফৈদসমূহক উপ-নিৰ্বাচনৰ সময়ত দলৰ নাম আৰু প্ৰতীক ব্যৱহাৰ নকৰিবলৈ নিৰ্দেশ দিছে। লগতে শুকুৰবাৰে পুৱাৰ ভিতৰত নিজৰ পচন্দৰ নাম আৰু প্ৰতীক দাখিল কৰিবলৈ কৈছে।

গোৱালপাৰাৰ পৰা ৰাছিয়াৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ আছাদুৰ ৰহমান

অসম বাৰ্তা, গোৱালপাৰা, ১৮ ছেপ্টেম্বৰ ঃ অসমৰ গোৱালপাৰা জিলাৰ পৰা ৰাছিয়াৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ আছাদুৰ ৰহমান। ১৯১খন দেশৰ ১০ হাজাৰতকৈ অধিক যুৱ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে ৰাছিয়াৰ ইয়েকাটেৰিনবাৰ্গত অনুষ্ঠিত বিশ্ব যুৱ উৎসৱত ভাৰতক প্ৰতিনিধিত্ব কৰিলে অসমৰ যুৱক আছাদুৰ ৰহমানে। সপ্তাহজোৱা এই আন্তঃৰাষ্ট্ৰীয় যুৱ সমাৰেশত বিশ্বৰ বিভিন্ন প্ৰান্তৰ যুৱ প্ৰতিনিধিয়ে সংস্কৃতি, প্ৰযুক্তি, শিক্ষা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বিভিন্ন বিষয়ত মত বিনিময় কৰে। ১০ আৰু ১১ ছেপ্টেম্বৰত প্ৰতিনিধিসকলৰ আগমন আৰু পঞ্জীয়ন সম্পন্ন হোৱাৰ পিছত ১২ ছেপ্টেম্বৰত অনুষ্ঠিত হয় উৎসৱৰ বৰ্ণাঢ্য উদ্বোধনী অনুষ্ঠান। ১৯১খন দেশৰ ৰাষ্ট্ৰীয় পতাকাৰ সমদল আৰু সাংস্কৃতিক অনুষ্ঠানে উদ্বোধনী অনুষ্ঠানক কৰি তোলে আকৰ্ষণীয়। উৎসৱৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি আছাদুৰ ৰহমানে লাভ কৰে বহু নতুন অভিজ্ঞতা। কৃত্ৰিম বুদ্ধিমত্তা, মানৱৰূপী ৰবট আৰু অত্যাধুনিক প্ৰযুক্তিৰ প্ৰদৰ্শনৰ লগতে বিভিন্ন দেশৰ যুৱ প্ৰতিনিধিৰ সৈতে সাংস্কৃতিক বিনিময়তো অংশগ্ৰহণ কৰে তেওঁ। বিশেষভাৱে চৰ্চিত হয় 'কালচাৰেল ৰেলী'। ১৯১খন দেশৰ প্ৰতিনিধিয়ে নিজ নিজ ৰাষ্ট্ৰীয় পতাকা লৈ অংশগ্ৰহণ কৰা এই সমদলত ভাৰতৰ ত্ৰিৰংগা পতাকা হাতত লৈ গৌৰৱেৰে অংশ লয় অসমৰ আছাদুৰ ৰহমানে। ইয়াৰ মাজতে অসমৰ সংস্কৃতি আৰু পৰম্পৰাক বিশ্ব মঞ্চত তুলি ধৰাৰ এক অনন্য সুযোগ লাভ কৰে আছাদুৰে। অসমৰ স্বাভিমানৰ প্ৰতীক গামোচা ৰাছিয়াৰ বিজ্ঞান আৰু উচ্চ শিক্ষা মন্ত্ৰালয়ৰ উপমন্ত্ৰী ওলগা পেট্ৰোভাক প্ৰদান কৰে তেওঁ। ইয়াৰ উপৰি ৰাছিয়াৰ স্বাস্থ্য মন্ত্ৰীৰ সৈতে অনুষ্ঠিত বিভিন্ন বিষয়ভিত্তিক আলোচনাতো অংশগ্ৰহণ কৰে অসমৰ যুৱকজনে। উৎসৱৰ সামৰণি অনুষ্ঠানতো উপস্থিত থাকে আছাদুৰ ৰহমান। অনুষ্ঠানত ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰভে অংশগ্ৰহণ কৰে। উৎসৱৰ অভিজ্ঞতা বৰ্ণনা কৰি আছাদুৰে কয়—বিশ্ব যুৱ উৎসৱ তেওঁৰ বাবে কেৱল এটা উৎসৱ নাছিল, বৰং আছিল এখন বিশ্বজনীন শ্ৰেণীকোঠা। ১৯১খন দেশৰ মাজত ভাৰত আৰু অসমক প্ৰতিনিধিত্ব কৰাটো তেওঁৰ জীৱনৰ অন্যতম বৃহৎ সাফল্য বুলি উল্লেখ কৰে তেওঁ। অসমৰ এখন সৰু ঠাইৰ পৰা ৰাছিয়াৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ আছাদুৰ ৰহমানৰ এই যাত্ৰাই উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ সমাজৰ বাবেও কঢ়িয়াই আনিছে নতুন অনুপ্ৰেৰণা। বিশ্বৰ বৃহৎ যুৱ সমাৰেশত ভাৰতৰ ত্ৰিৰংগা আৰু অসমৰ গামোচাৰে দেশ তথা ৰাজ্যক প্ৰতিনিধিত্ব কৰা আছাদুৰৰ এই উপস্থিতি অসমৰ বাবে এক গৌৰৱৰ মুহূৰ্ত। উল্লেখ্য যে আছাদুৰ ৰহমান গোৱালপাৰাৰ জেষ্ঠ্য সাংবাদিক আব্দুছ ছোবাহানৰ পুত্ৰ আৰু তেওঁ এতিয়া ৰাছিয়াত এমবিবিএচৰ তৃতীয় বৰ্ষৰ ছাত্ৰ।

স্বামীৰ বিৰুদ্ধে হত্যাৰ অভিযোগ; ন্যায় বিচাৰি পৰিয়ালৰ কাতৰ আহ্বান

ডুমডুমাত শ্যামলিমা বৰাৰ ৰহস্যজনক মৃত্যু

অসম বাৰ্তা, বড়মপুৰ, ১৮ ছেপ্টেম্বৰ ঃ তিনিচুকীয়াৰ ডুমডুমাত নগাঁৱৰ বড়মপুৰৰ শ্যামলিমা বৰাৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। ডুমডুমাৰ দৈমুখীয়া চাহ বাগিচাৰ সহ-পৰিচালক তথা শ্যামলিমাৰ স্বামী গগনদ্বীপ সিং ধিলোনাৰ চৰকাৰী বাসগৃহত সংঘটিত হৈছিল এই ঘটনা। শ্যামলিমাৰ মৃতদেহ বড়মপুৰৰ হাতীয়নীভেটাস্থিত স্বগৃহত আহি পোৱাৰ পাছতে শোকত ভাগি পৰে পৰিয়াল। একে সময়তে ঘটনাটোক লৈ ক্ষোভ প্ৰকাশ কৰে স্থানীয় ৰাইজে। শ্যামলিমাৰ মৃত্যু আত্মহত্যা নহয়, এয়া হত্যাকাণ্ড হ'ব পাৰে বুলি অভিযোগ উত্থাপন কৰিছে পৰিয়ালে। স্বামীৰ বিৰুদ্ধেও উত্থাপন কৰা হৈছে গুৰুতৰ অভিযোগ। প্ৰেমাকান্ত বৰা আৰু পংকজা বৰাৰ জেষ্ঠ কন্যা শ্যামলিমা আছিল উচ্চ শিক্ষিতা। এখন ব্যক্তিগত চিকিৎসালয়ত স্বাস্থ্যকৰ্মী হিচাপে কৰ্মৰত শ্যামলিমা প্ৰায় ডেৰ বছৰ পূৰ্বে আইনী প্ৰক্ৰিয়াৰে গগনদ্বীপ সিং ধিলোনাৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। পিতৃৰ দাবী, ঘটনাৰ কিছু সময় পূৰ্বে শ্যামলিমাই পৰিয়ালৰ লোকৰ সৈতে ফোনযোগে স্বাভাৱিকভাৱে কথা পাতিছিল। তাৰ পাছতেই সংঘটিত হয় ৰহস্যজনক ঘটনা। জীয়ৰীৰ মৃত্যুৰ আঁৰৰ প্ৰকৃত সত্য উদঘাটন কৰি ন্যায় প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে শ্যামলিমাৰ পিতৃয়ে। ইফালে, শ্যামলিমাৰ বান্ধৱীৰ অভিযোগ অনুসৰি, দাম্পত্য জীৱনত স্বামী-স্ত্ৰীৰ মাজত প্ৰায়ে সংঘাত হৈছিল। শ্যামলিমাই বিবাহ বিচ্ছেদৰ কথাও চিন্তা কৰিছিল বুলি বান্ধৱীগৰাকীয়ে দাবী কৰে। ঘটনাৰ তদন্তত প্ৰকৃত সত্য কি পোহৰলৈ আহে, সেয়া এতিয়া লক্ষণীয়। শ্যামলিমাৰ পৰিয়ালৰ অভিযোগৰ নিৰপেক্ষ তদন্ত কৰি দোষী চিনাক্ত কৰাৰ লগতে ন্যায় প্ৰদানৰ দাবী জনাইছে বড়মপুৰৰ স্থানীয় ৰাইজে।

মানৱ সৰবৰাহৰ গোচৰত

আদালতে ২০১৯ চনৰ এক চাঞ্চল্যকৰ মানৱ সৰবৰাহৰ গোচৰৰ শুনানি গ্ৰহণ কৰি মুঠ ৯জন অভিযুক্তক দোষী সাব্যস্ত কৰে আৰু আটাইকেইজনকে যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। লক্ষণীয়ভাৱে, এই ৯জন অপৰাধীৰ ভিতৰত ৮ জনেই হৈছে বাংলাদেশী নাগৰিক। যাৱজ্জীৱন কাৰাদণ্ডৰ সমান্তৰালভাৱে, ন্যায়াধীশে দোষী সাব্যস্ত হোৱা অভিযুক্তসকলৰ ওপৰত সৰ্বমুঠ ১ লাখ ৩৭ হাজাৰ টকাৰ আৰ্থিক জৰিমনাও বিহে। যদিহে কোনো অপৰাধীয়ে এই জৰিমনাৰ ধন আদায় দিয়াত ব্যৰ্থ হয়, তেন্তে তেওঁলোকে অতিৰিক্তভাৱে আৰু ৩ মাহৰ কাৰাদণ্ড খাটিব লাগিব বুলিও ৰায়দানত স্পষ্টকৈ উল্লেখ কৰা হৈছে। এই গোচৰটো এটা সুসংগঠিত আৰু নিৰ্মম মানৱ সৰবৰাহকাৰী চক্ৰৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। অপৰাধী চক্ৰটোৱে নিৰীহ বাংলাদেশী মহিলাসকলক লক্ষ্য কৰি লৈছিল আৰু তেওঁলোকক ভাৰতত লাভজনক কৰ্মসংস্থাপন তথা উচ্চ হাৰৰ মজুৰিৰ ভুৱা প্ৰতিশ্ৰুতিৰে প্ৰলোভিত কৰিছিল। পৰৱৰ্তী সময়ত এই মহিলাসকলক ভাৰতলৈ সৰবৰাহ কৰি তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে জোৰ-জুলুমকৈ বেশ্যাবৃত্তিত নিয়োজিত হ'বলৈ বাধ্য কৰোৱা হৈছিল। এই সমগ্ৰ ঘটনাৱলীৰ সূত্ৰপাত ঘটিছিল ২০১৯ চনত। প্ৰথমাৱস্থাত তেলেংগানা আৰক্ষীয়ে হায়দৰাবাদৰ পাহাড়ী শ্বৰীফ আৰক্ষী থানাত এই সন্দৰ্ভত এক মূল গোচৰ ৰুজু কৰিছিল। আৰক্ষীয়ে ২০১৯ চনৰ ছেপ্টেম্বৰ মাহত এক সফল অভিযান চলাই জলপল্লী গাঁৱত চলি থকা এটা বেশ্যালয়ৰ পৰা ৩ গৰাকী নিৰ্যাতিতা বাংলাদেশী মহিলাক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও, হায়দৰাবাদৰ বালাপুৰ অঞ্চলৰ মহিমুদ কল'নীত অৱস্থিত এটা আৱাসিক ঘৰৰ পৰা আন এগৰাকী মহিলাকো সুৰক্ষিতভাৱে উদ্ধাৰ কৰা হৈছিল। ঘটনাৰ গুৰুত্ব আৰু ইয়াৰ সৈতে আন্তঃৰাষ্ট্ৰীয় চক্ৰ জড়িত থকাৰ প্ৰতি লক্ষ্য ৰাখি পৰৱৰ্তী সময়ত এনআইএ-য়ে এই গোচৰৰ তদন্তৰ দায়িত্ব নিজৰ হাতলৈ লয়। ২০১৯ চনৰ ১২ অক্টোবৰত এনআইএ-য়ে RC-03/2019/NIA/HYD নম্বৰত গোচৰটো নতুনকৈ পঞ্জীয়ন কৰি ক্ষিপ্ৰতাৰে তদন্ত আৰম্ভ কৰে। তদন্তকাৰী সংস্থাটোৰ আশাশুধীয়া প্ৰচেষ্টাত অভিযুক্তসকল যে এক বৃহৎ আৰু সক্ৰিয় মানৱ সৰবৰাহ নেটৱৰ্কৰ অংশ, সেয়া সম্পূৰ্ণৰূপে প্ৰমাণিত হয়। ইয়াৰ পিছতে ২০২০ চনৰ ১৭ অ'ৌবৰত এনআইএ-য়ে পলাতক অৱস্থাত থকা তিনিজন অভিযুক্তক (এ১, এ৩, এ৭) সামৰি মুঠ ১২জন ব্যক্তিৰ বিৰুদ্ধে আদালতত আনুষ্ঠানিকভাৱে অভিযোগনামা দাখিল কৰে। ২০১৯ আৰু ২০২০ চনৰ সময়ছোৱাত সমগ্ৰ তদন্ত প্ৰক্ৰিয়াৰ অংশ হিচাপে পশ্চিমবংগ আৰু তেলেংগানাকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰা হৈছিল। যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হোৱা এই ৯জন অপৰাধী হৈছে ক্ৰমে ৰুহুল আমিন ধালী (এ২), মহম্মদ ইউছুফ খান ওৰফে মহম্মদ ইমৰাণ (এ৪), বিথি বেগম ওৰফে খাদিজা শ্বেখ (এ৫), ইমামুল গাজী ওৰফে মহম্মদ ৰাণা হুছেইন (এ৬), মহম্মদ আল মামুন (এ৮), সোজিব শ্বেখ (এ৯), সুৰেশ কুমাৰ দাস ওৰফে সাগৰ (এ১০), মহম্মদ আব্দুল্লা মুঞ্চি ওৰফে আব্দুল সৰকাৰ (এ১১), মহম্মদ আয়ুব শ্বেখ (এ১২)।

জুবিনবিহীন এটা বছৰ

লগতে নিশালৈ ভাওনা প্ৰদৰ্শন কৰা হ'ব। এই তিনিদিনীয়া কাৰ্যসূচীয়ে শিল্পীগৰাকীৰ স্মৃতিক জীৱন্ত কৰি ৰখাৰ লগতে তেওঁৰ শিল্প-সাধনাক নতুন প্ৰজন্মৰ আগত উপস্থাপন কৰাৰ প্ৰয়াস কৰিছে। ইফালে, সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি 'পোহৰেৰে চাকি গছি' শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত সেইদিনা সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই বিষয়ে জানিব দি কয় যে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী তথা ৰাইজে সমবেত কণ্ঠত 'মায়াবিনী' গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯খন বিজেপি সাংগঠনিক জিলাত এই ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই শিবিৰসমূহে শিল্পীগৰাকীৰ স্মৃতিত মানৱতাৰ সেৱা আগবঢ়োৱাৰ লগতে ৰক্তৰ প্ৰয়োজন থকা ৰোগীক সহায় কৰাৰ উদ্দেশ্যে কাম কৰিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কাইলৈ প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত দলৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদকে জাৰি কৰা জাননী অনুসৰি স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এইদৰে বিভিন্ন সংগঠন আৰু ৰাজনৈতিক দলৰ সমান্তৰাল কাৰ্যসূচীয়ে জনতাৰ শিল্পীগৰাকীলৈ ৰাজ্যজুৰি গভীৰ শ্ৰদ্ধা আৰু ভালপোৱাৰ প্ৰতিফলন ঘটিৰূপে ধৰা দিছে।

প্ৰাণৰ জুবিন

কণ্ঠৰে, গীতেৰে, সুৰেৰে, শব্দৰে 'অনামিকা'ৰ পৰা মৃত্যুৰ সময়লৈকে প্ৰায় তিনিটা দশক আঠত্ৰিশ হাজাৰবো অধিক গীতেৰে অসমীয়া সংগীতক সমৃদ্ধ আৰু শক্তিশালী বৰ্ণাঢ্য ৰূপত গঢ় দিয়া জুবিনৰ সংগীত জীৱনৰ কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নিশ্চয় নাই। পৃথিৱীৰ হয়তো বহু শিল্পীৰে যি নাছিল, সেয়া আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ ৰ আছিল। হয়তো সেই বাবেই জুবিন গাৰ্গ অনন্য, অতুলনীয়, অদ্বিতীয়। বিশ্বৰ বহু কালজয়ী শিল্পী কেৱল শিল্পকলাৰ পৰিধিৰ (সি লাগিলে গীত গোৱাই হওক, নৃত্য কৰাই হওক, ছবি অঁকাই হওক বা আন যিকোনো কলাই নহওক কিয়) ভিতৰতে সীমাৱদ্ধ আছিল। মানুহৰ বাবে সৰ্বস্ব উজাৰি দিয়াৰ পৰা, সাধাৰণ মানুহৰ প্ৰতি দৰদ, মৰমবোৰৰ পৰা, প্ৰকৃতিৰ প্ৰতি থকা সীমাহীন দায়বদ্ধতাৰ পৰা, ওপজাঠাই অসমখনৰ প্ৰতি থকা ভালপোৱাৰ পৰা, জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে অসমখনক 'বৰ অসম' ৰূপে গঢ়ি তোলাৰ সপোন দেখাৰ পৰা, কোনেও ক'ব নোৱাৰা কথাবোৰ নিজস্ব শৈলীৰে খাৰাংখাচভাৱে কৈ দিয়ালৈকে - জুবিন দাৰ যিখিনি গুণ - কাৰো নাছিল। আটাইতকৈ ডাঙৰ কথাটো হ'ল পৃথিৱীৰ কোনো শিল্পীয়েই হয়তো তেওঁলোকৰ নিজৰ মানুহখিনিৰ অন্তৰৰ নিভৃত কোণলৈকে ইমানকৈ কিজানি শিপাব পৰা নাই, যিমান জুবিন দা শিপাই আছে বা আজীৱন জাতিটো জীয়াই থকালৈকে থাকিব। জুবিনদা অসমৰ ধনী, দুখীয়া, উচ্চ-নীচ, ধৰ্ম বৰ্ণ সকলো লোকৰে প্ৰত্যেকজন 'অসমীয়া'ৰ নিজৰ ঘৰৰ ল'ৰা আছিল - যাক সকলোৱে মৰমো কৰিব পাৰে, দ্বিধাহীনভাৱে গালিও পাৰিব পাৰে বা অভিমানো কৰিব পাৰে। এজন শিল্পীক কিমান ভাল পালে লাখ লাখ মানুহ ওলাই আহিব পাৰে, এয়াৰপৰ্টৰ কৰ্মচাৰীৰ পৰা কৰ্তব্যৰত আৰক্ষী, সাংবাদিক সকলোৱে হিয়া ধাকুৰি কান্দিব পাৰে, সেয়া জুবিন গাৰ্গ নোহোৱা হোৱাৰ পাছৰ দিনকেইটাত সমগ্ৰ পৃথিৱীয়ে দেখিছে। বিশ্বৰ চকু থৰ হৈ গৈছিল জুবিন গাৰ্গৰ প্ৰতি থকা অসমীয়াৰ মৰম দেখি।

কথা হ'ল, জুবিন নামৰ এই মানুহজনৰ প্ৰতি আছে সকলোৰে এক অদ্ভুত আকৰ্ষণ। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে জুবিনক ভাল পায়। জুবিনৰ গানৰ মায়াসনা মাদকতাত বিলীন কৰি দিয়ে মন-প্ৰাণ। কিন্তু কিয় সকলোৱে ইমান ভাল পায় এই জুবিন গাৰ্গ নামৰ সত্বাটোক? জুবিনক কিয় সকলোৱে একেবাৰে নিজৰ ল'ৰা, ককাই ভাই বুলি আকোৱালি ল'ব পাৰিছিল? কিয় দ্বিধাহীন ভাৱে মৰম কৰিব পাৰিছিল, আবদাৰ কৰিব পাৰিছিল, গালি পাৰিব বা ঠেহ পাতিব পাৰিছিল?

কাৰণটো হ'ল জুবিন গাৰ্গৰ মানুহক আকৰ্ষিত কৰিব পৰা এক ঈশ্বৰপ্ৰদত্ত শক্তি আছিল। খাৰাংখাচ কথা, স্পষ্টবাদিতা বিশেষকৈ কথা কোৱাৰ ধৰণটোৱে সততে সকলোকে মোহিত কৰিছিল। জুবিনৰ কণ্ঠই মানুহক মোহাচ্ছন্ন কৰি ৰাখিছে সঁচা, কিন্তু জুবিনৰ আন আন যিবোৰ সমাজ-সচেতনতামূলক কাম, সেয়াই অসমৰ প্ৰতিগৰাকী মানুহৰ অন্তৰত তেওঁৰ প্ৰতি এক শ্ৰদ্ধাসুলভ আকৰ্ষণ জন্মাই আহিছে। জুবিনে সমাজৰ বাবে, অসমৰ বাবে, নিজৰ মানুহখিনিৰ বাবে অহৰহ মৃত্যু বহুখিনি কৰি থৈ গৈছে। প্ৰকৃতিৰ বাবে সদায় মাত মাতি অহাই নহয় যুৱপ্ৰজন্মক বন্যপ্ৰাণী তথা বৃক্ষৰোপণৰ জৰিয়তে প্ৰকৃতি সংৰক্ষণৰ বাবে সচেতন কৰি তুলিছিল। 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছন' ৰ জন্ম দি সমাজৰ বহু দৰিদ্ৰ শিল্প সাধকৰ লগতে বিভিন্ন স্তৰৰ দুখীয়া প্ৰতিভাবান ব্যক্তিৰ মুখত হাঁহি বিৰিঙাইছে। অসমত মৃতপ্ৰায় ফুটবল খেলৰ প্ৰতি আজিৰ প্ৰজন্মক আকৰ্ষিত কৰিবৰ বাবে জুবিনে নিজেই অসমৰ আন আন শিল্পীসকলক লৈ অসমৰ বিভিন্ন ঠাইত ফুটবল খেলিছিল। কোনোবা ব্যক্তিয়ে যিকোনো বিপদ এটাত যদি তেওঁৰ কাষলৈ গৈছে, কাকো বিমুখ কৰা নাই, পাৰ্যমানে সাধ্যানুসাৰে সহায় কৰিছিল। বহু দৰিদ্ৰ ৰুগীয়া মানুহক নিজৰ ককাই ভাই, বাই ভনী হিচাপে মানি লৈ চিকিৎসাৰ সকলো খৰচ বহন কৰিছে বা চিকিৎসাৰ ব্যৱস্থা কৰিছিল। প্ৰতিবছৰে বানপানীৰ সময়ত আৰ্তজনৰ কাষলৈ গৈছে। পথে পথে নিজেই নেতৃত্ব লৈ ৰাইজৰ পৰা দান-বৰঙনি সংগ্ৰহ কৰি আৰ্তজনৰ হাতত তুলি দিছিল। বানপানীক ৰাষ্ট্ৰীয় সমস্যাকাপে ঘোষণা কৰিবলৈ চৰকাৰক সজোৰে আহ্বান জনাই আহিছিল। আটাইতকৈ ডাঙৰ কথা, ইমান সফলতা, ইমান জনপ্ৰিয়তা লাভৰ পিছতো জুবিনৰ নাই কোনো তথাকথিত 'চেলিব্ৰিটি'ৰ দৰে লাইফ ষ্টাইল, নাই ভেম-অহংকাৰ। জুবিনৰ কথাবোৰৰ দৰেই মানুহটোও খাৰংখাচ, তেনেই সাধাৰণ। কেতিয়াবা যদি জি এম চি হাস্পতালৰ কাষৰ পদপথৰ কোনোবা সৰু ঘুমটি, চাহৰ দোকানত চাহ-পুৰিৰ সোৱাদ লৈছে, কেতিয়াবা আকৌ কিবা অনুষ্ঠানলৈ গৈ থাকোঁতে ৰাস্তাৰ কাষৰ কেঁচা-চানাৰ দোকানত ৰখি চানা কিনি খাইছে। সকলো মানুহৰ লগতে সমান আত্মীয়তাৰে কথা পাতিছে। যিটো এগৰাকী শিল্পীৰবাবে আটাইতকৈ ডাঙৰ গুণ। সেইবাবেই কিজানি জুবিন সৰ্বস্তৰৰ মানুহৰ মাজত ইমান জনপ্ৰিয়।

যি মুম্বাই বা বলিউদ দেশৰ সকলো শিল্পী, কলা সাধকৰ সপোন, সেই সপোনৰ বলিউদত কেতিয়াবাই খোপনি পুতিবলৈ সক্ষম হৈছিল যদিও কেৱল জন্মভূমিৰ বাবে, অসমৰ বাবে, অসমতে থাকি অসমৰ হৈ কাম কৰাৰ বাবে গুছি আহিছিল। অসম আৰু অসমীয়াক নিভাঁজ অন্তৰেৰে ভাল পাইছিল। আটাইতকৈ ডাঙৰ কথা, জুবিন গাৰ্গ অসমৰ বাবে, অসমীয়া জাতিটোৰ বাবে এটা বিৰাট ডাঙৰ সাহস আছিল। যিকোনো কথাত, যিকোনো আপদ, বিপদত জুবিনে জাতিৰ হকে মাত মাতিবই। অসমৰ মানুহে জুবিনৰ কথা শুনিবই। যুৱপ্ৰজন্ম তেওঁৰ এটা মাতত দৌৰি দৌৰি ওলাই আহিছিল। নিশ্চিতভাৱে আজিৰ তাৰিখত অসমৰ জনসমাজত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পাছতে জুবিন গাৰ্গে স্থান কৰিব। জুবিনে দিন ৰাতি একাকাৰ কৰি কষ্ট কৰে অসমৰ বাবে, অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে। নতুন সৃষ্টিৰ তাড়নাত অহৰহ ব্যস্ত থাকে। অসমখনক তেওঁ বহু কিবা কিবি দিব বিছাৰে। স্পষ্টবাদী হোৱা বাবে কিবা কথাত জুবিন ক্ষুণ্ণ হ'লে তেওঁ মাত মাতিবই, কাকো ভয় নকৰে। যিটো ক'ব, খাৰাংখাচ্ কৈ দিব। যিবোৰ কথা আনে ক'ব নোৱাৰে, সেই বোৰ কথা কেৱল জুবিনেহে ক'ব পাৰে। বিতৰ্কইও জুবিনৰ পাছ নেৰিছিল। জুবিন বৰ আবেগিক, শিশুৰ দৰে খেয়ালি। সেয়ে হয়তো আৱেগক বাধা দিব নোৱাৰি সততে বিতৰ্কৰ মাজত সোমাই পৰিছিল। সেয়ে হ'লেও জুবিনৰ মানবদৰদী, সহজ-সৰল মনটোক সকলোৱে স্বীকাৰ কৰিবই লাগিব।

আনহাতে, জুবিনে অভিনয়ৰে ৰাইজৰ অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল। 'তুমি মোৰ মাথোঁ মোৰ', 'দীনবন্ধু', 'মন যায়'ৰ পৰা 'ৰ'দৰ চিঠি', 'গানে কি আনে', 'মিছন চাইনা', 'প্ৰিয়াৰ প্ৰিয়', 'ড° বেজবৰুৱা ২', ' চিকাৰ' লৈকে জুবিনৰ অভিনয় দক্ষতা অসমৰ ৰাইজে প্ৰত্যক্ষ কৰিছে। এগৰাকী সুদক্ষ অভিনেতা জুবিন। বিশেষকৈ 'দীনবন্ধু' আৰু 'মন যায়' এই দুখন ছবিত জুবিনে যি দুৰ্দান্ত অভিনয় কৰিছে, সেয়া অসমৰ দৰ্শকে কাহানিও পাহৰিব নোৱাৰে। আটাইতকৈ ডাঙৰ কথাটো হ'ল-অসমৰ চলচ্চিত্ৰ উদ্যোগৰ দুৰ্যোগৰ সময়ত অকলেই প্ৰায় তিনি কোটি টকা খৰচ কৰি 'মিছন চাইনা' নিৰ্মাণ কৰিবলৈ যি 'মৰসাহ ' কৰিলে, সেয়া কেৱল জুবিনেহে কৰিব পাৰে। যিটো সময়ত অসমৰ মানুহে অসমীয়া ছবি চাবলৈ নাহে বুলি অসমৰ বহু আগশাৰীৰ চিত্ৰ-নিৰ্মাতা, পৰিচালকে ছবি নিৰ্মাণ কৰিবলৈ পিছ হুহকিছে, তেনে সময়তে বলীউডৰ হিন্দী ছবিৰ সমানে ফেৰ মাৰিব পৰাকৈ শেহতীয়া সকলো উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি, শেহতীয়া অত্যাধুনিক কেমেৰাৰ ব্যৱহাৰৰে দৃশ্যগ্ৰহণ কৰি যুৱচামক সম্পূৰ্ণ এণ্টাৰটেইণ্ট কৰিব পৰাকৈ, আজিৰ তাৰিখত দৰ্শকে বিচৰাধৰণে অকলেই এখন ব্যয়বহুল, ভাল ছবি নিৰ্মাণ কৰিবলৈ আগবাঢ়ি অহাটোৱে নিশ্চিতভাৱে জুবিনৰ প্ৰতি প্ৰতিগৰাকী অসমীয়াৰ মৰম আৰু আকৰ্ষণ বহুগুণে বৃদ্ধি কৰিলে। 'মিছন চাইনা'ৰ অভূতপূৰ্ব সফলতাৰ পিছতে তেওঁ 'কাঞ্চনজংঘা', 'চিকাৰ' আৰু 'ৰৈ ৰৈ বিনালে' আদি ছবি নিৰ্মাণ কৰে যিটোৱে অসমৰ ছবিজগতলৈ পুনৰ আশাৰ বতৰা কঢ়িয়াই আনিছিল।

এজন কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ আৰু সংগীত পৰিচালক হিচাপে জুবিন গাৰ্গৰ সৃষ্টিশীলতাই অসমীয়া সংগীতৰ আধুনিক ধাৰাক নতুন ৰূপত গঢ় দিছিল। তেওঁৰ কণ্ঠৰ মায়াজালে অসমৰ ঘৰে ঘৰে স্থান পাইছিল, আৰু তেওঁৰ গীতৰ সুৰে অসমীয়া জাতিৰ হৃদয়ৰ গভীৰতাক স্পৰ্শ কৰিব পাৰিছিল। জুবিন গাৰ্গৰ সংগীতৰ পৰিধি কেৱল অসমতে সীমাবদ্ধ নহয়; তেওঁৰ কণ্ঠই ভাৰতৰ বিভিন্ন প্ৰান্ততো খলকনিৰ সৃষ্টি কৰিছিল। এক কথাত জুবিন গাৰ্গৰ আগমনৰ লগে লগে অসমীয়া সংগীতৰ পৰম্পৰাগত ধাৰাত এক নতুন মাত্ৰা যোগ হৈছিল। এই পৰিৱৰ্তনে অসমীয়া সংগীতক এক নতুন শ্ৰোতাৰ সন্মুখলৈ লৈ গৈছিল, নতুন প্ৰজন্মৰ মনৰ ভাৱ প্ৰকাশৰ এক মাধ্যমৰ সৃষ্টি হৈছিল। জুবিন গাৰ্গৰ সংগীতৰ সবাতোকৈ উল্লেখযোগ্য দিশটো আছিল তেওঁৰ কণ্ঠৰ বৈচিত্ৰ্য আৰু সুৰৰ সৌন্দৰ্য্য। তেওঁৰ কণ্ঠত এনে এক মায়া আছে, যি শ্ৰোতাৰ হৃদয়ত গভীৰভাৱে সোমাই পৰিছিল। তেওঁৰ গীতৰ সুৰবোৰত প্ৰাচ্য আৰু পাশ্চাত্য সংগীতৰ সংমিশ্ৰণ ঘটিছিল, যাৰ ফলত তেওঁৰ গীতবোৰে স্থানীয় সুৰৰ লগতে বিশ্বমানৰ সংগীতৰ সোৱাদ বহন কৰে। তেওঁৰ গীতৰ তাল আৰু লয়ৰ বিচিত্ৰতাও তেওঁৰ সৃষ্টিশীলতাৰ এক অনন্য নিদৰ্শন। তেওঁৰ গীতৰ তালবোৰত পৰম্পৰাগত অসমীয়া সংগীতৰ ছন্দৰ লগতে পশ্চিমীয়া সংগীতৰ তালৰ প্ৰভাৱ দেখা গৈছিল, যাৰ ফলত তেওঁৰ গীতবোৰে শ্ৰোতাৰ মনত এক সুকীয়া ছাপ পেলাইছিল। জুবিন গাৰ্গৰ গীতৰ কথাবোৰত প্ৰেম আৰু ৰোমাণ্টিকতাৰ প্ৰাধান্য থকাৰ লগতে সমাজৰ বিভিন্ন দিশৰ প্ৰতিফলনো ঘটিছিল। তেওঁৰ গীতত প্ৰেমৰ সৰলতা, বিষাদ, নিঃসংগতা আৰু জীৱনৰ দাৰ্শনিক চিন্তাৰ এক মিশ্ৰিত প্ৰকাশ দেখা গৈছিল। তেওঁৰ গীতৰ কথাবোৰত প্ৰকৃতিৰ সৌন্দৰ্য্য, গ্ৰাম্য জীৱনৰ সৰলতা আৰু আধুনিক জীৱনৰ জটিলতাৰ এক সুন্দৰ সমন্বয় ঘটে। তেওঁৰ গীতৰ শব্দচয়ন আৰু প্ৰকাশভংগীত এক প্ৰকাৰৰ নতুনত্ব পোৱা যায়, যি পূৰ্বৰ গীতিকাৰসকলৰ পৰা কিছু পৃথক আছিল। তেওঁৰ গীতৰ কথাবোৰত সাহিত্যিক গভীৰতাৰ পৰিৱৰ্তে সৰলতা আৰু জনমুখী ভাষাৰ প্ৰয়োগ বেছি। এই সৰলতাই তেওঁৰ গীতবোৰক তৰুণ প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় কৰি তুলিছে। তেওঁৰ গীতৰ কথাবোৰে শ্ৰোতাৰ মনৰ সৈতে সহজেই সংযোগ স্থাপন কৰে, যাৰ ফলত তেওঁৰ গীতবোৰ দৈনন্দিন জীৱনৰ এক অংশ হৈ পৰিছিল। জুবিন গাৰ্গ কেৱল গায়ক বা কণ্ঠশিল্পী হিচাপেই নহয়, গীতিকাৰ আৰু সুৰকাৰ হিচাপেও সমানে সফল। তেওঁৰ নিজৰ ৰচনা আৰু সুৰৰ গীতবোৰত তেওঁৰ ব্যক্তিগত চিন্তা আৰু অনুভৱৰ প্ৰকাশ ঘটে, যি শ্ৰোতাৰ মনত গভীৰভাৱে প্ৰভাৱ পেলায়। তদুপৰি, তেওঁ আনে ৰচা গীতবোৰতো নিজৰ কণ্ঠৰ মাধ্যমেৰে এক নতুন জীৱন দান কৰে। হীৰেন ভট্টাচাৰ্য, দিগন্ত ভাৰতী, হেমন্ত দত্ত, মানস ৰবিনৰ পৰা জয়ন্ত কীকতি, অজয় ফুকনলৈকে বহু গীতিকাৰৰ গীতবোৰত তেওঁৰ কণ্ঠই এক বিশেষ মাত্ৰা যোগ কৰে। তেওঁৰ সংগীত পৰিচালনাতো তেওঁৰ সৃষ্টিশীলতাৰ প্ৰকাশ ঘটে। অসমীয়া চলচ্চিত্ৰৰ সংগীতৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতুলনীয়। তেওঁৰ সংগীত পৰিচালনাই অসমীয়া চলচ্চিত্ৰক বাণিজ্যিকভাৱে সফল কৰাৰ লগতে শৈল্পিকভাৱেও সমৃদ্ধ কৰিছে। জুবিন গাৰ্গৰ গীতত প্ৰেম আৰু ৰোমাণ্টিকতাৰ প্ৰাধান্য থকাৰ লগতে সমাজৰ বিভিন্ন সমস্যাৰ প্ৰতিও তেওঁৰ সুৰৰ মাধ্যমেৰে প্ৰতিবাদৰ প্ৰকাশ ঘটিছিল। তেওঁৰ গীতত অসমৰ সামাজিক অৰাজকতা, সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ আৰু জাতীয় চেতনাৰ প্ৰকাশ ঘটিছিল। তেওঁৰ গীতৰ মাধ্যমেৰে অসমৰ সৌন্দৰ্য্য, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা প্ৰকাশ পাইছিল। তেওঁৰ গীতবোৰত অসমৰ প্ৰকৃতি, গ্ৰাম্য জীৱন আৰু সাধাৰণ মানুহৰ জীৱনৰ সৰলতাৰো এক সুন্দৰ চিত্ৰ ফুটি উঠিছিল। তেওঁৰ গীতৰ কথাবোৰত প্ৰকৃতিৰ উপমাৰ ব্যৱহাৰে গীতবোৰক এক শৈল্পিক মাত্ৰা প্ৰদান কৰিছিল। জুবিন গাৰ্গৰ সংগীতৰ পৰিধি কেৱল অসমীয়া সংগীততে সীমাবদ্ধ নাছিল। তেওঁ হিন্দী আৰু বাংলা সংগীতৰ জগততো এক নেতৃত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বাংলা চলচ্চিত্ৰৰ সংগীতত তেওঁৰ কণ্ঠৰ অৱদান অপৰিহাৰ্য হৈ পৰিছিল। তেওঁৰ কণ্ঠই বাংলা চলচ্চিত্ৰৰ গীতবোৰকো এক নতুন জীৱন দান কৰিছিল, যাৰ ফলত তেওঁ ভাৰতৰ অন্যান্য ভাষাৰ শ্ৰোতাৰ মাজতো জনপ্ৰিয় হৈ পৰিছে। তেওঁৰ এই সৰ্বজনীন গ্ৰহণযোগ্যতাই তেওঁক ভাৰতৰ ৰাষ্ট্ৰীয় পৰ্যায়ত এক বিশেষ স্থান দিছিল। আটাইতকৈ ডাঙৰ কথাটো হৈছে, কণ্ঠশিল্পী হিচাপে তেওঁৰ ভাষা আৰু শব্দৰ জ্ঞান আৰু উচ্চাৰণৰ বিশুদ্ধতা মন কৰিবলগীয়া আছিল। তেওঁৰ কণ্ঠৰ প্ৰতিটো গীততে এই দিশটো স্পষ্টভাৱে প্ৰতিফলিত হৈছিল।

অসমীয়া জাতিৰ জুবিন গাৰ্গ হিয়াৰ আমঠু, অতি মৰমৰ। 'জুবিন গাৰ্গ কি আছিল' বুলিলে এটাই উত্তৰ - সংগীতজ্ঞ, কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, অভিনেতা, পৰিচালক, মানৱদৰদী, প্ৰকৃতিপ্ৰেমী, নিজৰ অসমখনক মনে প্ৰাণে ভালপোৱা- এই সকলোৰে উৰ্ধত অসমৰ প্ৰতিখন ঘৰৰ বাবে জুবিন একেবাৰে ঘৰৰ ল'ৰা এটাৰ নিচিনা আছিল। তেওঁ যিমানেই যি নকৰক, কোনেও কেতিয়াও তেওঁক বেয়া পাব পৰা নাছিল। অভিমানহে কৰিছিল। কিবা বিতৰ্কিত কাম কৰিলেও পাছ মুহূৰ্ততে নিজৰ ঘৰৰ ল'ৰাটোৰ নিচিনাকৈ সকলোৱে তেওঁক মৰমৰে আঁকোৱালি লৈছিল। ঘৰৰ ল'ৰাটোৱে ভুল কৰিলে যিদৰে মৰমৰ দাবী ধমকিৰে শুধৰোৱাৰ চেষ্টা কৰে, দুদিনমানলৈ অভিমান কৰে, থিক তেনেদৰেই জুবিনকো সকলোৱে অভিমানেৰে ধমকি দিছিল, গালি পাৰিছিল। কিন্তু কাহানিও বেয়া পোৱা নাছিল। নিজৰ ঘৰৰ ল'ৰাটোক কোনোবাই বেয়া পাব পাৰে জানো? বেয়া পাব নোৱাৰে কোনেও জুবিন গাৰ্গক। ভালপোৱা জনক হে গালি পাৰে, অভিমান কৰে তেওঁ কিবা ভুল কৰিলে। জীৱিত কালত সদায় সকলোৱে কামনা কৰিছিল জুবিন সদায় ভালে থাকক। তেওঁ যেতিয়া কেবাবাৰো হস্পিতালৰ বিছনাত পৰি আছিল, তেতিয়া সকলো অসমবাসী চিন্তাত কৰ নোৱাৰা হৈ আছিল। অত্যধিক মানসিক চাপ, টোপনি খতি আৰু কামৰ বোজাৰ বাবে অসুস্থ হৈ পৰা জুবিন গাৰ্গক সকলোৱে কয় অলপ জিৰাই লওকচোন। কামবোৰ পাছতো কৰিব পাৰিব। কিন্তু এতিয়া সেই বিতৰ্ক কৰিবলৈ, অভিমান কৰিবলৈ, গালি পাৰিবলৈ, আকৌ মৰমৰে বুকুৰ মাজলৈ আকোঁৱালি ল'বলৈ জুবিন গাৰ্গ নাই/ মঞ্চত কৰা সেই ধেমেলীয়া কথা বতৰা, কৰ্ম কাণ্ডবোৰ, হেজাৰজনক কৰা অকৃত্ৰিম সহায়বোৰ, স্পষ্টকৈ নিৰ্ভিকভাৱে 'কাকো খাটিৰ নকৰাকৈ' কোৱা কথাবোৰ এনেকৈ হঠাতে অতীত হৈ পৰিল। তেওঁ অসমৰ মান, স্বাভিমান, অভিমান সকলো আছিল।

জুবিনৰ প্ৰকৃতিৰ লগত সম্পৰ্ক অতুলনীয় আৰু অতি ঘণিষ্ঠ আছিল। গছ-গছনি, চৰাই, জীৱ-জন্তু এইবোৰ খুব বেছি ভাল পাইছিল। প্ৰকৃতিৰ কোলাত তেওঁ নিবিড় শান্তি লাভ কৰিছিল। প্ৰকৃতিখনক অকৃত্ৰিম ভাৱে ভালপোৱা জুবিন গাৰ্গ অৱশেষত প্ৰকৃতিৰ মাজতে হেৰাই গ'ল। বিদেশৰ সাগৰৰ বুকুত কাকো একো নজনোৱাকৈয়ে চিৰনিদ্ৰাত শুই পৰিল জুবিন গাৰ্গ। এই মুহূৰ্তত সকলো ভীষন আৱেগিক হৈ আছে। কিন্তু যিমান আৱেগিক হলেও, যিমান কান্দিলেও জুবিন গাৰ্গ আৰু কায়িকভাৱে আমাৰ মাজলৈ কেতিয়াও নাহে। নিয়তিৰ এই নিষ্ঠুৰ পৰিহাসক আমি স্বীকাৰ কৰিবই লাগিব।

সম্প্ৰতি, তেওঁৰ অনুপস্থিতিত আমাৰ এটাই মুল দায়বদ্ধতা - জুবিন গাৰ্গক আমি জীয়াই ৰাখিব লাগিব। জুবিন গাৰ্গে অসমক লৈ দেখা সপোনবোৰ, অসমীয়া সংস্কৃতি, চলচ্চিত্ৰ তথা সংগীতৰ ক্ষেত্ৰখনত তেওঁৰ আধৰুৱা কামবোৰ আমি সকলোৱে দায়বদ্ধতাৰে আৱগবৰ্জিত হৈ আগুৱাই নিব লাগিব। বহুক্ষেত্ৰত এতিয়াও জুবিনৰ কৰুণ মৃত্যু এক অবুজ সাথৰ হৈয়ে আছে। সময় যোৱাৰ লগে লগে ৰহস্যৰ মাজলৈ গৈ আছে জুবিন গাৰ্গৰ অকাল, আকস্মিক মৃত্যু। ইতিমধ্যে এয়াযে স্বাভাৱিক মৃত্যু নহয়, তাৰ বহু প্ৰমাণ ওলাই পৰিছে। এতিয়া সকলোৱে বিচাৰিছে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ এই কৰুণ মৃত্যুৰ এক আৱগবৰ্জিত, নিৰপেক্ষ আৰু পানী নসৰকা তদন্ত হওক। জুবিনৰ শেষকৃত্যৰ পাছত এতিয়া চৰকাৰৰ মুল দায়িত্ব জুবিনৰ এই ৰহস্যময় মৃত্যুৰ ৰহস্য যিকোনো উপায়েৰে ভেদ কৰা। দোষীক কৰায়ত্ব কৰিবই লাগিব, উপযুক্ত কঠোৰৰ পৰা কঠোৰ শাস্তি দিবই লাগিব। এয়াই প্ৰত্যেকগৰাকী অসমীয়াৰ দাবী।

শেষত এটাই কওঁ, আমাৰ বুকুৰ আপোন জুবিন গাৰ্গৰ মৃত্যু হ'ব নোৱাৰে। আমি আমাৰ হৃদস্পন্দন প্ৰাণৰ জুবিনক নোহোৱা হ' বলৈ দিব নোৱাৰো। সদায় ৰাখিম আমাৰ বুকুৰ মাজত, আমাৰ নিচেই কাষত। আমাৰ লগত.....।

গীতিকাৰ আৰু কবি হিচাপে জুবিন গাৰ্গ এক মূল্যায়ন

নিবেদিতা হাজৰিকা

কলা-সংস্কৃতি আৰু সাহিত্যৰ সাধক তথা কৰ্মীসকলে তেওঁলোকৰ কৰ্মৰ জৰিয়তে দেশ আৰু সমাজৰ পৰিৱৰ্তনত পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। কবিতা তথা গীতৰ মাধ্যমত এই সকল সচেতন শিল্পীয়ে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰ খনত নতুন ধাৰা বা পৰিৱৰ্তন আনিবলৈ প্ৰয়াস কৰে। বিশ্বশান্তি আৰু সামাজিক দায়বদ্ধতাৰে এই সকল স্বনামধন্য শিল্পীয়ে সামাজিক দায়বদ্ধতাৰ পৰিচয় দিয়ে। আমাৰ অসমৰ বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা দেৱ তথা জুবিন গাৰ্গ আদিৰ দৰে শিল্পী সকলে সংগীত তথা সাহিত্যৰ ক্ষেত্ৰ খনত প্ৰগতিশীল ধাৰাৰ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছিল। নিপীড়িত আৰু শোষিত জনতাৰ গান, সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাৰ্তা লৈ এই সকল শিল্পীয়ে সমাজত বিভিন্ন দিশ সামৰি জনতাক সজাগ-সচেতন হ'বলৈ গীত তথা কবিতাৰ জৰিয়তে আহ্বান জনাইছিল। শিল্পী সকলৰ এই গুণ সমূহ হয়তো স্বতঃস্ফূৰ্তভাৱে বিভিন্ন দিশত(গীত, সাহিত্য) আদি যিয়েই নহওক।

এই প্ৰবন্ধটিত এনে এগৰাকী জনপ্ৰিয়তাৰ শীৰ্ষত অৱতৰণ কৰা শিল্পী (প্ৰয়াত জুবিন গাৰ্গ) দেৱৰ শিল্পী গীত আৰু কবিতাৰ মূল্যায়ণ কৰিবলৈ যত্ন কৰা হৈছে। জুবিন গাৰ্গ- অসমৰ সংগীত তথা সাংস্কৃতিক জগতৰ এক চিনাকি নাম। অসামান্য প্ৰতিভাৰে উজ্জ্বলি উঠা হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গ প্ৰতিজন অসমীয়াৰ হিয়াৰ আপোন আৰু গৌৰৱৰ প্ৰতীক। সংগীতৰ যাদুকৰ (Music magician), 'অসমৰ আত্মাৰ কণ্ঠ' পৰিচিত এই গৰাকী মহান শিল্পীৰ হাতত প্ৰতিটো গীতেই মূৰ্ত হৈ উঠিছিল, হৈ পৰিছিল অনন্য। তেখেত আছিল সৃষ্টিৰ প্ৰতীক। বহুমুখী সৃষ্টিৰ অধিকাৰী এইজন শিল্পীৰ প্ৰতিভা বিস্ময়কৰ। কালজয়ী সুৰৰ জালেৰে সকলোকে মোহিত কৰা শিল্পী গৰাকীৰ সংগীতৰ পথাৰখনত যি দখল আছিল, যি প্ৰভাৱ বিস্তাৰ কৰিছিল সি আছিল বিস্ময়কৰ। জনপ্ৰিয়তাৰ তুংগত আৰোহণ কৰা শিল্পী গৰাকী যে কেৱল এজন বিখ্যাত গায়কেই আছিল তেনে নহয়, তেখেত আছিল একাধাৰে এজন সফল সংগীত পৰিচালক, গীতিকাৰ, সুৰকাৰ, চলচ্চিত্ৰ নিৰ্মাতা, চলচ্চিত্ৰ অভিনেতা, চিত্ৰনাট্যকাৰ। সংগীতৰ ক্ষেত্ৰখনত তেখেতৰ দখল আছিল বিস্তৃত। কণ্ঠৰ যাদুৰে সকলোকে মোহাচ্ছন্ন কৰি ৰখা এইগৰাকী কিংবদন্তী শিল্পীয়ে অসমীয়া সংগীত জগতত এক নতুন ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ গীতৰ গুণমুগ্ধ অসংখ্য। সৃষ্টিৰ মাজেৰে লক্ষ-লক্ষ লোকৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল প্ৰাণৰ শিল্পী জুবিন গাৰ্গ।

'সাংস্কৃতিক আইকণ' এই বিভূষণেৰে বিভূষিত শিল্পী গৰাকী আছিল এক ঈশ্বৰ প্ৰদত্ত সুমধুৰ গীতৰ অধিকাৰী। অতি কম সময়ৰ ভিতৰতে এই মহান শিল্পী গৰাকী অসমৰ প্ৰতিখন ঘৰৰে এক চিনাকি নাম হৈ পৰিছিল আৰু লাহে-লাহে সেই নাম দশোদিশ বিয়পি পৰিছিল। তেখেতৰ কণ্ঠৰ এক অনন্য সুৰ আৰু শক্তি আছিল, যাৰ বাবে তেখেতে লক্ষধিক জনতাৰ হৃদয়ত স্থান লভিবলৈ সক্ষম হৈছিল। এজন শিল্পীৰ বাবে ইয়াতকৈ ডাঙৰ হয়তো এক হ'ব নোৱাৰে। সকলো সময়তে নতুন সৃষ্টিৰ মাজত মগ্ন হৈ থাকি ভাল পোৱা জুবিন গাৰ্গৰ সৃষ্টিশীলতাৰ আঁৰত আছিল তেখেতৰ অদম্য ইচ্ছা, নতুন সৃষ্টিৰ হেঁপাহ, নিজস্ব প্ৰতিভা তথা সংস্কৃতিৰ প্ৰতি থকা গভীৰ মৰম তথা প্ৰীতি, যিয়ে তেখেতক এজন বহু প্ৰতিভাবান শিল্পী হিচাপে জনতাৰ আগত পৰিচয় কৰাইছিল, গঢ়ি তুলিছিল এজন প্ৰতিভাধৰ হিচাপে। তেখেতৰ সৃষ্টিৰ মূল চালিকা শক্তি আছিল তেখেতৰ নিজৰ অন্তৰৰ প্ৰেৰণা তথা নিজ জাতি -মাটিৰ প্ৰতি থকা প্ৰেম। এই সমূহৰ উপৰিও তেখেতৰ সৃষ্টিৰ আঁৰত আছিল তেখেতৰ ব্যক্তিগত অভিজ্ঞতা, ভাৱানুভূতি, দুখ-কষ্ট, আনন্দ। এই সকলোবোৰ তেখেতে গীতৰ মাধ্যমত প্ৰকাশ কৰিছিল। এই সমূহৰ উপৰিও তেখেতৰ সৃষ্টিত অসমৰ জাতীয় আবেগৰ এক গভীৰ প্ৰভাৱ পৰিছিল। শিল্পী গৰাকীৰ অসমীয়া সংস্কৃতিৰ প্ৰতি থকা গভীৰ প্ৰেম আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ এক অনন্য সংমিশ্ৰণ আছিল তেখেতৰ অপূৰ্ব আৰু অনন্য সৃষ্টিৰাজি। তেখেতৰ গীত সমূহে দৰ্শন, আবেগ আৰু প্ৰতিবাদী মনোভাৱৰ এক বিৰল সংমিশ্ৰণ ঘটাইছিল। উল্লেখ্য যে শিল্পী গৰাকীৰ অনবদ্য সৃষ্টিশীলতাই বিভিন্ন প্ৰজন্মক, ভিন্ন স্তৰৰ লোকক সংগীতৰ মোহেৰে বান্ধি ৰাখিছিল। তেখেতৰ অনন্য প্ৰতিভাধৰ গায়কী বা গায়নশৈলী তথা সুৰৰ প্ৰতি থকা গভীৰ জ্ঞানে সাধাৰণ যেন লগা গীতটোও অপূৰ্ব, সমাদৃত কৰি তুলিছিল। সকলোৰে হৃদয় জিনিবলৈ সক্ষম হোৱা এই বিশেষ প্ৰতিভাধৰ শিল্পী গৰাকীয়ে তেখেতৰ গীত বা সৃষ্টিৰাজিৰ জৰিয়তে ভাৰতীয় সংস্কৃতিৰ বিভিন্ন দিশক স্পৰ্শ কৰি গৈছিল। দুটা দশকৰো অধিক কাল অসমীয়া সংগীত জগতৰ ভঁৰাল চহকী কৰা শিল্পী গৰাকী আছিল মাটিৰ মানুহ। এক যাদুকৰী কণ্ঠৰ অধিকাৰী শিল্পী গৰাকীয়ে নিজ সৃষ্টিশীলতা বা নিজ কৰ্মদক্ষতাৰে বহু কেইটা দশক জুৰি কেৱল অসমৰ ৰাইজকে নহয়, সমগ্ৰ বিশ্বতে খলকনি, আলোড়ন আৰু জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ বহু ভাষিক গীত, অসমীয়া ছবিৰ সংগীত, লোকগীত, পপ, ৰক আৰু অন্যান্য সংগীতৰ সংমিশ্ৰণে সংগীত জগতক সমৃদ্ধ কৰিছিল। নিজস্ব সৃষ্টিৰাজিৰে তথা স্বকীয় প্ৰকাশ ভংগীৰে জীৱন্ত কিংবদন্তীলৈ পৰিণত হৈছিল শিল্পী গৰাকী। ৪০ ৰো অধিক ভাষা-উপভাষাত কণ্ঠ নিগৰোৱা, প্ৰায় ৩৪,০০০ গীতত কণ্ঠ নিগৰোৱা এই গৰাকী মহান শিল্পী সঁচা অৰ্থত এজন সৃষ্টিৰ খনিকৰ। তুলনাবিহীন সেই সৃষ্টি। বিভিন্ন সংগীতৰ চানেকি, চলচ্চিত্ৰ আৰু সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে অসমীয়া লোকক সংস্কৃতিৰ সৈতে একাত্ম কৰিবলৈ সক্ষম হোৱা শিল্পী জনেই হৈছে সৃষ্টিৰ খনিকৰ জুবিন গাৰ্গ। সীমাৰ পৰিধি অতিক্ৰমী অতুলনীয় সৃষ্টিশীল দক্ষতা তথা প্ৰতিভাৰে অসমীয়া তথা ভাৰতীয় সংগীত জগতৰ এক ভোটা তৰা তথা জনপ্ৰিয় শিল্পী হিচাপে তেখেতে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। ঈশ্বৰ প্ৰদত্ত অমৃত কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গৰ কণ্ঠত যেন সঁচাই যাদু আছিল। সুমধুৰ, সুললিত সুৰে প্ৰতিটো গীতত অমৃত বৰষিছিল। খুব কম সময়ৰ বাবে পৃথিৱীলৈ অহা প্ৰাণৰ শিল্পী গৰাকীয়েও জানিছিল, তেওঁৰ কৰিব লগা কাম বহুত আছে। সেয়ে হয়তো বিশ্ৰামহীন ভাৱে কেৱল নিয়োজিত হৈ আছিল সৃষ্টিৰ সাধনাত।

নিজস্ব দক্ষতাৰে সংগীতৰ জগত খনত নিজৰ স্থান আৰু পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হোৱা বহু প্ৰতিভাৰ আকৰ স্বৰূপ শিল্পী জুবিন গাৰ্গ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ এক শক্তিশালী সাংস্কৃতিক প্ৰতীক, যিয়ে সৃষ্টিৰ মাধ্যমেৰে স্থানীয় তথা জাতীয় পৰ্যায়তো জগত জিনি এক নতুন পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে, বিংশ শতিকাৰ শেষৰ ফালে দেখা দিয়া ৰাজনৈতিক অস্থিৰতা আৰু ইয়াৰ ফলত পৰৱৰ্তীকালীন সময়ছোৱাত সৃষ্টি হোৱা সংগীত জগতৰ নতুনত্বৰ অপূৰ্ণতাক দূৰ কৰিব পৰাকৈ জুবিন গাৰ্গৰ সংগীতে এটা নতুন মাত্ৰা দিছিল। সংগীতৰ নতুন শৈলীৰ লগত অসমীয়া শ্ৰোতাৰ পৰিচয় ঘটিছিল আৰু নতুন ধাৰাটোক আঁকোৱালি লৈছিল। ৰোমাণ্টিক গীত সমূহৰ জৰিয়তে জুবিন গাৰ্গে জনপ্ৰিয়তা অৰ্জন কৰিছে যদিও তেওঁ দেশ, জাতি আৰু সমাজক লৈ লিখা গীতসমূহো সমানেই প্ৰভাৱশালী বুলি ক'ব পাৰি। বুৰঞ্জীৰ পাতত আমি দেখা পাই আহিছো যে গায়ক, লেখক আৰু কবি সকলে সামাজিক আৰু ৰাজনৈতিক পট পৰিৱৰ্তনত প্ৰত্যক্ষভাৱে অংশ নল'লেও তেওঁলোকে মানুহৰ মন, অন্তৰ আৰু সংস্কৃতিত প্ৰভাৱ পেলাই ৰাজনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ চালিকা শক্তি হৈ পৰে। কেতিয়াবা জনতাক জাগ্ৰত কৰিবলৈ গোৱা গান এটা আন্দোলনৰ একোটা শ্ল'গান হৈ পৰে। এজন দায়বদ্ধ আৰু প্ৰকৃত শিল্পীয়ে শ্ৰোতা বা দৰ্শকক কেৱল মনোৰঞ্জন দিয়াতে সীমাবদ্ধ নাথাকে। সমসাময়িক সমাজ আৰু ৰাজনৈতিক সমস্যাৰ ওপৰতো আলোকপাত কৰি সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰে। ইয়াৰ জ্বলন্ত উদাহৰণ হিচাপে শিল্পী জুবিন গাৰ্গৰ কথাই উল্লেখ কৰিব পাৰি।

জুবিন গাৰ্গৰ বহু কেইটা গীতত সমাজ আৰু ৰাজনৈতিক অস্থিৰতাৰ ছবি ফুটি উঠিছে, আহ্লাদিত হৈছে শান্তি আৰু নিকা সমাজ গঢ়াৰ আহ্বান। একতাৰ ডোলেৰে বন্ধা এখন সমাজৰ কল্পনা তেখেতৰ বহু কেইটা গীতত প্ৰকট হৈছে। এনেকুৱা কেইবাটাও গানৰ ভিতৰত এটা উল্লেখযোগ্য গান হ'ল 'মুক্তি' এলবামৰ 'সোণেৰে সজোৱা পঁজা' গীতটি। নব্বৈৰ দশকত চলি থকা সশস্ত্ৰ সংগ্ৰামে অসমত সেই সময়ত চূড়ান্ত অস্থিৰতাৰ সৃষ্টি কৰিছিল। ভীতি আৰু সন্ত্ৰাসত জৰ্জড়িত অসমীয়াৰ জনজীৱনৰ ছবি এই গীতটোত সুন্দৰভাৱে ফুটি উঠিছে। সেইদৰে জুবিন গাৰ্গৰ আন এটা গান (গীত) হ'ল 'শব্দ' এলবামৰ 'জগত পোহৰ কৰি আহিব প্লাৱন'/আঁতৰাব অমানিশা বধিব ৰাৱণ'। সমাজৰ কপটতা আৰু ভণ্ডামি আঁতৰাই এখন নতুন সমাজ গঢ়াৰ আহ্বান এই গীতটোত প্ৰকাশ পাইছে। উল্লেখ্য যে জুবিন গাৰ্গৰ এনে বহু কেইটা গীত আছে য'ত সমাজ আৰু মানৱতাৰ নিৰ্মল সুৰ প্ৰৱাহিত হৈ আছে যিয়ে মানুহক সদায় সত্য আৰু শুদ্ধৰ কথা সোঁৱৰাই থাকিব।

গীতিকাৰ হিচাপে জুবিন গাৰ্গ আছিল অনন্য। শিল্পী গৰাকীৰ বিভিন্ন কবিতাটো সমাজ আৰু মানৱতাৰ কথা পৰিস্ফূৰ্ত হৈ উঠিছে। শব্দ আৰু ভাষাৰ বলিষ্ঠ প্ৰয়াস তেখেতৰ গীতসমূহত বিশেষভাৱে ফুটি উঠিছে। শিল্পী গৰাকীৰ যাদুকৰী গায়নশৈলীৰ লগতে গীতৰ বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ সুবিন্যস্ত কথা ভাগত অপূৰ্ব সুৰ সংযোগ কৰিব পৰা এক অনন্য ক্ষমতা আছে। তেখেতৰ গীতসমূহ লক্ষ্য কৰিলে দেখিম যে কেতিয়াবা যদি প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত প্ৰেমৰ সন্ধান বিচাৰি 'কঁকাল খামুচীয়া, গাল গুলপীয়া'ৰ দৰে গান লিখিছে, কেতিয়াবা আকৌ 'সোণৰ অসম গঢ়া'ৰ আহ্বান গীতৰ মাজেৰে প্ৰকাশ কৰিছে। উল্লেখ্য যে গীতিকাৰ জনৰ গীত সমূহত ৰোমাণ্টিক কল্পনাৰ প্ৰভাৱ বেছি পৰিলক্ষিত হ'লেও শিল্পী গৰাকীয়ে কিন্তু অতি দক্ষতাৰে তথা সচেতন ভাৱে প্ৰয়োগ কৰা শব্দ আৰু সুৰৰ মায়াজালে এক বিশেষ সৌন্দৰ্য দান কৰিছে, যাৰ বাবেই যুৱ প্ৰজন্মই প্ৰেম -বিচ্ছেদ, নিৰাশা, আদিৰ দৰে আবেগ -অনুভূতিবোৰ তেওঁৰ গীতৰ মাজত বিচাৰি পায়।

তেখেতৰ গীত সমূহ কেৱল মনোৰঞ্জনৰ বাবেই নাছিল, ইয়াৰ জৰিয়তে তেখেতে শান্তি, একতা, মানৱতা আৰু প্ৰকৃতিৰ সপক্ষে গীতৰ মাধ্যমেৰে বাৰ্তা প্ৰেৰণৰ প্ৰয়াস কৰিছিল। জুবিন গাৰ্গৰ গীত সমূহ পৰ্যবেক্ষণ কৰিলে দেখা যায় যে তেখেতৰ গীতত নিভাজ অসমীয়া শব্দৰ প্ৰয়োগ, দাৰ্শনিক চিন্তা তথা প্ৰেম-বিৰহৰ সুন্দৰ প্ৰকাশ বিদ্যমান। গভীৰ জীৱনবোধ আৰু দাৰ্শনিক চিন্তাৰে তেখেতৰ গীত আৰু কবিতা সমূহ সমৃদ্ধ, য'ত জীৱনৰ অৰ্থ, সপোন আৰু বাস্তৱৰ এক সুন্দৰ দাৰ্শনিক দৃষ্টিভংগী পৰিস্ফূৰ্ত হৈ উঠিছে।

গীত আৰু কবিতাৰ মাধ্যমেৰে জুবিন গাৰ্গে প্ৰধানকৈ মানৱীয়তা, প্ৰেম, সমাজ সংস্কাৰ তথা সৰ্বভাৰতীয় পৰিচয়ৰ মাজত নিজৰ শিপা অৰ্থাৎ অসমীয়া সংস্কৃতি জীয়াই ৰখাৰ বাৰ্তা প্ৰদান কৰিছিল। বিভিন্ন গীত তথা কবিতাৰ মাজেৰে তেখেতে সমাজৰ ভণ্ডামি, অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিছিল, এই সমূহৰ প্ৰতিবাদ কৰিছিল। সামাজিক সংস্কাৰ আৰু সজাগতাৰ বাৰ্তা প্ৰতিফলিত হোৱা গীত তথা কবিতা সমূহেই তেখেতৰ সামাজিক চেতনাৰ ভাৱ প্ৰকাশ কৰিছিল। সমাজ আৰু জীৱনমুখী বাৰ্তা প্ৰদানৰ বাবে গীত আৰু কবিতাক মাধ্যম হিচাপে ব্যৱহাৰ কৰা এই গৰাকী দূৰদৰ্শী স্বনামধন্য শিল্পীয়ে মানৱীয় গুণ তথা প্ৰকৃতিৰ প্ৰতি সহৃদয়তাৰ ভাৱ প্ৰকাশ কৰিছিল। জীৱন, প্ৰেম -বিৰহ, তথা বিপ্লৱৰ এক সুকীয়া সুবাস প্ৰৱাহিত হৈ থকা তেখেতৰ গীত তথা কবিতা সমূহত মানৱতা, প্ৰেম, প্ৰকৃতি সংৰক্ষণ, সামাজিক সমতাৰ লগতে অসমীয়া জাতিৰ স্বাভিমানৰ ভাৱ আদিও উন্মোচিত হৈছিল। সমাজ পৰিৱৰ্তনৰ এক শক্তিশালী সজাগতা তেখেতে সকলোৰে মাজত জাগ্ৰত কৰিবলৈ প্ৰয়াস কৰিছিল।

শিল্পী গৰাকীৰ গীত তথা কবিতাত নিভাজ অসমীয়া শব্দৰ প্ৰয়োগ, দাৰ্শনিক চিন্তা আৰু প্ৰেম -বিৰহৰ মূৰ্ত আৰু সুন্দৰ প্ৰকাশ ঘটা দেখা যায়। তেখেতৰ গীত বা কবিতাত ব্যৱহাৰ হোৱা শব্দ সমূহ বৰ সৰল, কিন্তু ব্যঞ্জনধৰ্মী। শিল্পীগৰাকীৰ সুৰীয়া কণ্ঠশৈলী আৰু শব্দৰ ব্যৱহাৰে ভাষা আৰু সাহিত্যক এক নতুন মাত্ৰা দিছিল। গভীৰ জীৱনবোধ আৰু দাৰ্শনিক চিন্তাৰে সমৃদ্ধ তেখেতৰ গীত সমূহত জীৱনৰ অৰ্থ, সপোন আৰু বাস্তৱৰ এক সুন্দৰ দাৰ্শনিক দৃষ্টিভংগী পৰিস্ফূৰ্ত। কিছুমান গীতত ভৱিষ্যতৰ আশা-আকাংক্ষা, উচ্চাকাংক্ষী মনৰো প্ৰকাশ ঘটিছে। তেখেতৰ গীত আৰু কবিতাই সদায়ে সমাজ সলনি কৰাৰ বাবে 'নিৰ্বাকৰ কণ্ঠস্বৰ' হিচাপে মাত মাতি আহিছিল। পৰম্পৰাগত লোকগীত, বিহুগীত, বৰগীত সমূহক আধুনিক সুৰ আৰু বাদ্যযন্ত্ৰৰ সংমিশ্ৰণেৰে নতুন প্ৰজন্মৰ মাজলৈ লৈ যাবলৈ সক্ষম হৈছিল। প্ৰথিতযশা শিল্পী গৰাকীৰ গীত আৰু কবিতাৰ মূল্যায়ণে এই কথা প্ৰমাণ কৰিলে যে, শিল্পী গৰাকীয়ে নিজে কেনেকৈ পুৰণি ঐতিহ্যক জীয়াই ৰাখি সংগীতক এক বিশ্বমুখী ৰূপ দিবলৈ সক্ষম হ'ল। জুবিন গাৰ্গদেৱৰ গীত আৰু কবিতাৰ মূল্যায়ণে তেখেতৰ শিল্পকলাৰ লগতে অসমীয়া ভাষা-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ এক সাগৰ সম বিশাল আৰু বিস্তাৰিত দলিল প্ৰদান কৰে।

বহু দশক ধৰি সহস্ৰাধিক গীতত কণ্ঠদান কৰাৰ লগতে অলেখ কালজয়ী গীত ৰচনা কৰা শিল্পী জুবিন গাৰ্গৰ জনপ্ৰিয়তাৰ সমান্তৰাল ভাৱে তেখেতৰ গীতৰ কথা তথা শব্দ সম্ভাৰে অসমীয়া সংগীত জগতক এক নতুন মাত্ৰা প্ৰদান কৰিছে। অসমীয়া সংগীত জগত জুবিন গাৰ্গে এক নতুন যুগৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। নিজস্ব সৃষ্টিশীলতা তথা স্বকীয় প্ৰতিভাৰে উজ্জ্বলি উঠা এই গৰাকী মহান শিল্পী যেন প্ৰতিভাৰ আকৰ আছিল। যাৰ সৃষ্টি সমূহ কেৱল গীত বা সংগীত হৈ নাথাকি, ই হৈ পৰে জীৱনৰ সংগ্ৰাম আৰু দৰ্শনৰ এক সজীৱ প্ৰতিফলন। শিল্পী গৰাকীৰ গীত আৰু কবিতাৰ ওপৰত আলোকপাত কৰিবলৈ যাওঁতে তেখেতৰ জীৱন দৰ্শন সম্পৰ্কে সম্যক ভাৱে হ'লেও আলোকপাত নকৰিলে আলোচনাটো অসম্পূৰ্ণ হৈ ৰ'ব। তেখেতৰ জীৱন দৰ্শন অধ্যয়ন কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে তেখেতৰ জীৱন দৰ্শন কোনো মহান চিন্তাবিদৰ সূত্ৰৰ দৰে গভীৰ আৰু জটিল নাছিল। তেখেতৰ দৰ্শন আছিল তেনেই সৰল অথচ বিশাল। মানৱতাই আছিল তেওঁৰ ধৰ্ম আৰু 'পৰোপকাৰ' আছিল, যিটো তেওঁৰ ব্যক্তিত্বৰ পৰিচায়ক আছিল, যিটো তেওঁৰ কবিতা- গীত আদিত স্বতঃস্ফূৰ্ত ভাৱে প্ৰকাশ পাইছিল। মানৱতাবাদ, প্ৰকৃতি প্ৰেম আৰু নিজৰ শিপাৰ প্ৰতি গভীৰ দায়বদ্ধতাৰ ভাৱ, সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সমন্বয়, ভাষাৰ মৰ্যাদা ৰক্ষা আৰু প্ৰতিবাদৰ সপক্ষে তেখেতৰ যি কণ্ঠ, সেই প্ৰতিবাদী স্বৰ গীত আৰু কবিতাৰ মাজতো একেদৰেই প্ৰকাশ পাইছিল। সংগীত জগতৰ আইকণ হিচাপে পৰিচয় আৰু স্বীকৃতি লাভ কৰা এই মহান শিল্পী জনৰ সংগীত-কবিতা আদি অধ্যয়ন বা বিশ্লেষণ কৰাৰ দৰে শিল্পী গৰাকীৰ জীৱন দৰ্শন অধ্যয়ন কৰাটোও বৰ্তমান সময়ত অত্যন্ত প্ৰয়োজনীয় বুলি ক'ব পাৰি। কিয়নো, ই কেৱল সংগীত বা কলাৰ মাজতে সীমাৱদ্ধ নহৈ মানৱতাবাদ, সমাজ পৰিৱৰ্তন আৰু নিজৰ শিপাৰ প্ৰতি গভীৰ প্ৰেমৰ শিক্ষা প্ৰদান কৰে। উল্লেখ্য যে, শিল্পী গৰাকীৰ আদৰ্শই সমাজত ইতিবাচক পৰিৱৰ্তন সাধন কৰিব পাৰে। অসমীয়াৰ হিয়াৰ আমঠু শিল্পী গৰাকীৰ কৰ্মৰ মূল্যায়ণে আমাক শিকাই থৈ গ'ল, কেনেকৈ এজন শিল্পীয়ে দুই দশক জুৰি নিজৰ সৃষ্টিৰে (৪০,০০০) হাজাৰতকৈ অধিক গীতত কণ্ঠদান কৰি কোটি-কোটি জনতাক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰে। আধুনিক অসমীয়া সমাজৰ, সংস্কৃতি আৰু সংগীত জগতৰ এই গৰাকী অন্যতম প্ৰভাৱশালী গণশিল্পীৰ সৰল জীৱনশৈলী আৰু মানৱতাবাদী সত্তাই তেখেতক জনতাৰ শিল্পী হিচাপে গঢ়ি তুলিছিল। তেখেত যেন অসমীয়া সমাজ জীৱনৰ এক চলন্ত প্ৰতিষ্ঠান। এই গৰাকী মহান শিল্পীৰ সৃষ্টি আৰু আদৰ্শই আধুনিক অসমীয়া সমাজখনক বহু দশক ধৰি প্ৰভাৱিত কৰি আহিছে। শিল্পী গৰাকীৰ সৃষ্টিয়ে সদায়ে অসমৰ আবেগ আৰু স্বাভিমানক প্ৰতিনিধিত্ব কৰি আহিছে।

লেখিকাৰ ঠিকনা ঃ লখিমপুৰ

জুবিন গাৰ্গৰ মৃত্যুৰ এটা বছৰ, আৰু অনুৰাগী হিচাপে অনুভৱ

ব্ৰজেন দাস

অকপটে স্বীকাৰ কৰোঁ জুবিনৰ অনুৰাগী সিদিনাখনলৈকে হয়তো মই নাছিলোঁ। অৱশ্যে জুবিনৰ গানৰ প্ৰেমত মই নপৰা নহয়। ১৯৯৬ চনত মই উৰিষ্যাৰ ভুৱনেশ্চৰলৈ এবছৰীয়া শিক্ষকতাৰ ডেপুটেচনত যাওঁতে মোৰ ফিলিপচৰ টেপ ৰেকৰ্ডাৰটোৰ লগত জুবিন গাৰ্গৰ তিনিখন কেছেট সপোনৰ সুৰ, মায়া আৰু অনামিকা এই তিনিখন কেছেট লৈ গৈছিলোঁ। অৱশ্যে ভূপেন হাজৰিকা দেৱৰো দুখনমান শ্ৰব্য কেছেট লগত লৈ গৈছিলোঁ। জুবিন গাৰ্গৰ 'সপোনৰ সুৰ ' শ্ৰব্য কেছেটোৰ" সপোনৰে পখী...' গীতটোৱে মোক আপ্লুত কৰিছিল। ভুৱনেশ্চৰত থকা অকলশৰীয়া দিনকেইটা জুবিনৰ এই গীত বোৰ শুনিছিলো আৰু বিভিন্ন ভাষা-ভাষীৰ বন্ধুসকলক গীতবোৰ শুনাইছিলোঁ। তাৰ পিছত জুবিনক ওচৰৰ পৰা চোৱাৰ হেঁপাহ জাগিছিল। জুবিনক প্ৰথম লগ পাইছিলোঁ গুৱাহাটিৰ নেহেৰু ষ্টেডিয়ামত "বাজাজ পালছাৰ" বাইকখন প্ৰমোচন কৰাৰ দিনা। অজস্ৰ দৰ্শকৰ ভীৰৰ মাজত জুবিন গাৰ্গৰ ওচৰলৈ লৈ গৈছিল চি আই ডি বিভাগৰ পুলিচ বিষয়া বন্ধুবৰ ভবেন দত্তৰ আতিথ্যত। আৰু দ্বিতীয়বাৰ ওচৰত বহি কথা পাতিছিলো শিৱসাগৰৰ ৰুদ্ৰসিংহ পাৰ্কত। তাৰ পিছত জুবিন গাৰ্গক লগ পোৱাৰ সুযোগ আহিছিল যদিও তেওঁৰ কিছুমান কৰ্মকাণ্ড পচন্দ নোহোৱাত লগ ধৰা নাছিলোঁ। কিন্তু, জুবিনৰ মৃত্যুৰ খবৰটো ফেচবুকত পোৱাৰ দিনা কিয় জানো মনটোক বান্ধি ৰাখিব নোৱাৰিলোঁ। ১৯ চেপ্তেম্বৰৰ আবেলি প্ৰায় ৩মান বজাত স্কুলৰ পৰা আহি ফেচবুকটো খুলি চোৱাত জুবিনৰ ছিংগাপুৰত হোৱা দুৰ্ঘটনাৰ খবৰটো পালোঁ। খবৰটোৱে মোক মৰ্মাহত কৰিলে। টিভিটো অন কৰি বাতৰিটো চালোঁ, একেই খবৰ। প্ৰকৃত কাৰণ জানিবলৈ ইটোৰ পিছত সিটো ছেনেলৰ বাতৰিবোৰ দৌৰাদৌৰিকৈ চাবলৈ ধৰিলোঁ। ইতিমধ্যে বিভিন্নজনে ফোনেৰে খবৰটো জনাই দুখ প্ৰকাশ কৰি মোক জুবিনৰ প্ৰতি আকুলতা বঢ়ালে। সন্ধিয়া গাঁৱৰ ল'ৰা মখাই জুবিনৰ প্ৰতিচ্ছবিত ধুপ-দীপ-পুষ্প দি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰিলে। অনুষ্ঠানটোৰ আঁত ধৰিলো মই নিজে। অনুষ্ঠানটি শেষ কৰি আহি ৰাতিৰ সাজ খাই টিভিত জুবিনৰ খবৰ ল'বলৈ বহিলোঁ। সেই দিনা টিভিৰ সন্মুখৰ পৰা গোটেই ৰাতিটোৱেই নুঠিলোঁ। টোপনিও নাহিল। পুৱাৰ খবৰবোৰে জুবিনক স্ব-চক্ষে চোৱাৰ হেঁপাহ জন্মালে। দৌৰিলো গুৱাহাটিলৈ। ২১ তাৰিখে কফিনৰ ভিতৰত থকা জুবিনৰ নিঠৰ দেহত সেৱা জনালোঁ। দুখত আত্মহাৰা হৈ পৰিলোঁ। জুবিনৰ অনুৰাগী নোহোৱাকৈ জুবিনৰ গানৰ প্ৰেমত উটি-ভাঁহি গ'লোঁ। জুবিনৰ অন্ধ অনুৰাগী হৈ পৰিলোঁ। গুৱাহাটিৰ পৰা ঘৰলৈ আহি প্ৰত্যেক দিনাই ইটোৰ পিছত সিটো জুবিনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ভাগ ল'বলৈ সুবিধা পালোঁ। কেইবাটাও সামাজিক অনুষ্ঠানৰ সক্ৰিয় কৰ্মী হোৱা সূত্ৰে নিজেও জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰিলোঁ। এইযে মই জুবিন গাৰ্গৰ অন্ধ অনুৰাগী হৈ পৰিলোঁ মোৰ দোষ ক'ত? একেদৰে আজি সমগ্ৰ বিশ্বতে জুবিন গাৰ্গৰ অনুৰাগীৰ সংখ্যা কৌটি কৌটি হোৱাত এচাম স্বাৰ্থান্বেষী লোকৰ গা জ্বলা-পোৱাৰ কাৰণ কিহৰ বাবে? হয়, জুবিন গাৰ্গৰ বহু অন্ধ অনুৰাগীয়ে আবেগত দুই এটা গণ্ডগোল নকৰা নহয়। সেইয়া অৱশ্যে ভুল। কিন্তু তেওঁলোক জুবিন গাৰ্গৰ অন্ধ অনুৰাগী হোৱাত বাধা কিহৰ?

উল্লেখযোগ্য যে আলফা (স্বাধীন)ৰ মুখ্য সেনাধ্যক্ষইও জুবিনৰ সম্পৰ্কত বিবৃত্তি প্ৰদান কৰিছে। বহুক্ষেত্ৰত জুবিনৰ লগত সংঘাতত লিপ্ত হৈছিল যদিও তেওঁ জুবিনৰ অনুৰাগী বুলি অকপটে স্বীকাৰ কৰিছে। জুবিনক যন্ত্ৰলৈ পৰিৱৰ্তন কৰা শ্যামকানু, শেখৰ, সিদ্ধাৰ্থৰ ওপৰত জুবিন অনুৰাগীৰ খং উঠা স্বাভাৱিক। পালেই যেন সিহঁতক মাৰি শেষ কৰি পেলাব তাকো এচাম অনুৰাগীৰ আবেগে জণসাধাৰণৰ মাজত আজি এক যুদ্ধোত্তৰ মনোভাব গঢ়লৈ উঠাৰ সময়তে আলফা(স্বাধীন) ৰ বিবৃতিয়েও এক তাৎপৰ্য বহন কৰিছে। আলফা (স্বাধীন)ৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই ও অন্ধ অনুৰাগীসকলকহে যেন সাঁকিয়াই দি ক'বলৈ বিচাৰিছে যে আইনৰ উৰ্দ্ধত কোনো নহয়। আইন আলফাই কিয়, জনসাধাৰণেও তুলি লোৱা উচিত নহয়। সঁচাকৈয়ে আলফা(স্বাধীন)ৰ এনে পোষকতাৰ বাবে সাধুবাদৰ পাত্ৰ। কিন্তু জুবিন গাৰ্গৰ অন্ধ অনুৰাগীসকলে এতিয়াও উচিত ন্যায়ৰ অপেক্ষাত কিমান দিন হাতযোৰ কৰি বহি থাকিব সেয়া সন্দেহৰ আৱৰ্তত। প্ৰশাসনেও জুবিন গাৰ্গৰ অন্ধ অনুৰাগীসকলক হকে-বিহকে জেল হাজোতলৈ প্ৰেৰণ কৰা উচিত হোৱা নাই বুলি বিদ্যত মহলত আলোচনা হৈছে। আবেগৰ বশৱৰ্তী হৈ বহুতে বহু ধৰণৰ কাম কৰিব পাৰে, সেইবোৰ চালি জাৰি চাই প্ৰশাসনে জুবিন গাৰ্গৰ অনুৰাগীসকলক পুনৰ তেনে ভুল নকৰাৰ প্ৰতিশ্ৰুতি লৈ মুকলি কৰি দিলে প্ৰশাসন যন্ত্ৰটোৰ প্ৰতি জুবিন অনুৰাগীৰ সততা বৃদ্ধি হ'ব। এতিয়াও কিমানজনে জেলৰ ভাত খাই আছে তাৰ হিচাপ পোৱা নাযায়।

জুবিন গাৰ্গ ওৰফে জীৱন বৰঠাকুৰ এক অবিনাশী সত্ত্বা। জুবিন মৰিও অমৰ। জুবিনে নিজেই কৈছিল- 'মই গছৰ সন্তান, মই পাহাৰৰ সন্তান, মই নদীৰ সন্তান। মোক চুই দিলে জ্বলি যায়, এবুকু বহ্নিমান।'

আজি জুবিন গাৰ্গৰ পৰলোকপ্ৰাপ্তিৰ এটা বছৰ সম্পন্ন হ'ল। কিন্তু ন্যায় ক'ত? সঁচাকৈয়ে জুবিন গাৰ্গক চুবলৈ গৈ আজি আমাৰ দেহ জ্বলিছে, হিয়া পুৰিছে, আনকি আজি দেশ জাতি সকলো জ্বলিছে। জ্বলি জ্বলি ছাঁই হৈ যাবলৈ উপক্ৰম হৈছে জুবিনৰ উদং পথাৰত উৎপাত কৰা শ্যামকানু, শেখৰ আৰু সিদ্ধাৰ্থহঁত আৰু সিহঁতৰ বংশ পৰিয়াল। মহাকাব্য ৰামায়ণত লিখা আছে যে কালৰ কবলত পৰি বংশৰ কোনো এজনে যদি অপৰাধ বা দোষ কৰে, সেই এজনৰ অপৰাধ বা দোষৰ বাবে সমগ্ৰ বংশ বা পৰিয়াল ধ্বংসৰ মুখত পৰে। ৰাৱণৰ অপৰাধৰ বাবে যেনেদৰে নিৰ্দোষ ৰাক্ষস প্ৰজাসমূহ বিপদাপন্ন হৈছিল, তেনেদৰে একোজন সম্ৰাট বা একোজন শাসক পৰিয়ালৰ ব্যভিচাৰ বা দুষ্কাৰ্যৰ বাবে দেশ বা জাতি ধ্বংসৰ মুখ দেখা ইতিহাসত দুৰ্লভ নহয়। আজি শ্যামকানুৰ দুষ্কাৰ্যৰ বাবে সেই বিদ্বৎ পৰিয়ালটোৰ অৱস্থা মনকৰিবলগীয়া। জুবিন গাৰ্গৰ বাকী ধুৰন্ধৰ কেইটাৰ কথা নকলোৱেই বা। আমি আশাবাদী জুবিন গাৰ্গৰ উদং বুকুত হাত দিয়া সকলৰ উচিৎ বিচাৰ হ'ব আৰু সুদক্ষ মাননীয় মুখ্যমন্ত্ৰীৰ উদ্যোগত জুবিন গাৰ্গৰ পৰিয়ালে শুদ্ধ ন্যায় পাব।

অশ্ৰুৰে নহয়, সৃষ্টিৰে-জুবিনলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

লক্ষ্মীনন্দন কলিতা

কিছুমান জীৱন কেৱল এটা সময়ৰ পৰিসৰত আবদ্ধ নাথাকে। জীৱনৰ সীমা অতিক্ৰম কৰি তেওঁলোকৰ কৰ্ম, কণ্ঠ আৰু সৃষ্টিয়ে যুগৰ চেতনাত নিজৰ এক স্থায়ী ঠিকনা নিৰ্মাণ কৰে। জুবিন গাৰ্গ তেনে এক নাম-যি নাম উচ্চাৰিত হ'লেই অসমৰ সাংস্কৃতিক আকাশত অনুৰণিত হয় অসংখ্য সুৰ, স্মৃতি আৰু অনুভৱৰ গভীৰ প্ৰতিধ্বনি। জুবিন কেৱল সংগীতৰ এজন শিল্পী নাছিল, তেওঁ আছিল এক সৃষ্টিশীল সত্তা, এক সাংস্কৃতিক চেতনা। তেওঁৰ কণ্ঠত অসমৰ মাটিৰ গোন্ধ আছিল, ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে এক স্বাভাৱিক প্ৰবাহ আছিল, আৰু মানুহৰ সুখ-দুখৰ প্ৰতি আছিল এক গভীৰ সংবেদনশীলতা। সেয়েহে তেওঁৰ সৃষ্টিক কেৱল মনোৰঞ্জনৰ পৰিসৰত সীমাবদ্ধ কৰিলে তেওঁৰ অৱদানৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰা নহ'ব। ১৯ ছেপ্টেম্বৰ দিনটো আত্মমন্থনৰ দিন। জুবিনে আমাক যি সৃষ্টিশীল সাহস, মানৱীয় সংবেদন আৰু স্বকীয়তাৰ বোধ দি থৈ গৈছে, সেই মূল্যবোধক আমি আমাৰ জীৱনত কিমান দূৰ আগুৱাই নিব পাৰিছোঁ-সেই প্ৰশ্নটো নিজকে সোধাৰ দিন। এগৰাকী শিল্পীক সঁচা অৰ্থত সোঁৱৰণ কৰা মানে কেৱল তেওঁৰ ছবি সন্মুখত বন্তি জ্বলোৱা নহয়, তেওঁৰ সৃষ্টিৰ অন্তৰ্নিহিত চেতনাক নিজৰ কৰ্মৰ মাজত ধাৰণ কৰা। সেয়ে জুবিনক কেৱল স্মৃতিৰ অশ্ৰুসিক্ত পৃষ্ঠাত নহয়, সৃষ্টিৰ উজ্জ্বল পৃষ্ঠাত স্থান দিব লাগিব প্ৰতিজন অসমীয়াই। কোনো এজনে কবিতা লিখক, কোনোবাই গীত গাওক, কোনো শিশোৱে ছবি আঁকক, কোনো যুৱকে কলম তুলি লওক, কোনোবাই সাহিত্যৰ চৰ্চা কৰক, কোনোবাই সংস্কৃতিৰ সংৰক্ষণত নিজকে নিয়োজিত কৰক। কোনোবাই আকৌ নীৰৱে কোনো অসহায় মানুহৰ কাষত থিয় হওক। এই সৰু সৰু সৃষ্টিশীল আৰু মানৱীয় প্ৰয়াসবোৰৰ মাজতেই হয়তো জুবিনৰ প্ৰতি আটাইতকৈ অৰ্থৱহ শ্ৰদ্ধাঞ্জলি নিহিত হৈ আছে। কাৰণ জুবিনে আমাক কেৱল সুৰ শুনাই যোৱা নাছিল, তেওঁ আমাক অনুভৱ কৰিবলৈ শিকাইছিল। নিজৰ মাটিক ভাল পাবলৈ, নিজৰ ভাষাক মৰম কৰিবলৈ আৰু নিজৰ অস্তিত্বক লৈ গৌৰৱ কৰিবলৈ তেওঁৰ সৃষ্টিয়ে বহু হৃদয়ক অনুপ্ৰাণিত কৰিছিল। সেই অনুপ্ৰেৰণাক যদি আমি পৰৱৰ্তী প্ৰজন্মৰ হাতলৈ আগবঢ়াই দিব পাৰো, তেন্তে সোঁৱৰণে তেতিয়াহে অৰ্থ লাভ কৰিব। আজিৰ প্ৰজন্মৰ বাবে জুবিনৰ স্মৃতি সেয়ে এক দায়িত্বও। তেওঁৰ সৃষ্টিক সংৰক্ষণ কৰা, তেওঁৰ সাংস্কৃতিক অৱদানক গভীৰভাৱে অনুধাৱন কৰা আৰু অসমৰ সৃষ্টিশীল পৰম্পৰাক অধিক সমৃদ্ধ কৰাৰ সংকল্প লোৱা-এইবোৰেই হ'ব তেওঁৰ প্ৰতি আমাৰ সুদূৰপ্ৰসাৰী সন্মান। ১৯ ছেপ্টেম্বৰত আহক, কিছু সময় নীৰৱ হওঁ। তেওঁৰ সুৰৰ মাজেৰে অতীতলৈ উভতি যাওঁ, তেওঁৰ সৃষ্টিৰ মাজেৰে বৰ্তমানক চাওঁ আৰু ভৱিষ্যতৰ বাবে কিছু সৃষ্টিশীল সংকল্প গ্ৰহণ কৰোঁ। জুবিন গাৰ্গক সোঁৱৰো কেৱল অশ্ৰুৰে নহয়, আদৰ্শৰে। কেৱল স্মৃতিৰে নহয়, সৃষ্টিৰে। কেৱল কথাৰে নহয়, কৰ্মৰে। এগৰাকী শিল্পীৰ জীৱনৰ অন্ত পৰিব পাৰে, কিন্তু তেওঁৰ সৃষ্টিৰ যাত্ৰাৰ অন্ত নপৰে। যেতিয়ালৈকে কোনো কণ্ঠত সুৰ জাগিব, কোনো কলমত শব্দ জন্ম ল'ব, কোনো হৃদয়ত মানুহৰ বাবে মমতা জাগিব, তেতিয়ালৈকে জুবিনৰ সৃষ্টিশীল অনুৰণনো কোনোবা নহয় কোনোবা ৰূপত জীয়াই থাকিব। ১৯ ছেপ্টেম্বৰত আমি সকলোৱে আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গক সৃষ্টিশীলতাৰে সোঁৱৰো আহক। তেওঁৰ স্মৃতিৰ দীপশিখাৰ পৰা নিজৰ অন্তৰত এটি নতুন সৃষ্টিৰ পোহৰ জ্বলাই তোলোঁ আহক।

অসমৰ আকাশত জুবিনৰ সুৰৰ অনন্ত প্ৰতিধ্বনি

কানুপ্ৰিয়া ডেকা

“কিছুমান মানুহ গুচি যায়, কিন্তু তেওঁলোকৰ সৃষ্টিৰ ছাঁ সময়ৰ বাটত ৰৈ যায়; কিছুমান কণ্ঠ নীৰৱ হয়, কিন্তু সেই কণ্ঠৰ প্ৰতিধ্বনি যুগে যুগে বাজি থাকে।” জুবিন গাৰ্গ তেনে এজন শিল্পী, যাৰ কণ্ঠ কেৱল কাণেৰে শুনা নাছিল— হৃদয়েৰে অনুভৱ কৰিছিল অসমে। তেওঁৰ গীতত কেতিয়াবা আছিল প্ৰেমৰ কোমল বৰষুণ, কেতিয়াবা আছিল বিৰহৰ নীৰৱ চকুলো, কেতিয়াবা আছিল মাটিৰ গোন্ধ আৰু কেতিয়াবা আছিল নিজৰ জাতি-মাটি-ভাষাৰ প্ৰতি গভীৰ টান। সেয়েহে জুবিন গাৰ্গ কেৱল এজন গায়কৰ নাম নহয়; তেওঁ অসমীয়া মানুহৰ আবেগ, অনুভৱ আৰু সাংস্কৃতিক চেতনাৰ এক উজ্জ্বল অধ্যায়।

জুবিনৰ কণ্ঠত এক বিশেষ যাদু আছিল। তেওঁৰ কণ্ঠ যেন ব্ৰহ্মপুত্ৰৰ দৰে— কেতিয়াবা শান্ত, কেতিয়াবা উচ্ছল, কেতিয়াবা গভীৰ আৰু কেতিয়াবা প্ৰবল সোঁতেৰে বৈ যোৱা। তেওঁ যেতিয়া প্ৰেমৰ গান গাইছিল, তেতিয়া শব্দবোৰ যেন হৃদয়ৰ দুৱাৰ খুলি ভিতৰলৈ সোমাই গৈছিল। বিষাদৰ গানত তেওঁৰ কণ্ঠত নামি আহিছিল এজাক সেমেকা সন্ধিয়া; আৰু উদ্দীপনামূলক গীতত সেই একেটা কণ্ঠই যেন হাজাৰজনৰ বুকুত সাহসৰ জুই জ্বলাই তুলিছিল।

জুবিন গাৰ্গৰ সৈতে অসমৰ সম্পৰ্ক কেৱল সংগীতৰ সম্পৰ্ক নাছিল। এই সম্পৰ্ক আছিল আত্মাৰ সৈতে আত্মাৰ। অসমৰ গাঁও-ভূঁই, চহৰ-নগৰ, বিহুৰ মঞ্চ, উৎসৱৰ নিশা, বন্ধুৰ আড্ডা, প্ৰেমিক-প্ৰেমিকাৰ নিভৃত মুহূৰ্ত— জীৱনৰ অসংখ্য পৰত জুবিনৰ গান জড়িত হৈ আছে। কোনোবাই তেওঁৰ গানত নিজৰ প্ৰথম প্ৰেম বিচাৰি পাইছে, কোনোবাই বিচ্ছেদৰ বেদনা, কোনোবাই হেৰুৱা আপোনজনৰ স্মৃতি, আন কোনোবাই নিজৰ শৈশৱৰ সুৰ।

তেওঁৰ গীতত অসমৰ মাটিৰ গোন্ধ আছিল। ব্ৰহ্মপুত্ৰৰ ঢৌ, কপৌ ফুলৰ সুবাস, বিহুৰ ঢোল-পেঁপাৰ মাত, সেউজীয়া পথাৰ, বৰষুণত তিতি থকা গাঁওখন— এই সকলোবোৰ যেন তেওঁৰ সৃষ্টিৰ মাজত জীৱন্ত হৈ উঠিছিল। আধুনিক সংগীতৰ সৈতে অসমীয়া লোকসংগীতৰ আত্মিক সংযোগ ঘটাই তেওঁ সংগীতক নতুন ৰূপ দিছিল। তেওঁৰ কণ্ঠত আধুনিকতা আৰু মাটিৰ গোন্ধে হাতত হাত ধৰি আগবাঢ়িছিল।

জুবিনৰ সংগীতৰ আটাইতকৈ ডাঙৰ শক্তি আছিল— তেওঁ মানুহৰ হৃদয়ৰ ভাষা বুজিছিল। তেওঁ জটিল অনুভূতিকো সহজ শব্দত প্ৰকাশ কৰিব পাৰিছিল। সেয়েহে তেওঁৰ গান শুনোতে বহু সময়ত এনে লাগে যেন গানটো শিল্পীয়ে নহয়, আমাৰ নিজৰ মনটোৱেই গাই আছে। এয়া এগৰাকী শিল্পীৰ বৃহৎ সাফল্য- নিজৰ কণ্ঠক আনৰ অনুভৱৰ কণ্ঠ কৰি তুলিব পৰা।

তেওঁ কেৱল অসমীয়াতে সীমাবদ্ধ হৈ থকা নাছিল। ভাৰতৰ বিভিন্ন ভাষাৰ সংগীত আৰু চলচ্চিত্ৰতো তেওঁৰ কণ্ঠত নিজৰ পৰিচয় সৃষ্টি কৰিছিল। কিন্তু যিমানেই তেওঁ বহল পৃথিৱীলৈ আগবাঢ়িছিল, সিমানেই যেন অসমৰ মাটিৰ সৈতে তেওঁৰ সম্পৰ্ক অধিক গভীৰ হৈ পৰিছিল। তেওঁৰ বাবে অসম কেৱল জন্মভূমি নাছিল; ই আছিল তেওঁৰ সৃষ্টিৰ প্ৰাণভূমি।

জুবিনৰ জীৱন আৰু কৰ্মৰ আন এটা উল্লেখযোগ্য দিশ আছিল তেওঁৰ স্পষ্টবাদিতা আৰু নিজস্ব চিন্তাধাৰা। তেওঁ নিজৰ মনৰ কথা নিজৰ ধৰণে ক'বলৈ কেতিয়াও পিছপৰা নাছিল। তেওঁৰ ব্যক্তিত্বত আছিল এক অদ্ভুত স্বাধীনতা— যেন কোনো বন্ধনেই তেওঁক সম্পূৰ্ণৰূপে বান্ধি ৰাখিব নোৱাৰে। এই স্বকীয়তাই তেওঁক আন শিল্পীৰ পৰা পৃথক কৰি এক নিজস্ব স্থান দিছিল।

তেওঁৰ প্ৰয়াণে অসমীয়া সংগীতজগতত এক গভীৰ শূন্যতা সৃষ্টি কৰিলে। এজন শিল্পীৰ অনুপস্থিতি কেৱল এটা খালী আসন নহয়; কেতিয়াবা ই এক সম্পূৰ্ণ যুগৰ নীৰৱতা। কিন্তু জুবিনৰ ক্ষেত্ৰত সেই নীৰৱতাও সম্পূৰ্ণ নীৰৱ নহয়। তেওঁৰ গানবোৰ আজিও বাজে, মানুহে আজিও তেওঁৰ গীত গায়, তেওঁৰ সৃষ্টিৰ মাজত আজিও নতুন প্ৰজন্মই নিজৰ অনুভৱ বিচাৰি পায়। মানুহজন শাৰীৰিকভাৱে আমাৰ মাজত নাথাকিলেও তেওঁৰ সুৰ যেন অসমৰ আকাশত মেঘৰ দৰে ভাঁহি ফুৰিছে।

মৃত্যুৱে এজন মানুহৰ জীৱন থমকাই দিব পাৰে, কিন্তু সৃষ্টিৰ যাত্ৰা থমকাব নোৱাৰে। জুবিনৰ ক্ষেত্ৰতো সেয়াই সত্য। তেওঁৰ কণ্ঠ থমকি গ'লেও তেওঁৰ সৃষ্টিৰ প্ৰতিধ্বনি থমকি ৰোৱা নাই। তেওঁৰ গান যেন ব্ৰহ্মপুত্ৰৰ সোঁত— এবাৰ বৈ গ'লে তাক সহজে ৰখাব নোৱাৰি। প্ৰজন্ম সলনি হ'ব, সময় সলনি হ'ব, সংগীতৰ ধাৰা সলনি হ'ব; কিন্তু তেওঁৰ বহু সৃষ্টিয়ে নতুন নতুন শ্ৰোতাৰ হৃদয়ত নিজৰ ঠাই বিচাৰি ল'ব।

জুবিনৰ মৃত্যুতিথি কেৱল এজন শিল্পীক স্মৰণ কৰাৰ দিন নহয়। ই নিজৰ সংগীত, নিজৰ ভাষা আৰু নিজৰ সংস্কৃতিক পুনৰ এবাৰ মনত পেলোৱাৰ দিন। তেওঁ আমাক দেখুৱাই গ'ল যে নিজৰ মাটিৰ পৰা ওলাইও বিশ্বৰ মঞ্চত নিজৰ পৰিচয় গঢ়িব পাৰি, কিন্তু শিপাডাল নিজৰ মাটিত দৃঢ় কৰি ৰাখিব পাৰিলে সেই যাত্ৰা অধিক অৰ্থপূৰ্ণ হয়। এজন শিল্পীৰ প্ৰকৃত মৃত্যু কেতিয়া হয়? যেতিয়া তেওঁৰ গান মানুহে পাহৰি যায়, তেওঁৰ সৃষ্টিয়ে হৃদয়ত কোনো ঢৌ নোতোলে। জুবিনৰ ক্ষেত্ৰত সেই দিনটো যেন বহু দূৰত। কাৰণ তেওঁৰ গান আজিও মানুহৰ ওঁঠত, স্মৃতিৰ পাতত আৰু হৃদয়ৰ নিভৃত কোণত জীয়াই আছে।

আজি যেতিয়া অসমৰ আকাশত সন্ধিয়া নামে, ব্ৰহ্মপুত্ৰৰ বুকুত অস্তগামী সূৰ্যৰ ৰঙা আভা পৰে, দূৰৈত ক'ৰবাত যদি জুবিনৰ কোনো এটি গান বাজি উঠে, তেন্তে এনে লাগে— এজন মানুহ গুচি যোৱা নাই; তেওঁ মাত্ৰ নিজৰ কণ্ঠটো অসমৰ হাতত থৈ গৈছে। সেই কণ্ঠ এতিয়া অসংখ্য মানুহৰ কণ্ঠত বাজিব, অসংখ্য স্মৃতিত জাগিব আৰু অসংখ্য প্ৰজন্মৰ হৃদয়ত নতুন অৰ্থ লাভ কৰিব।

জুবিন গাৰ্গ হয়তো এদিন আমাৰ চকুৰ আগৰ পৰা আঁতৰি গ'ল, কিন্তু তেওঁৰ সুৰে আঁতৰি যাব নাজানে। সেই সুৰে কেতিয়াবা বৰষুণৰ টোপাল হৈ খিৰিকীৰ কাষত পৰিব, কেতিয়াবা বিহুৰ ঢোলৰ চাপত নাচিব, কেতিয়াবা প্ৰেমিকৰ নিভৃত মনত গুণগুণাব আৰু কেতিয়াবা বিষাদগ্ৰস্ত হৃদয়ত সান্ত্বনাৰ হাত হৈ পৰিব।



সেয়েহে জুবিনৰ শেষ বুলি কোনো শেষ নাই। তেওঁ আছে— গানত, সুৰত, স্মৃতিত আৰু অসমীয়া মানুহৰ হৃদয়ত। অসমৰ আকাশ যিমানদিন নীলা হৈ থাকিব, ব্ৰহ্মপুত্ৰ যিমানদিন বৈ থাকিব, কপৌ ফুল যিমানদিন ফুলিব আৰু অসমীয়া মানুহৰ বুকুত নিজৰ মাটিৰ প্ৰতি মৰম জীয়াই থাকিব— সিমানদিন জুবিনৰ সুৰৰ প্ৰতিধ্বনিও বাজি থাকিব।

জুবিন এজন শিল্পী
আছিল,
কিন্তু তেওঁৰ সুৰ এতিয়া
এটা যুগৰ স্মৃতি।
জুবিন এজন মানুহ
আছিল, কিন্তু তেওঁৰ
গান এতিয়া অসংখ্য
হৃদয়ৰ স্পন্দন।
তেওঁ নীৰৱ হ'ল—
কিন্তু তেওঁৰ সুৰৰ আকাশ আজিও অনন্ত।

জুবিনৰ সুৰ কেৱল এটা সময়ৰ সুৰ নহয়; ই সময়ক অতিক্ৰম কৰা এক অনুভৱ। তেওঁৰ গীতৰ মাজত আমি কেৱল সুৰ আৰু শব্দ নুশুনো, আমি বিচাৰি পাওঁ নিজৰ জীৱনৰ কিছুমান হেৰাই যোৱা পৃষ্ঠা। কোনো এটা গীত শুনি হঠাৎ শৈশৱৰ কোনো এটি আবেলি মনত পৰে, কোনো এটা সুৰে ওভতাই আনে আপোন মানুহৰ মুখ, আন কোনো এটি গীতে বুকুৰ গভীৰত লুকুৱাই ৰখা অভিমানটো জগাই তোলে। এইয়াই জুবিনৰ সৃষ্টিৰ শক্তি—তেওঁ গান লিখা বা গোৱা নাছিল মাত্ৰ, তেওঁ মানুহৰ অনুভূতিক সুৰৰ পোছাক পিন্ধাইছিল।

তেওঁৰ গীতত প্ৰেম আছিল, কিন্তু সেই প্ৰেম কেৱল দুজন মানুহৰ মাজত সীমাবদ্ধ নাছিল। সেই প্ৰেম আছিল মাটিৰ প্ৰতি, মানুহৰ প্ৰতি, ভাষাৰ প্ৰতি, সেউজীয়া অসমৰ প্ৰতি। তেওঁৰ কণ্ঠত যেতিয়া অসমীয়া শব্দবোৰ উচ্চাৰিত হৈছিল, সেই শব্দবোৰ যেন নিজৰ ঘৰলৈ উভতি অহা চৰাইৰ দৰে লাগিছিল। সেয়েহে জুবিনৰ গান শুনিলে বহু অসমীয়াৰ বুকুত অজানিতে নিজৰ মাটিৰ প্ৰতি এক গভীৰ টান জাগি উঠে।

অসমীয়া সংগীতৰ পথত জুবিনে যি ছাপ এৰি গ'ল, সেয়া কেৱল এটা নামৰ ছাপ নহয়; ই এটা প্ৰজন্মৰ স্মৃতি। তেওঁ বহুজনৰ বাবে সংগীতৰ দুৱাৰখন মুকলি কৰি দিছিল। তেওঁৰ সৃষ্টিৰ পৰা অনুপ্ৰেৰণা লৈ নতুন প্ৰজন্মৰ বহু শিল্পীয়ে নিজৰ সৃষ্টিৰ পথ বিচাৰি লৈছে। এই দৰেই এজন শিল্পীৰ যাত্ৰা তেওঁৰ জীৱনকালতে শেষ নহয়— তেওঁৰ প্ৰভাৱ আনৰ সৃষ্টিৰ মাজেৰে আগলৈ গৈ থাকে।

এটা দীঘলীয়া ৰাতিৰ পাছত যেনেকৈ পূবৰ আকাশত সূৰ্যৰ প্ৰথম কিৰণ ওলাই আহে, তেনেকৈ জুবিনৰ সৃষ্টিবোৰেও নৱপ্ৰজন্মৰ মনত নতুন সুৰৰ দুৱাৰ খুলি দিব পাৰে। তেওঁৰ গীতবোৰ কেৱল সংৰক্ষণ কৰি থোৱাৰ বস্তু নহয়; সেইবোৰ শুনা, অনুভৱ কৰা আৰু নতুন প্ৰজন্মলৈ আগবঢ়াই নিয়াটোৱেই হ'ব তেওঁৰ প্ৰতি এক অৰ্থপূৰ্ণ শ্ৰদ্ধাঞ্জলি।

জুবিনক স্মৰণ কৰাৰ অৰ্থ কেৱল তেওঁৰ মৃত্যুৰ বেদনাত থমকি ৰোৱা নহয়। তেওঁ যি অসমক ভাল পাইছিল, সেই অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি আমাৰ দায়িত্বকো মনত পেলোৱা। নিজৰ ভাষাত কথা কোৱা, নিজৰ সংস্কৃতিক সন্মান কৰা, নিজৰ শিল্পীক মৰম কৰা— এই সৰু সৰু কামবোৰেই হয়তো তেওঁৰ সৃষ্টিৰ প্ৰতি আমাৰ আটাইতকৈ ডাঙৰ সন্মান।

কেতিয়াবা ভাব হয়—মানুহৰ জীৱনটো যেন এখন ক্ষণস্থায়ী নদী, কিন্তু সৃষ্টিৰ সোঁত বহু দূৰলৈ বৈ যায়। জুবিনো সেই সোঁতৰেই এজন যাত্ৰী আছিল। তেওঁৰ জীৱনৰ সময় সীমিত আছিল, কিন্তু তেওঁৰ সৃষ্টিৰ আকাশ বহল। তেওঁ গুচি যোৱাৰ পাছতো তেওঁৰ কণ্ঠৰ প্ৰতিধ্বনি পাহাৰৰ বুকুত খুন্দা খাই উভতি অহা শব্দৰ দৰে বাৰে বাৰে আমাৰ মাজলৈ ঘূৰি আহি থাকিব।

হয়তো কোনোবা এদিন কোনো শিশুৱে প্ৰথমবাৰৰ বাবে জুবিনৰ গান শুনিব আৰু সুধিব— “এই কণ্ঠটো কাৰ?” কোনোবা এজনে হয়তো ক'ব— “এইজনেই জুবিন গাৰ্গ, অসমৰ মৰমৰ জুবিন।” সেই মুহূৰ্ততে এজন নতুন শ্ৰোতাৰ হৃদয়ত পুনৰ জন্ম ল'ব জুবিনৰ সুৰ। তেতিয়া বুজা যাব— মৃত্যুৱে মানুহজনক আমাৰ পৰা আঁতৰাই নিলে, কিন্তু তেওঁৰ শিল্পক সময়ৰ হাতৰ পৰা কাঢ়ি নিব নোৱাৰিলে।

স্মৃতিৰো এক নিজস্ব ঋতু থাকে। কিছুমান স্মৃতি বৰষুণৰ দৰে নামে, কিছুমান জোনাকৰ দৰে নীৰৱে পোহৰায়। জুবিনৰ স্মৃতি হয়তো অসমৰ বাবে তেনে এক জোনাক—যি অন্ধকাৰৰ মাজতো নিজৰ পোহৰ হেৰুৱাব নাজানে। তেওঁৰ গান বাজি উঠিলেই কিমান মানুহৰ চকুত হাঁহি বিৰিঙিব, কিমান হৃদয়ত পুৰণি স্মৃতি জাগিব, কিমান নীৰৱ সন্ধিয়া অলপ সুৰীয়া হৈ পৰিব— তাৰ হিচাপ কোনো সংখ্যাৰে কৰিব নোৱাৰি।

সেয়েহে জুবিনৰ মৃত্যুতিথিত আমি কেৱল চকুপানীৰে তেওঁক স্মৰণ নকৰোঁ; তেওঁৰ সৃষ্টিক জীয়াই ৰখাৰ সংকল্পও লওঁ। কাৰণ এজন শিল্পীক সঁচাকৈ জীয়াই ৰখা হয় তেওঁৰ প্ৰতিমূৰ্তিত নহয়, তেওঁৰ সৃষ্টিৰ প্ৰতি থকা আমাৰ মৰমত। জুবিনৰ সুৰ যদি আমাৰ পৰৱৰ্তী প্ৰজন্মৰ ওঁঠত জীয়াই থাকে, তেন্তে তেওঁৰ কণ্ঠৰ সেই অনন্ত যাত্ৰা কেতিয়াও শেষ নহ'ব।

সময় আগবাঢ়িব, ঋতু সলনি হ'ব, বহু মুখ অচিনাকি হৈ পৰিব; কিন্তু অসমৰ কোনোবা এখন সেউজীয়া গাঁৱৰ সন্ধিয়াত, কোনোবা এখন চহৰৰ ব্যস্ত পথত, কোনোবা এটা নিৰ্জন কোঠাৰ খিৰিকীৰ কাষত— হঠাৎ জুবিনৰ এটি সুৰ বাজি উঠিব। আৰু সেই সুৰে ক'ব—

“মানুহজন নাই, কিন্তু সুৰটো আছে।
কণ্ঠটো নীৰৱ, কিন্তু প্ৰতিধ্বনি আছে।
জীৱনটো থমকি ৰ'ল, কিন্তু গানৰ যাত্ৰা
এতিয়াও অবিৰাম।”

জুবিন গাৰ্গ সেয়েহে কেৱল অতীতৰ এটি নাম নহয়; তেওঁ অসমৰ সাংস্কৃতিক স্মৃতিৰ এক জীয়া অধ্যায়। তেওঁৰ সুৰ ব্ৰহ্মপুত্ৰৰ ঢৌৰ দৰে— এটা ঢৌ পাৰ হৈ যায়, আন এটা ঢৌ আহে; কিন্তু নদীৰ সোঁত থমকি নৰয়। ঠিক তেনেকৈ জুবিনৰ এটি গান শেষ হ'ব পাৰে, কিন্তু তেওঁৰ সুৰৰ যাত্ৰা শেষ নহয়।

অসমৰ আকাশত সেই সুৰ আজিও ভাঁহি আছে—

বতাহৰ কোমল পৰশত,
ব্ৰহ্মপুত্ৰৰ ঢৌৰ কল্লোলত,
বিহুৰ ঢোলৰ চাপত,
আৰু অসমীয়া মানুহৰ বুকুৰ গভীৰতম
কোণত।

জুবিন গুচি গ'ল—কিন্তু জুবিনৰ সুৰ গুচি নগ'ল।

সেই সুৰ আজিও বাজি আছে, আৰু বাজি থাকিব—

অসমৰ আকাশত, অসমৰ মাটিত,
আৰু আমাৰ হৃদয়ৰ অনন্ত আকাশত।

জুবিন গাৰ্গ যুৱ প্ৰজন্মৰ আদৰ্শ

অজিত বৰুৱা

অসমৰ সাংস্কৃতিক ইতিহাসত এনে একাংশ ব্যক্তিত্ব আছে যিসকলে কেৱল শিল্পী হিচাপেই নহয়, এক সামাজিক শক্তি, এক যুগ-সচেতন কণ্ঠস্বৰ আৰু এক প্ৰেৰণাৰ উৎস হিচাপেও নিজকে প্ৰতিষ্ঠা কৰিছে। সেইসকলৰ ভিতৰত অন্যতম হৈছে জুবিন গাৰ্গ। সংগীত, চলচ্চিত্ৰ, সাহিত্য, সমাজসেৱা, পৰিৱেশ সুৰক্ষা, শিক্ষাৰ প্ৰসাৰ আৰু মানৱতাৰ ক্ষেত্ৰত তেওঁৰ বহুমুখী অৱদানে তেওঁক কেৱল এগৰাকী সফল শিল্পী নহয়, বৰং এগৰাকী জননেতাসদৃশ সাংস্কৃতিক ব্যক্তিত্ব হিচাপে গঢ়ি তুলিছে। অসমৰ যুৱ সমাজে যদি কোনো আধুনিক ব্যক্তিত্বৰ মাজত প্ৰতিভা, অধ্যৱসায়, সাহস, স্বকীয়তা আৰু সামাজিক দায়বদ্ধতাৰ এক সাৰ্থক সংমিশ্ৰণ বিচাৰে, তেন্তে জুবিন গাৰ্গ নিশ্চয়কৈ তেওঁলোকৰ অন্যতম আদৰ্শ হ'ব পাৰে।

প্ৰতিভা আৰু অধ্যৱসায়ৰ এক উজ্জ্বল উদাহৰণঃ

জুবিন গাৰ্গৰ জীৱনৰ আটাইতকৈ শিক্ষণীয় দিশসমূহৰ ভিতৰত এটা হৈছে তেখেতৰ অধ্যৱসায়। অসমৰ মাটিৰ পৰা ওলাই গৈ তেওঁ কেৱল অসমীয়া সংগীত জগততে নহয়, সমগ্ৰ ভাৰতীয় সংগীত জগতত নিজৰ স্থান সুদৃঢ় কৰিবলৈ সক্ষম হৈছিল। চল্লিশতকৈ অধিক ভাষাত গান গাই তেওঁ আঞ্চলিক সীমাৰেখা ভাঙি জাতীয় পৰিসৰত নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিছে।

আজিৰ সময়ৰ বহু যুৱক-যুৱতীয়ে সৰু বাধাৰ সন্মুখীন হ'লেই হতাশাত ভাগি পৰে। কিন্তু জুবিনৰ জীৱনে দেখুৱাইছে যে সফলতাৰ বাবে কোনো চমু পথ নাই। কঠোৰ পৰিশ্ৰম, নিয়মীয়া সাধনা আৰু নিজৰ ওপৰত অটল বিশ্বাস থাকিলে বিশ্বৰ যিকোনো মঞ্চত নিজকে প্ৰতিষ্ঠা কৰিব পাৰি। তেওঁৰ সংগীত জীৱন এই সত্যৰেই এক উজ্জ্বল উদাহৰণ বুলি ক'ব পাৰি।

নিজৰ শিপাৰ সৈতে সংযোগ বজাই ৰখাৰ শিক্ষাঃ

গোলকীকৰণৰ যুগত বহু যুৱক-যুৱতী নিজৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰ পৰা আঁতৰি যোৱাৰ প্ৰৱণতা দেখিবলৈ পোৱা যায়। কিন্তু জুবিন গাৰ্গে দেখুৱাইছে যে আধুনিকতা আৰু স্বকীয়তা একেলগে বহন কৰা সম্ভৱ। তেওঁ আধুনিক সংগীতৰ সৈতে অসমীয়া লোকসংগীত, বিহু গীত আৰু আঞ্চলিক সুৰৰ সফল সংমিশ্ৰণ ঘটাই নতুন প্ৰজন্মক নিজৰ সাংস্কৃতিক শিপাৰ সৈতে পুনৰ সংযুক্ত কৰিছে। তেওঁৰ সংগীতৰ জৰিয়তে অসমৰ লোকসংস্কৃতি, ভাষা আৰু ঐতিহ্য নতুন ৰূপত উপস্থাপিত হৈছে। ফলস্বৰূপে বহু যুৱক-যুৱতীয়ে পুনৰ অসমীয়া সংগীত আৰু সাহিত্যৰ প্ৰতি আগ্ৰহী হৈ উঠিছে। এই দিশটোৱে তেওঁক এক সাংস্কৃতিক দূত হিচাপে প্ৰতিষ্ঠা কৰিছে।

শিক্ষাৰ ক্ষেত্ৰত তেওঁৰ অৱদানঃ

জুবিন গাৰ্গৰ মানৱীয় দৃষ্টিভংগীৰ অন্যতম উজ্জ্বল উদাহৰণ হৈছে দৰিদ্ৰ আৰু সুবিধাবঞ্চিত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে আগবঢ়োৱা সহায়। ২০১৭ চনত তেওঁ কটন কলেজৰ আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দায়িত্ব লোৱাৰ কথা ঘোষণা কৰিছিল আৰু নিজৰ অনুষ্ঠানৰ সমগ্ৰ পাৰিশ্ৰমিক শিক্ষা তহবিললৈ দান কৰিছিল। তেখেতৰ কালাগুৰু আৰ্টিষ্ট ফাউণ্ডেচনে বহু শিক্ষাৰ্থীক সহায় আগবঢ়াইছে, বৃত্তি প্ৰদান কৰিছে আৰু শিক্ষাৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা পালন কৰি আহিছে। আজিৰ যুৱ সমাজৰ বাবে ইয়াত এটা গুৰুত্বপূৰ্ণ শিক্ষা নিহিত হৈ আছে—সফলতা কেৱল ব্যক্তিগত উন্নতিৰ বাবে নহয়, সমাজৰ উন্নয়নৰ বাবেও ব্যৱহাৰ হ'ব লাগে।

সমাজসেৱাৰ ক্ষেত্ৰত অনন্য ভূমিকাঃ

জুবিন গাৰ্গৰ সমাজসেৱামূলক কাম-কাজৰ তালিকা যথেষ্ট দীঘলীয়া বুলিব পাৰি। অসমৰ বানপানীৰ সময়ত তেওঁ নিয়মিতভাৱে সাহায্য অভিযান চলাইছিল। খাদ্য, বস্ত্ৰ, ঔষধ সংগ্ৰহ কৰি দুৰ্যোগপীড়িত লোকসকলৰ কাষত থিয় দিছিল। বান সাহায্যৰ বাবে দাতব্য ফুটবল খেল আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰিছিল।

সমাজৰ সংকটৰ সময়ত জনপ্ৰিয় ব্যক্তিত্বসকল কেনেদৰে সমাজৰ কল্যাণত নিজৰ জনপ্ৰিয়তা ব্যৱহাৰ কৰিব পাৰে, তাৰ এক অনুকৰণীয় উদাহৰণ হৈছে জুবিন গাৰ্গ।

ক'ভিড মহামাৰীৰ সময়ত মানৱতাৰ অনন্য দৃষ্টান্তঃ

২০২১ চনত ক'ভিড-১৯ মহামাৰীৰ ভয়াবহ সময়ত চিকিৎসালয়সমূহত শয্যাৰ তীব্ৰ অভাৱ দেখা দিছিল। সেই সংকটময় পৰিস্থিতিত জুবিন গাৰ্গে নিজৰ দুমহলীয়া বাসগৃহ ক'ভিড কেয়াৰ চেণ্টাৰ হিচাপে ব্যৱহাৰ কৰিবলৈ আগবঢ়াই দিছিল। এগৰাকী জনপ্ৰিয় শিল্পীৰ বাবে নিজৰ ব্যক্তিগত সম্পত্তি জনসাধাৰণৰ কল্যাণত উৎসৰ্গা কৰাটো সহজ কথা নহয়। এই পদক্ষেপে তেখেতৰ মানৱীয় মূল্যবোধ আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাক স্পষ্টভাৱে প্ৰতিফলিত কৰে। আজিৰ যুৱ সমাজে ইয়াৰ পৰা শিকিব পাৰে যে সঁচা মহানতা খ্যাতি বা সম্পত্তিত নহয়, বৰং আনৰ দুখ-দুৰ্দশাৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাতহে নিহিত হৈ থাকে।

পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত সচেতন কণ্ঠঃ

পৰিৱেশ সুৰক্ষাৰ বিষয়টোত জুবিন গাৰ্গ সদায় স্পষ্ট আৰু সক্ৰিয় আছিল। গুৱাহাটীৰ ঐতিহাসিক গছ-গছনি সংৰক্ষণৰ বাবে তেওঁ একাধিকবাৰ মাত মাতিছিল। গছকটাৰ বিৰোধিতা কৰি জনমত গঢ়ি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ নিজৰ অনুগামী সকলক জন্মদিনত ফুলৰ থোপাৰ সলনি গছ ৰোপণ কৰিবলৈও আহ্বান জনাইছিল।

বৰ্তমান সময়ত জলবায়ু পৰিৱৰ্তন বিশ্বৰ এক ডাঙৰ সমস্যা। সেয়েহে যুৱ প্ৰজন্মই যদি জুবিনৰ এই পৰিৱেশ-সচেতন মনোভাৱ গ্ৰহণ কৰে, তেন্তে সমাজ আৰু প্ৰকৃতি দুয়ো উপকৃত হ'ব বুলি আশা কৰিব পাৰি।

বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি দায়বদ্ধতাঃ

জুবিন গাৰ্গৰ মানৱতা কেৱল মানুহৰ মাজতে সীমাবদ্ধ নাছিল। তেওঁ আহত জীৱ-জন্তুৰ উদ্ধাৰ আৰু চিকিৎসাৰ ক্ষেত্ৰতো সক্ৰিয়ভাৱে জড়িত আছিল। কাজিৰঙাকেন্দ্ৰিক বন্যপ্ৰাণী সংৰক্ষণ সংগঠনৰ সৈতে সহযোগিতা কৰিছিল আৰু জীৱ-জন্তুৰ সুৰক্ষাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ বাবে স্বীকৃতিও লাভ কৰিছিল। আজিৰ যুৱ সমাজে জুবিনৰ এই কাৰ্যসমূহৰ পৰা জীৱজগতৰ প্ৰতি সহমৰ্মিতা আৰু দায়িত্ববোধৰ শিক্ষাও লাভ কৰিব পাৰে।

সাহসী আৰু স্পষ্টভাষী ব্যক্তিত্বঃ

সমাজৰ বিভিন্ন সমস্যা, অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে জুবিন গাৰ্গে বহু সময়ত খোলাখুলিকৈ মত প্ৰকাশ কৰিছিল। বহুক্ষেত্ৰত তেওঁ শিল্পীক কেৱল মনোৰঞ্জনদাতা হিচাপে নহয়, সমাজ-সচেতন নাগৰিক হিচাপেও প্ৰতিষ্ঠা কৰিছে। যুৱ প্ৰজন্মৰ বাবে এইটো এক গুৰুত্বপূৰ্ণ শিক্ষা যে সত্য আৰু ন্যায়ৰ পক্ষত মাত মাতিবলৈ সাহসৰ প্ৰয়োজন হয়। সমাজৰ ভুল-ত্ৰুটিৰ বিৰুদ্ধে সজাগ কণ্ঠস্বৰ হোৱাটোও এজন সচেতন নাগৰিকৰ দায়িত্ব যি দায়িত্ব জুবিনে খুব সুন্দৰকৈ পালন কৰিছিল।

নতুন প্ৰতিভাক আগবঢ়াই নিয়াৰ মানসিকতাঃ

জুবিন গাৰ্গে বহু নতুন গায়ক, গীতিকাৰ, সুৰকাৰ আৰু শিল্পীক বিভিন্ন সুযোগ প্ৰদান কৰিছিল। তাৰ পিছত দেখা গৈছিল যে তেওঁৰ সৈতে কাম কৰাৰ সুযোগ লাভ কৰা এনে বহু নবীন শিল্পীৰ বাবে সেই সুযোগেই জীৱনৰ টাৰ্নিং পইণ্ট হৈ পৰিছিল। এজন সফল ব্যক্তিয়ে যদি আনৰ সফলতাৰ পথ মুকলি কৰে, তেন্তে তাৰ জৰিয়তেই তেওঁৰ মহানুভৱতাৰ কথা জানিব পাৰি। আমি জুবিনৰ পৰা তেখেতৰ এই মহানুভৱতাৰ কথা শিকিব পাৰোঁ। যুৱ সমাজে এই সহযোগিতামূলক মানসিকতা গ্ৰহণ কৰিলে সমাজত ইতিবাচক পৰিৱেশ সৃষ্টি হ'ব।

মানৱতাই তেওঁৰ আটাইতকৈ ডাঙৰ পৰিচয়ঃ

জুবিন গাৰ্গৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শিক্ষা হৈছে মানৱতা। আমি দেখিছিলো তেখেতে বহু সময়ত জাতি, ধৰ্ম, বৰ্ণ আদিৰ ঊৰ্দ্ধৰ্ত গৈ মানৱীয় মূল্যবোধৰ কথা কৈ আহিছিল। তেখেতৰ দৃষ্টিত আমাৰ সকলোৰে আটাইতকৈ ডাঙৰ পৰিচয়টো হৈছে আমি মানুহ। আজিৰ পৃথিৱীত বিভাজন, অসহিষ্ণুতা আৰু ঘৃণাৰ পৰিৱেশৰ মাজত এই মানৱতাবাদী দৃষ্টিভংগী বিশেষভাৱে প্ৰাসংগিক। যুৱ সমাজে যদি জুবিন গাৰ্গৰ এই মূল্যবোধ গ্ৰহণ কৰে, তেন্তে অধিক সহিষ্ণু আৰু সৌহাৰ্দ্যপূৰ্ণ সমাজ এখন গঢ়ি তোলা সম্ভৱ হৈ উঠিব পাৰে বুলি আশা কৰিব পাৰি।

জুবিন গাৰ্গ কেৱল এজন জনপ্ৰিয় গায়ক বা অভিনেতা নহয়। তেওঁ প্ৰতিভা, অধ্যৱসায়, সাহস, সমাজসেৱা, পৰিৱেশ-সচেতনতা, সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা আৰু মানৱতাৰ এক জীৱন্ত প্ৰতীক। তেওঁৰ জীৱন আৰু কৰ্মই দেখুৱাইছে যে এজন শিল্পীয়ে সমাজৰ ৰূপান্তৰত কিমান ডাঙৰ ভূমিকা পালন কৰিব পাৰে।

আজি অসমৰ যুৱ সমাজ বিভিন্ন প্ৰলোভন, বিভ্ৰান্তি আৰু প্ৰতিযোগিতাৰ মাজেৰে আগবাঢ়ি আছে। এই সময়ত জুবিন গাৰ্গৰ জীৱনৰ ইতিবাচক দিশসমূহৰ পৰা শিক্ষা লোৱাটো অত্যন্ত প্ৰয়োজনীয়। কঠোৰ পৰিশ্ৰম, নিজৰ সংস্কৃতিৰ প্ৰতি গৌৰৱবোধ, সমাজৰ প্ৰতি দায়বদ্ধতা, পৰিৱেশৰ প্ৰতি মমতা আৰু মানৱতাৰ আদৰ্শ- এই মূল্যবোধসমূহ যদি যুৱ সমাজে গ্ৰহণ কৰিব পাৰে, তেনে হ'লে জুবিন গাৰ্গ কেৱল এজন শিল্পী হিচাপে নহয়, এগৰাকী সঁচা আৰু প্ৰকৃত জীৱন-আদৰ্শ হিচাপেও আমাৰ মাজত চিৰস্মৰণীয় হৈ ৰখা সম্ভৱ হ'ব। এই দায়িত্ব পালন কৰিব লাগিব অসমীয়া যুৱ সমাজেই। যদি এয়া কৰাটো সম্ভৱ হৈ উঠে তেনে হ'লে সেয়াই হ'ব জুবিনৰ প্ৰতি আমাৰ শ্ৰেষ্ঠতম শ্ৰদ্ধাৰ্ঘ।

অসমীয়া সংগীতৰ আধুনিক পৰিভাষা আৰু জুবিন গাৰ্গ

অসমৰ সংগীত আৰু সাংস্কৃতিক উত্তৰাধিকাৰৰ ক্ষেত্ৰখনত আধুনিকতাৰ সংমিশ্ৰণ ঘটাই এক অভূতপূৰ্ব পৰিৱৰ্তন সূচনা কৰা স্বনামধন্য শিল্পীকুলৰ ভিতৰত জুবিন গাৰ্গ কেৱল এজন ব্যক্তি নহয়, তেওঁ হৈছে এক বৃহৎ আন্দোলন, এক স্বতঃস্ফূৰ্ত সাংস্কৃতিক ধুমুহা আৰু অসমীয়া আধুনিক সংগীতৰ যুগান্তকাৰী দিশ-নিৰ্ণয়ক। বিংশ শতিকাৰ নব্বৈৰ দশকৰ আৰম্ভণিতে ‘অনামিকা’ এলবামৰ যোগেদি তেওঁ যেতিয়া অগণন শ্ৰোতাৰ হৃদয়ত সাঁচ বহুৱাইছিল, তেতিয়াৰ পৰাই অসমীয়া সংগীত আৰু সাংস্কৃতিক মনস্তত্ত্বত এক নতুন সূৰ্যৰ উদয় হৈছিল। তেওঁৰ আগৰ সময়ছোৱাত অসমীয়া সংগীতত এটা সুকীয়া চুটি আবদ্ধ ধাৰা চলি আছিল, য'ত পৰম্পৰাগত ৰীতি-নীতি, বিহু, লোকসংগীত আৰু বৈষ্ণৱীয় সুৰৰ আধিপত্য আছিল যদিও তাৰ মাজত আধুনিক জগতখনৰ বিশ্বজনীন বৈচিত্ৰ্যক সামৰি লোৱাৰ স্থান আছিল সীমিত। জুবিন গাৰ্গে অতি সাহসিকতাৰে এই পৰম্পৰাগত সীমাৰেখা ভাঙি পেলালে আৰু পৰম্পৰাৰ গভীৰতা ধ্বংস নকৰাকৈ তাৰ মাজলৈ আনিলে এক বিশ্বজনীন আধুনিকতা। তেওঁ অসমীয়া শ্ৰোতাক চিনাকি কৰাই দিলে পপ, ৰক, ফিউজন, জ্যাজ, ক্লাছিকেল আৰু পাশ্চাত্য বাদ্যযন্ত্ৰৰ অভূতপূৰ্ব সংমিশ্ৰণৰ সৈতে। তেওঁৰ সুৰ আৰু গানৰ বৈচিত্ৰ্যই প্ৰমাণ কৰিলে যে অসমীয়া সংগীত কেৱল এক চমু পৰিসৰতে আবদ্ধ নহয়, বৰঞ্চ ইয়াৰ এক বিশ্বজনীন উচ্চতা আৰু সম্ভাৱনা আছে। লোকসংগীত বা বিহুক ৰক এৰিয়া বা আধুনিক অৰ্কেষ্ট্ৰেশ্বনৰে সজাই তুলি তেওঁ সমগ্ৰ নৱপ্ৰজন্মক পুনৰবাৰ নিজৰ জাতীয় শিপাৰ দিশে আকৃষ্ট কৰি আনিলে। অৰ্থাৎ, সুৰৰ সিপাৰে গৈ তেওঁ এনে এক আত্মিক আৰু সাংস্কৃতিময় সত্তা নিৰ্মাণ কৰিলে, যি সত্তাই একেলগে আধুনিক মনোভাৱকো আকোৱালি ল'লে আৰু পৰম্পৰাগত উত্তৰাধিকাৰকো নতুন ৰূপত সুৰক্ষিত কৰি ৰাখিলে। সংগীতৰ এই বৈপ্লৱিক পৰিৱৰ্তনৰ পাছত যেতিয়া জুবিন গাৰ্গৰ জীৱন আৰু অৱদানক বিদ্যালয়ৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰাৰ প্ৰসংগ উঠে, তেতিয়া ইয়াৰ গুৰুত্ব আৰু তাৎপৰ্য অনন্য হৈপৰে। পাঠ্যপুথিত জুবিনক ঠাই দিয়াৰ অৰ্থ হৈছে তেওঁ এজন কেৱল মনোৰঞ্জনকাৰী কণ্ঠশিল্পী নহয়, বৰঞ্চ তেওঁ হৈছে এখন সমাজৰ অৰ্ধ-শতিকাৰ সাংস্কৃতিক আৰু সামাজিক উত্থান-পতনৰ জীৱন্ত ইতিহাস। ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া শ্ৰেণীকোঠাত জুবিনৰ জীৱনী আৰু সুৰৰ সংগ্ৰাম পঢ়িব, তেতিয়া তেওঁলোকে কেৱল সংগীতৰ ইতিহাস পঢ়িবলৈ নাপাব, বৰঞ্চ কেনেকৈ এজন ব্যক্তিয়ে নিজৰ ভাষা, কৃষ্টি আৰু জাতিক বুকুত বান্ধি সাংস্কৃতিক স্বাতন্ত্ৰ্য বজাই ৰাখিব পাৰে, তাৰ এক জ্বলন্ত উদাহৰণ লাভ কৰিব। জুবিন গাৰ্গ কেৱল সুৰৰ সাধক নহয়, সমাজৰ যিকোনো অন্যায়, শোষণ আৰু সংকটৰ মুহূৰ্তত প্ৰথমশাৰীত থিয় দিয়া এক অনমনীয় আৰু সচ্ছল কণ্ঠ। দুৰ্যোগ-বিপদৰ সময়ত ৰাইজৰ কাষলৈ দৌৰি যোৱা তেওঁৰ সৰল আৰু উদাৰ ব্যক্তিত্বই প্ৰমাণ কৰে যে কলা কেৱল নান্দনিক উপভোগৰ বাবে নহয়, বৰঞ্চ কলা সমাজ পৰিৱৰ্তন আৰু মানৱীয় প্ৰমূল্যবোধ প্ৰতিষ্ঠাৰো এক অন্যতম শক্তিশালী মাধ্যম। সেয়েহে পাঠ্যপুথিত তেওঁৰ জীৱনীৰ অন্তৰ্ভুক্তি কেৱল এজন মানুহৰ পুৰস্কাৰ নহয়, বৰঞ্চ ই নৱপ্ৰজন্মক স্বজাতিৰ প্ৰতি মমতা, সৃষ্টিশীল সাহসিকতা, উদাৰ মানৱতা আৰু আত্মপ্ৰকাশৰ স্বাধীনতা শিকোৱাৰ এক মহৎ শিক্ষা সংগ্ৰহালয় হৈ পৰিব। সামগ্ৰিকভাৱে চাবলৈ গ'লে, জুবিন গাৰ্গ হৈছে এনে এক যোগসূত্ৰ যিয়ে অসমৰ বিশাল লোকসাংস্কৃতিক ঐতিহ্যক একবিংশ শতিকাৰ আধুনিক আৰু গোলকীয় জগতখনৰ সৈতে যুক্ত কৰিছে। তেওঁ অকল সংগীতৰ সুৰতে আধুনিকতা অনা নাছিল, বৰঞ্চ অসমীয়া সমাজখনক নিজৰ ভাষিক আৰু সাংস্কৃতিক পৰিচয়ক লৈ হীনমন্যতাত নোভোগাকৈ মুকলিমূৰীয়াকৈ গৰ্ব কৰিবলৈ শিকাইছিল। তেওঁৰ বিশাল সাংস্কৃতিক উত্তৰাধিকাৰ কোনো এটা গীত, এখন ছবি বা এখন এলবামতে সীমাবদ্ধ হৈ থকা নাই; ই সমগ্ৰ জাতিটোক এক সুকীয়া সাংস্কৃতিক গৌৰৱ দান কৰিছে আৰু ভৱিষ্যতৰ দিশ উন্মোচন কৰাত সাৰ-পানী যোগাইছে। এই সকলো দিশৰ আধাৰত বিশ্লেষণ কৰিলে স্পষ্ট হৈ পৰে যে জুবিন গাৰ্গ কেৱল সংগীত জগতৰ এজন জনপ্ৰিয় তাৰকা, তেওঁ হৈছে আধুনিক অসমীয়া সাংস্কৃতিক গাঁথনি নিৰ্মাণ কৰা এক অদ্বিতীয় কাণ্ডাৰী, এক যুগৰ প্ৰতিভূ আৰু অসমীয়া ইতিহাসৰ সোণালী পাতত স্ব-মহিমাৰে উজ্জ্বল হৈ থকা এক যুগান্তকাৰী অধ্যায়।

ৰাজু কলিতা
মাজুলী

জুবিনবিহীন এটা বছৰ

লগতে নিশালৈ ভাওনা প্ৰদৰ্শন কৰা হ'ব। এই তিনিদিনীয়া কাৰ্যসূচীয়ে শিল্পীগৰাকীৰ স্মৃতিক জীৱন্ত কৰি ৰখাৰ লগতে তেওঁৰ শিল্প-সাধনাক নতুন প্ৰজন্মৰ আগত উপস্থাপন কৰাৰ প্ৰয়াস কৰিছে। ইফালে, সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি 'পোহৰেৰে চাকি গছি' শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত সেইদিনা সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই বিষয়ে জানিব দি কয় যে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী তথা ৰাইজে সমবেত কণ্ঠত 'মায়াবিনী' গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯খন বিজেপি সাংগঠনিক জিলাত এই ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই শিবিৰসমূহে শিল্পীগৰাকীৰ স্মৃতিত মানৱতাৰ সেৱা আগবঢ়োৱাৰ লগতে ৰক্তৰ প্ৰয়োজন থকা ৰোগীক সহায় কৰাৰ উদ্দেশ্যে কাম কৰিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কাইলৈ প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত দলৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদকে জাৰি কৰা জাননী অনুসৰি স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এইদৰে বিভিন্ন সংগঠন আৰু ৰাজনৈতিক দলৰ সমান্তৰাল কাৰ্যসূচীয়ে জনতাৰ শিল্পীগৰাকীলৈ ৰাজ্যজুৰি গভীৰ শ্ৰদ্ধা আৰু ভালপোৱাৰ প্ৰতিফলন ঘটিৰূপে ধৰা দিছে।

উন্নয়নৰ প্ৰচুৰ সম্ভাৱনাৰে

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নহয়, সমগ্ৰ দক্ষিণ-পূৱ এছিয়াৰ বাণিজ্য আৰু যোগাযোগৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিব পাৰে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাই দ্ৰুত গতিত উন্নয়ন লাভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ ভৌগোলিক অৱস্থান আৰু বৰ্তমানৰ উন্নয়নৰ ধাৰাই ভাৰতৰ অৰ্থনীতিলৈ বৃহৎ পৰিৱৰ্তন আনিব পাৰে। কৌশলগত দিশৰ পৰাও অসম তথা উত্তৰ-পূৰ্বাঞ্চল অতি গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ সৈতে থকা যাতায়াত সংযোগৰ সুবিধাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমক যাতায়াতৰ হাবলৈ পৰিণত কৰা, যুৱ প্ৰজন্মক কাৰিকৰী আৰু কৌশলগত দক্ষতাৰে বিকশিত কৰা তথা তেওঁলোকক নতুন সুবিধা প্ৰদান কৰাটো সময়ৰ প্ৰয়োজন। অসমৰ জিএছডিপিৰ প্ৰসংগত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ২০২৫-২৬ চনত অসমৰ আনুমানিক জিএছডিপি ৭.৪৫ লাখ কোটি টকা বুলি অনুমান কৰা হৈছে, য'ত প্ৰকৃত জিএছডিপিৰ বৃদ্ধি ১০ শতাংশতকৈ অধিক হ'ব। আনহাতে ২০২৬-২৭ চনত আনুমানিক জিএছডিপি ৮.৭১ লাখ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। ২০২৫-২৬ চনত বৰ্তমান মূল্য অনুসৰি ৰাজ্যখনৰ জিএছডিপিৰ ৩৫.৬৪ শতাংশ ঔদ্যোগিক খণ্ডই লাভ কৰিব বুলি অনুমান কৰা হৈছে। এই পৰিসংখ্যাই দেখুৱাইছে যে ৰাজ্যৰ অৰ্থনৈতিক গাঁথনি ক্ৰমে শক্তিশালী হৈ উঠিছে আৰু উদ্যোগ ক্ষেত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। এডভাণ্টেজ অসম ২.0১ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে অসমে ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগ লাভ কৰিছে। ইয়াৰে,.প্ত লাখ কোটি টকা বিনিয়োগকাৰীয়ে একে বছৰতে বিনিয়োগ কৰিছে। এই বিনিয়োগৰ জৰিয়তে ৰাজ্যৰ অৰ্থনীতিত বৃহৎ পৰিৱৰ্তন আনাটো তেওঁলোকৰ লক্ষ্য। ২০২১ চনৰ পৰা বৰ্তমানলৈকেA৩, ৭০০ৰো অধিক নতুন উদ্যোগ স্থাপন হোৱাৰ ফলত প্ৰায় ১.১১ লাখ লোকে কৰ্মসংস্থাপন লাভ কৰিছে। এই তথ্যই অসমত উদ্যোগীকৰণ আৰু কৰ্মসংস্থাপনৰ নতুন ধাৰা সৃষ্টি হোৱাৰ ইংগিত দিছে। ছেমিকণ্ডাক্টৰ ক্ষেত্ৰত অসমে নতুন সুবিধা কঢ়িয়াই আনিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ৰাজ্যত প্ৰস্তুত কৰা অত্যাধুনিক ছেমিকণ্ডাক্টৰ উদ্যোগে উদ্যোগীকৰণৰ এক নতুন ধাৰা কঢ়িয়াই আনিছে। চলিত বৰ্ষৰ ডিচেম্বৰ মাহত টাটা ইলেকট্ৰনিকছে প্ৰায় ২৭ হাজাৰ কোটি টকাৰ ছেমিকণ্ডাক্ট উৎপাদনৰ বাবে প্লাণ্ট স্থাপন কৰিব। সম্ভৱত প্ৰতিদিনে ৪৮ মিলিয়ন চিপ অসমত উৎপাদন হ'ব আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰায় ২৭ হাজাৰ লোকে নিযুক্তি লাভ কৰিব। এই প্ৰকল্পই অসমক ভাৰতৰ উদীয়মান প্ৰযুক্তি আৰু ইলেকট্ৰনিত্‌সনিক্স উৎপাদন কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিব। শক্তি উৎপাদনৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমত ২০৩০ চনৰ ভিতৰত ছ হাজাৰ মেগাৱাট নৱীকৰণযোগ্য শক্তি উৎপাদন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ৰাজ্যখনত গ্ৰীণ হাইড্ৰজেন আৰু বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰাৰ যথেষ্ট সুবিধা আছে। সেয়ে চৰকাৰে নৱীকৰণযোগ্য শক্তি, শক্তি মজুতকৰণ আদি বিষয়ত বিশেষ গুৰুত্ব প্ৰদান কৰিব। নতুন নতুন উদ্ভাৱনে অসমৰ কৃষি ক্ষেত্ৰখনৰ পৰা উদ্যোগিক ক্ষেত্ৰলৈ ব্যাপক পৰিৱৰ্তন আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আই চি চি গ্ল'বেল বিজনেছ ছামিটৰ দৰে মঞ্চক উত্তৰ-পূৰ্বাঞ্চলৰ সম্ভাৱনা বিশ্বৰ আগত উপস্থাপন কৰাৰ এক মূল্যৱান সুযোগ হিচাপে অভিহিত কৰে। তেওঁ কয় যে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নে ভাৰতৰ সামগ্ৰিক অৰ্থনৈতিক প্ৰগতিক নতুন গতি প্ৰদান কৰিব। সেউজ প্ৰাকৃতিক সম্পদ, মানৱ সম্পদ, কৃষি, পৰ্যটন, হস্তশিল্প, তথ্যপ্ৰযুক্তি আৰু নৱীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত থকা অপৰিসীম সম্ভাৱনাৰ বাবে উত্তৰ-পূৰ্বাঞ্চল এতিয়া ভাৰতৰ এক ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ সপোন বাস্তৱায়িত কৰাৰ এক শক্তিশালী অংশীদাৰ হৈ পৰিছে।

বানপীড়িতৰ ন্যায়ৰ দাবীত

মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত সাক্ষাৎ কৰি পৰিস্থিতিৰ গভীৰতা সম্পৰ্কে বুজাবলৈ চেষ্টা কৰিছে। কিন্তু তেওঁৰ মতে, মন্ত্ৰীসকলে কেৱল চৰকাৰী বিষয়া আৰু দলীয় কৰ্মীৰ কথাহে শুনে; ৰাইজৰ মুখৰ পৰা প্ৰকৃত সমস্যা নুশুনে। সেয়েহে বানপীড়িত অঞ্চলৰ মানুহৰ দুখ-বেদনা প্ৰকৃত অৰ্থত উপলব্ধি কৰিব পৰা নাই। তেওঁ মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে যে আটাইতকৈ ক্ষতিগ্ৰস্ত নাজিৰা সমষ্টিৰ বানপীড়িত গাঁৱত দুদিন আৰু শিৱসাগৰ সমষ্টিৰ আটাইতকৈ ক্ষতিগ্ৰস্ত গাঁৱত দুদিন কটাই গাঁওবাসীৰ সৈতে বাৰ্তালাপ কৰক। তেতিয়াহে সৰ্বস্ব হেৰুওৱাৰ প্ৰকৃত বেদনা উপলব্ধি কৰিব পাৰিব। অখিল গগৈয়ে ১৯ জুলাইৰ বানপানীৰ ভয়াৱহতা বৰ্ণনা কৰি কয় যে সেই নিশা শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ হাজাৰ হাজাৰ পৰিয়ালৰ বাবে কেৱল বাৰিষাৰ ঢল নাছিল, সেয়া আছিল এক অমানিশা। হঠাতে অহা উত্তাল-উচ্ছল পানীৰ ঢলে নিমিষতে মানুহৰ জীৱনজোৰা সঞ্চয়, সপোন আৰু অস্তিত্ব মোহাৰি পেলালে। গোহালিৰ গৰু-ছাগলী, গাহৰি, পদূলিৰ হাঁহ-মুৰ্গী পানীৰ মাজত উটুৱাই লৈ যাওঁতে গৃহস্থই কেনেদৰে হাহাকাৰ কৰিছিল, সেয়া শব্দৰে প্ৰকাশ কৰা অসম্ভৱ। তেওঁ লগতে কয় যে কেইবা দশক ধৰি ঘাম পেলাই সংগ্ৰহ কৰা ঘৰৰ কাঠৰ আচবাব, টিভি, ফ্ৰিজ, আলমিৰা, ইনভাৰ্টাৰ, ইলেকট্ৰনিক সামগ্ৰী, বিছনা, কাপোৰ-কানি, ৰন্ধা-বঢ়াৰ কেৰাহী-চৰু আদি বোকাপানীৰ বুকুত জাহ গ'ল। শস্যৰে ভৰি থকা ভঁৰালৰ ধান পচি গ'ল, ভঁৰালতে কঠীয়া গজিল, বাৰীৰ কল, শাক-পাচলি, জালুক-পাণৰ গছ মৰি শেষ হ'ল। মটৰচাইকেল, স্কুটী, গাড়ী বোকা আৰু পানীত ডুব গৈ অচল হৈ পৰিল। মানুহৰ হাতত পিন্ধি থকা কাপোৰযোৰৰ বাহিৰে একো বাকী নাই। শিশুৰ পঢ়া টেবুলখন উটি গ'ল, আইতাৰ চোতালৰ তুলসীজোপাও বানে উটুৱাই নিলে। মাহঁতৰ সাঁচতীয়া পাটৰ কাপোৰ, মুগাৰ মেখেলা কেইযোৰাও শেষ হ'ল। চকুৰ আগতে জীৱনজোৰা ঘামৰ ফচল এনেদৰে ধ্বংস হৈ যোৱা দেখি মানুহবোৰ আজি বাকৰুদ্ধ, চকুত কেৱল চকুলো আৰু হাহাকাৰ। অখিল গগৈয়ে অভিযোগ কৰে যে এই দুৰ্যোগ কেৱল প্ৰাকৃতিক নাছিল। নাগালেণ্ডৰ ওখ পাহাৰত পৰিকল্পিতভাৱে চলোৱা অবৈধ কয়লাখনন, দিখৌৰ দুয়ো পাৰে জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁই আৰু সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ শিলখনন, নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁইৰ দিখৌৰ পাৰত শিলখনন, মথাউৰি নবন্ধোৱা আৰু চৰকাৰৰ সামগ্ৰিক দুৰ্যোগ ব্যৱস্থাপনা নথকাটো এই ভয়াৱহ পৰিণতিৰ কাৰণ। ১০৫ জনৰ মৃত্যুতে এই দুৰ্যোগৰ পৰিণতি সীমিত নহয় বুলি তেওঁ মন্তব্য কৰে। তেওঁৰ মতে, এই মহাপ্ৰলয়ৰ আঁৰত থকা দুৰ্নীতিৰ উচ্চ পৰ্যায়ৰ চিবিআই তদন্ত ঘোষণা কৰিব লাগে। জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁইক মন্ত্ৰীসভাৰ পৰা বৰ্খাস্ত কৰি বিধায়ক ময়ূৰ বৰগোহাঁই আৰু ধৰ্মেশ্বৰ কোঁৱৰক তদন্তৰ আওতালৈ আনিব লাগে। লগতে বিধানসভাৰ সকলো দলৰ প্ৰতিনিধিক লৈ এখন সৰ্বদলীয় বিধানসভা তদন্তকাৰী কমিটী গঠন কৰি অবৈধ খনি-শিল খনন আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ বিফলতাৰ বস্তুনিষ্ঠ অনুসন্ধান কৰিব লাগে। তেওঁ দাবী জনাইছে যে বান-সাহায্য পাবলৈ বাকী থকা তিনিখন জিলাৰ প্ৰতিটো পৰিয়ালক ১৫, ০০০ টকাকৈ জৰুৰী সাহায্য আৰু চ্ছ ছেপ্তেম্বৰৰ পূৰ্বে শিৱসাগৰ-চৰাইদেউৰ পৰিয়ালক প্ৰতিশ্ৰুত অতিৰিক্ত ১০, ০০০ টকা প্ৰদান সুনিশ্চিত কৰিব লাগে। বৰ্তমানৰ পুৰণি ক্ষতিপূৰণ মেনুৱেল সংশোধন কৰি ASDMA1 "Handbook on Financial Assistance During Disaster" নতুন কৰি খৰতকীয়া চাৰ্ভেৰে ক্ষতিৰ ভিত্তিত প্ৰতিটো পৰিয়াললৈ সৰ্বনিম্ন ১০, ০০, ০০০ টকাৰ পুনৰসংস্থাপন ক্ষতিপূৰণ দিয়াটো প্ৰয়োজন। ব্যৱসায়িক প্ৰতিষ্ঠানলৈ CM/PM Relief Fundৰ পৰা ১০ লাখ টকালৈকে সাহায্য, ক্ষতিগ্ৰস্ত যান-বাহন, বাৰীৰ পাণ-জালুক-সাঁচিগছ, ক্ষুদ্ৰ চাহ বাগিচা, পশুধন, মুৰ্গী, গাহৰি, ছাগলী, ফিছাৰী আদিৰ ক্ষতিপূৰণ যুগ-সাপেক্ষভাৱে বৃদ্ধি কৰি কাৰ্যকৰী কৰিব লাগে। মুৰ্গী-গাহৰি-ছাগলীৰ প্ৰফেছনেল ফাৰ্মসমূহকো যথোপযুক্ত ক্ষতিপূৰণ দিব লাগে। স্থায়ী বান প্ৰতিৰোধৰ ক্ষেত্ৰত তেওঁ কয় যে দিখৌ, দিচাং, জাঁজী আৰু দৰিকা নদীক লৈ এক বিস্তৃত জলবিজ্ঞান অধ্যয়ন চলাই চৰকাৰে এক "জলসম্পদ শ্বেতপত্ৰ" প্ৰকাশ কৰিব লাগে। তিনিখন জিলাৰ ব্ৰহ্মপুত্ৰ নদীকে ধৰি আন নদীৰ মথাউৰিসমূহ আধুনিক প্ৰযুক্তিৰে স্থায়ীভাৱে মেৰামতি কৰিব লাগে। বিশেষকৈ নাজিৰাৰ নেপালীখুঁটি অঞ্চলৰ দিখৌত মথাউৰি নিৰ্মাণ কৰিব লাগে। নদীৰ গভীৰতা বৃদ্ধি কৰাৰ লগতে নাগালেণ্ডৰ কয়লাখনন আৰু দিখৌৰ পাৰত অসমৰ শিলখনন সম্পূৰ্ণ বন্ধ কৰিব লাগে। ঐতিহাসিক শিৱসাগৰ-চৰাইদেউৰ পুৰাতাত্ত্বিক ঐতিহ্য সুৰক্ষাৰ বাবে বিশেষ বান প্ৰতিৰোধ আঁচনি ল'ব লাগে। লগতে অতিশয় ক্ষতিগ্ৰস্ত শিৱসাগৰ, নাজিৰা, মৰিয়নি, ডিমৌ, সোণাৰী, মাহমৰা সমষ্টিসমূহৰ ধ্বংসপ্ৰাপ্ত ৰাস্তা-পদূলি, দলং আদিৰ নিৰ্মাণ আৰু মেৰামতিৰ বাবে ক্ষিপ্ৰ আৰু সময়সীমা-বান্ধি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰক বানপানী মুক্ত কৰিবলৈ নগৰখনৰ বাবে সামগ্ৰিক নলা-নৰ্দমাৰ নিৰ্মাণৰ বিশেষ আঁচনি ল'ব লাগে। ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠানৰ বিষয়ত তেওঁ কয় যে ক্ষতিগ্ৰস্ত কলেজ, বিদ্যালয় আৰু অংগনবাড়ী কেন্দ্ৰসমূহৰ বাবে থতুণ্ডুই দিয়া ২০ কোটি টকা অনতিবিলম্বে মুকলি কৰি দিব লাগে, যাতে ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি পুনৰ নিৰ্মাণ কৰিব পাৰি। কিন্তু এই কামসমূহত শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰীজনে বিজেপিৰ দলীয় কাৰ্যকৰ্তাক ঠিকাদাৰী কৰিবলৈ দিয়াৰ যি পৰিকল্পনা কৰিছে, সেইটো কঠোৰভাৱে বন্ধ কৰি দিব লাগে। তেওঁ দাবী জনাইছে যে তিনিখন জিলাৰ বানবিধ্বস্ত প্ৰতিটো পৰিয়ালৰ এগৰাকীকৈ মহিলাক অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰি অহা এবছৰলৈ নিয়মীয়া অৰুণোদয় ধনৰ পৰিমাণতকৈ দুগুণ অৰ্থাৎ ২, ৫০০ টকাকৈ মাহে আঁচনিৰ ধন দিয়াৰ ব্যৱস্থা কৰিব লাগে। শেষত অখিল গগৈয়ে জনাইছে যে এই সৰ্বস্বান্ত ৰাইজৰ ন্যায়ৰ দাবীত অহা ২৩ ছেপ্তেম্বৰত প্ৰলয়পীড়িত তিনিখন জিলাৰ ৫, ০০০ ৰো অধিক নাগৰিকে ৰাইজৰ দলৰ উদ্যোগত গুৱাহাটীলৈ আহি এক প্ৰতিবাদী সমাৱেশ আয়োজন কৰিছে। তেওঁ মুখ্যমন্ত্ৰীলৈ বিশেষ অনুৰোধ জনাইছে যে তেওঁ নিজে সশৰীৰে সেই প্ৰতিবাদস্থলীত উপস্থিত হৈ ৰাইজক সাক্ষাৎ কৰক আৰু তেওঁলোকৰ মনৰ ভাব আৰু আৰ্তনাদৰ বুজ লওক। অথবা, তেওঁ সেই সৰ্বস্বান্ত ৰাইজক জনতা ভৱনৰ সন্মুখলৈ অহাৰ অনুমতি দিয়ক আৰু নিজে কাৰ্যালয়ৰ পৰা ওলাই আহি ৰাইজৰ সমস্যাৰ প্ৰত্যক্ষ বুজ লওক। তেওঁ নিশ্চয়তা দিছে যে প্ৰতিবাদকাৰী ৰাইজে মুখ্যমন্ত্ৰীৰ প্ৰতিটো কথা অত্যন্ত নীৰৱে শুনিব, নিজৰ দুখ-বেদনা অতি সশ্ৰদ্ধাৰে ক'ব আৰু তেওঁক ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিব। ৰাইজৰ চকুৰ পানী আৰু এই আৰ্তনাদক আওকাণ নকৰি চৰকাৰে অতি শীঘ্ৰে এক দায়িত্বশীল আৰু সংবেদনশীল পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ আশা ৰাখিছে।

নগাঁও লোকসভা উপ-নিৰ্বাচনত

মনোনয়ন বৈধ বিবেচিত হোৱা বুলি জানিব পৰা গৈছে। বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। একেদৰে এআইইউডিএফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলৰ মনোনয়নও বৈধ বিবেচিত হৈছে। কংগ্ৰেছৰ প্ৰাৰ্থী শিৰামণি বৰাৰ মনোনয়নো পৰীক্ষাৰ পিছত বৈধ ঘোষণা কৰা হৈছে। এই তিনিগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ হোৱাৰ ফলত নগাঁও লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতা অধিক আকৰ্ষণীয় হৈ পৰিছে। জানিব পৰা মতে, মুঠ ২৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত বাকী ৭ গৰাকীৰ মনোনয়ন বৈধতা লাভ কৰা নাই। মনোনয়ন পত্ৰ পৰীক্ষাৰ সময়ত নিয়ম অনুসৰি দাখিল কৰা নথিপত্ৰ, তথ্য আৰু আনুষ্ঠানিক চৰ্তসমূহ পৰীক্ষা কৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৈধ ঘোষিত প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত প্ৰাৰ্থী তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব। ইফালে, প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন হিচাপে ১৯ ছেপ্তেম্বৰ, ২০২৬ চন নিৰ্ধাৰণ কৰা হৈছে। যিসকল প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰি যাব বিচাৰে, তেওঁলোকে এই দিনটোৰ ভিতৰত নিজৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব পাৰিব। প্ৰত্যাহাৰৰ অন্তিম সময়সীমা শেষ হোৱাৰ পিছত চূড়ান্ত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব আৰু সেই অনুসৰি নিৰ্বাচনী প্ৰক্ৰিয়া আগবাঢ়িব। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত সংখ্যালঘু ভোটাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া হোৱাৰ বাবে এই সমষ্টিৰ নিৰ্বাচনী যুঁজ ৰাজনৈতিকভাৱে বিশেষ তাৎপৰ্যপূৰ্ণ হৈ পৰিছে। বিজেপি, কংগ্ৰেছ আৰু এআইইউডিএফৰ প্ৰাৰ্থীসকলৰ মনোনয়ন বৈধ হোৱাৰ পিছত তিনিওটা দলে নিজৰ নিৰ্বাচনী প্ৰচাৰ আৰু জনসংযোগ কাৰ্যসূচী অধিক সক্ৰিয়ভাৱে আৰম্ভ কৰিছে। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন পাৰ হোৱাৰ পিছত চূড়ান্ত প্ৰতিদ্বন্দ্বিতাৰ চিত্ৰ স্পষ্ট হ'ব বুলি ৰাজনৈতিক মহলে মত প্ৰকাশ কৰিছে।

হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশতে কংগ্ৰেছে শিৰামণি

সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপিছে, সিমানেই এই সমষ্টিৰ নিৰ্বাচনী যুঁজ ৰাজনৈতিকভাৱে অধিক আকৰ্ষণীয় হৈ পৰিছে। মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছতে ভোটাৰ ৰাইজৰ ওচৰলৈ গৈ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে প্ৰচাৰ আৰম্ভ কৰিছে। বিশেষকৈ সংখ্যালঘু ভোটাৰৰ সংখ্যাগৰিষ্ঠতা থকা নগাঁও লোকসভা সমষ্টিত এইবাৰ প্ৰচাৰৰ কেন্দ্ৰবিন্দু হৈ পৰিছে সংখ্যালঘু ভোটাৰ। সমষ্টিটো দখলৰ বাবে কংগ্ৰেছ, বিজেপি আৰু এআইইউডিএফৰ প্ৰাৰ্থীসকলে যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছে। এআইইউডিএফৰ প্ৰাৰ্থী মৌলানা বদৰুদ্দিন আজমলে মনোনয়ন দাখিল কৰাৰ পিছতেই সংখ্যালঘু জনতাৰ কাষ চাপিছে। শুকুৰবাৰে তেওঁ সংখ্যালঘু অধ্যুষিত ধিং আৰু লাহৰীঘাট বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে। এই সময়ত তেওঁ মৈৰাবাৰী জামিয়া মছজিদত জুম্মাৰ নামাজ আদায় কৰি ইছলাম ধৰ্মাৱলম্বী লোকসকলক সাক্ষাৎ কৰে আৰু সংখ্যালঘু ভোটাৰৰ সৈতে মৰমৰ সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা কৰে। ইপিনে বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ লগতে কংগ্ৰেছৰ প্ৰাৰ্থী শিৰামণি বৰায়ো নিজৰ নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। সংখ্যালঘু ভোটাৰৰ একাংশই এইবাৰ বিজেপিৰ কাষ চপাৰ প্ৰসংগত সাংবাদিকসকলে সোধা প্ৰশ্নৰ উত্তৰত বদৰুদ্দিন আজমলে কয় যে তেওঁ প্ৰাৰ্থী হোৱাৰ পূৰ্বে সংখ্যালঘু ভোটাৰসকল বিজেপিৰ কাষ চাপিছিল; কিন্তু তেওঁ অহাৰ পাছত সংখ্যালঘুসকল তেওঁৰ কাষ চাপিছে। তেওঁ মন্তব্য কৰে যে বহুত দুখীয়া লোকে পইচাৰ লোভত বিজেপিৰ ওচৰলৈ গৈছে। কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ বিষয়ে উল্লেখ কৰি আজমলে কয় যে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে হিমন্ত বিশ্ব শৰ্মাই দুগৰাকী প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে আৰু হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশতে কংগ্ৰেছে শিৰামণি বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। উল্লেখ্য, সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিবলগীয়া নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ, বিজেপি আৰু এআইইউডিএফ তিনিওটা দলেই সংখ্যালঘু ভোটাৰক আকৰ্ষণ কৰিবলৈ সক্ৰিয় হৈ পৰিছে। এই তিনিগৰাকী প্ৰাৰ্থীৰ মাজৰ যুঁজখনেই এতিয়া সমগ্ৰ ৰাজ্যৰ ৰাজনৈতিক মহলত চৰ্চাৰ বিষয় হৈ পৰিছে।

বিশ্ব বাঁহ দিৱসত অসমৰ জীৱিকা, দক্ষতা

ব্যৱহৃত সামগ্ৰীৰ পৰা আৰম্ভ কৰি নতুন উদ্যোগলৈকে বাঁহে জনসাধাৰণৰ বাবে নতুন সুযোগ সৃষ্টি কৰি আহিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, "বিশ্ব বাঁহ দিৱসত আমি এই কথা উদযাপন কৰোঁ যে বাঁহে কেনেদৰে সমগ্ৰ অসমত দক্ষতা, জীৱিকা, উদ্যোগীকৰণ আৰু বহনক্ষম বৃদ্ধিৰ নতুন পথত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।" ইফালে, অসমৰ বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিশ্ব বাঁহ দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি সামাজিক মাধ্যমত কয় যে অসমৰ সমাজ জীৱনত বাঁহৰ প্ৰয়োজনীয়তা অসীম। ঘৰৰ চোতালৰ পৰা শিল্পীৰ হাতলৈকে বাঁহে যুগে যুগে মানুহৰ প্ৰয়োজন পূৰণ কৰি আহিছে। কিন্তু এই পৰম্পৰাগত সম্পদৰ সম্ভাৱনা ইয়াতে শেষ নহয়। আধুনিক প্ৰযুক্তি, নতুন সামগ্ৰী আৰু সৃষ্টিশীল উদ্যোগত বাঁহৰ প্ৰয়োগে স্থানীয় জীৱিকা আৰু বহনক্ষম অৰ্থনীতিৰ বাবে নতুন দুৱাৰ মুকলি কৰিব পাৰে। তেওঁ মন্তব্য কৰে যে পৰম্পৰাৰ শিপাৰ পৰা আধুনিক সম্ভাৱনাৰ দিগন্তলৈ বাঁহ অসমৰ নতুন অৰ্থনৈতিক শক্তিৰ পৰিচয় হৈ পৰিব। নাগালেণ্ডৰ মন্ত্ৰী টেমজেন ইমনা আলঙে নিজৰ এক্স হেণ্ডেলত লিখিছে যে সাতবাৰ পৰি আঠবাৰ থিয় হোৱাটোৱেই জীৱনৰ শিক্ষা। বাঁহে দেখুৱায় যে পৰি যোৱাতকৈ বেঁকা হৈও থিয় হোৱাটো বেছি জৰুৰী। তেওঁ কয় যে উত্তৰ-পূৱ ভাৰতৰ বাঁহ কেৱল এবিধ উদ্ভিদ নহয়; ই ঘৰ, আচবাব, ঝাড়ু, মেট আৰু অসংখ্য হস্তশিল্পৰ লগত জড়িত। বহু সমুদায়ৰ বাবে বাঁহ হৈছে দক্ষতা, জীৱিকা আৰু পৰম্পৰাৰ উৎস। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে কয় যে তেওঁলোকৰ ৰাজ্যত বাঁহ কেৱল এবিধ উদ্ভিদ নহয়; ই ঘৰ, হস্তশিল্প, পৰম্পৰা, জীৱিকা আৰু বনাঞ্চলৰ সৈতে থকা সম্পৰ্কৰ অংশ। তেওঁ বাঁহক এই মাটিৰ "সেউজ সোণ" বুলি অভিহিত কৰে। বিশ্ব বাঁহ দিৱস উপলক্ষে তেওঁ বাঁহৰ কালজয়ী মূল্য স্বীকাৰ কৰি পুৰুষানুক্ৰমে চলি অহা জ্ঞান আৰু কাৰুকাৰ্য সংৰক্ষণৰ লগতে ইয়াৰ বহনক্ষম ব্যৱহাৰ প্ৰসাৰৰ আহ্বান জনায়। উল্লেখ্য, বাঁহ অসমৰ অন্যতম প্ৰাকৃতিক সম্পদ। দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰীৰ পৰা গৃহসজ্জালৈ, আনকি কাগজ উৎপাদনলৈকে বাঁহৰ গুৰুত্ব অপৰিসীম। অসমত বাঁহৰ প্ৰাচুৰ্যৰ বাবে কাগজ কল গঢ়ি উঠিছিল; সময়ৰ পৰিৱৰ্তনত সেই উদ্যোগ বন্ধ হ'লেও কুটীৰ শিল্পত বাঁহৰ ব্যৱহাৰ এতিয়াও জীয়াই আছে। গ্ৰামাঞ্চলৰ বহু লোকে পাচি, খৰাহী, ডলা, কুলা, বিছনী, ঢাৰি আদি বাঁহৰ পৰা নিৰ্মাণ কৰি জীৱিকা নিৰ্বাহ কৰি আহিছে। কৃষি সঁজুলি যেনে নাঙলৰ ইহ, যুঁৱলি; মাছ ধৰাৰ সঁজুলি যেনে জাকৈ, খালৈ, পল, জুলুকী, চেপা, খোকা, বৰশীদাৰি আদিও বাঁহেৰে তৈয়াৰ কৰা হয়। আজি বহু যুৱক-যুৱতীয়ে আধুনিক আৰ্হিৰ বাঁহৰ আচবাব আৰু গৃহসজ্জাৰ সামগ্ৰী প্ৰস্তুত কৰি আছে। শেহতীয়াকৈ অসমৰ বাঁহশিল্পই ভৌগোলিক ইংগিত (জি.আই) টেগ লাভ কৰিবলৈ সক্ষম হৈছে, যিয়ে বহু পৰিয়ালক আৰ্থিকভাৱে স্বাৱলম্বী হোৱাত সহায় কৰিছে। লোকবিশ্বাসত কোৱা হয়, "ঘৰৰে কাষৰে জাঁতিবাঁহ এজুপি সিয়ো মোৰ সোদৰৰ ভাই, জীয়াই থাকোঁ মানে কৰোঁ কাঠি-কামি মৰিলে লগতে যায়।" অৰ্থাৎ জীৱনৰ পৰা মৃত্যুলৈকে বাঁহ মানুহৰ বাবে অপৰিহাৰ্য হৈ আহিছে। ইয়াৰ লগতে অসমৰ বাঁহে এতিয়া ৰাজপথতো নতুন যাত্ৰা আৰম্ভ কৰিবলৈ সাজু হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম 'এক্স'ত জনোৱা অনুসৰি অসমৰ বাঁহেৰে নিৰ্মিত চাইকেল চ অক্টোবৰত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰণ্টত মুকলি কৰা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বীকৃতি স্বৰূপে অসমৰ বাঁহে নতুন মাত্ৰা লাভ কৰিছে। ৰাজ্যত বাঁহভিত্তিক উদ্ভাৱন, বহনক্ষম গতিশীলতা আৰু সেউজ উদ্যোগক প্ৰসাৰিত কৰাৰ লক্ষ্যৰে অসমে নতুন যাত্ৰা আৰম্ভ কৰিছে। এই পদক্ষেপে স্থানীয় সম্পদক আধুনিক প্ৰযুক্তি আৰু ডিজাইনৰ সৈতে সংযোগ কৰি ৰাজ্যৰ অৰ্থনীতিত নতুন সম্ভাৱনা সৃষ্টি কৰাৰ আশা জন্মাইছে। মুখ্যমন্ত্ৰীয়ে সকলো চাইকেলিং অনুৰাগীক চ অক্টোবৰৰ পৰা ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰণ্টত অসমৰ বাঁহৰ এই উদ্ভাৱনৰ অভিজ্ঞতা ল'বলৈ আহ্বান জনাইছে। এই উদ্যোগে পৰিৱেশ অনুকূল পৰিবহণ ব্যৱস্থাক আগবঢ়াই নিয়াৰ লগতে যুৱ প্ৰজন্মৰ বাবে নতুন দক্ষতা আৰু উদ্যোগৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য, অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বাঁহ বহুলভাৱে উপলব্ধ। হস্তশিল্প, আচবাব নিৰ্মাণ আৰু অন্যান্য মূল্য সংযোজিত উদ্যোগত বাঁহৰ ব্যৱহাৰ দীৰ্ঘদিন ধৰি চলি আহিছে। বাঁহৰ চাইকেল পদক্ষেপে সমসাময়িক ডিজাইন আৰু উৎপাদন পদ্ধতিৰ সৈতে স্থানীয় সম্পদৰ সংমিশ্ৰণ ঘটোৱা সামগ্ৰী বিকশিত কৰাৰ সম্ভাৱনাক আৰু অধিক উজ্জ্বল কৰি তুলিছে। বিশ্লেষকসকলৰ মতে, এই পদক্ষেপে অসমৰ বাঁহশিল্পক এক নতুন পৰিচয় প্ৰদান কৰাৰ লগতে বহনক্ষম বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনৰ ভূমিকা শক্তিশালী কৰিব। সেয়ে বিশ্ব বাঁহ দিৱসে অসম আৰু উত্তৰ-পূৱ ভাৰতত বাঁহক কেন্দ্ৰ কৰি দক্ষতা, উদ্যোগ, জীৱিকা আৰু বহনক্ষম অৰ্থনীতিৰ নতুন যাত্ৰাৰ সূচনা কৰিছে বুলি ক'ব পাৰি।

পাকিস্তানৰ খাইবাৰ পখতুনখোৱাত

লোক নিহত হোৱাৰ লগতে ৫০ জনতকৈ অধিক লোক আহত হৈছে। আৰক্ষী বিষয়াসকলে জনোৱা মতে, বিস্ফোৰণটো প্ৰদেশখনৰ কোহাত জিলাৰ পুৰণি পুলিচ লাইনৰ ওচৰত অৱস্থিত এখন মছজিদত সংঘটিত হয়। জুম্মাৰ নামাজৰ সময়তে মছজিদটোৰ ভিতৰত এই বিস্ফোৰণ ঘটে। জানিব পৰা অনুসৰি, বিস্ফোৰকৰে ভৰ্তি এখন বাহনে পুৰণি আৰক্ষী লাইনৰ গেটত খুন্দা মাৰে। বাহনখনৰ সংঘৰ্ষৰ পিছতেই তীব্ৰ বিস্ফোৰণটো সংঘটিত হয়। বিস্ফোৰণ ইমানেই শক্তিশালী আছিল যে মছজিদৰ বাহিৰত এটা ডাঙৰ গাঁতৰ সৃষ্টি হয়। মছজিদৰ বাহিৰৰ অংশ যথেষ্ট ক্ষতিগ্ৰস্ত হোৱাৰ লগতে এখন দেৱালো ভাঙি পৰে। ঘটনাস্থলীত তৎক্ষণাৎ উদ্ধাৰকাৰী দল উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। ৰেছকিউ ১১২২ খাইবাৰ পখতুনখোৱাৰ মুখপাত্ৰ বিলাল আহমেদ ফৈজীয়ে জনোৱা মতে, খবৰ পোৱাৰ পিছতেই উদ্ধাৰকাৰী দলসমূহ ঘটনাস্থলীত উপস্থিত হয় আৰু উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। তেওঁ লগতে জনায় যে এই বিস্ফোৰণত বহু লোক আঘাতপ্ৰাপ্ত হৈছে আৰু তেওঁলোকক প্ৰাথমিক চিকিৎসাৰ বাবে ওচৰৰ হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। উদ্ধাৰকাৰী দলসমূহ এতিয়াও ঘটনাস্থলীত উপস্থিত থাকি পৰিস্থিতিৰ বুজ লৈ আছে। এতিয়ালৈকে কোনো উগ্ৰপন্থী সংগঠনে এই বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও বিস্ফোৰণৰ সঠিক কাৰণ আৰু জড়িতসকলৰ বিষয়ে এতিয়ালৈকে স্পষ্ট তথ্য প্ৰকাশ কৰা হোৱা নাই। এই ঘটনাই অঞ্চলটোত এক গভীৰ শোক আৰু আতংকৰ পৰিৱেশ সৃষ্টি কৰিছে।

মুখ্যমন্ত্ৰীৰ আগমনৰ পূৰ্বে মধুপুৰ

এই ৪৮ বিঘা মাটি পূৰ্বে মধুপুৰ অঞ্চলৰ ৰাইজক খেতি কৰিবলৈ দিয়া হৈছিল। সেই বিনিময়ত ৰাইজে সত্ৰলৈ কিছু উৎপাদিত সামগ্ৰী আৰু আৰ্থিক অনুদান আগবঢ়াইছিল। কিন্তু যোৱা কিছু বছৰ ধৰি পূৰ্বৰ চুক্তি অনুসৰি কোনো সামগ্ৰী বা আৰ্থিক অনুদান দিয়া নাই। ফলস্বৰূপে মাটিখিনি এতিয়া সত্ৰৰ অধীনৰ পৰা ওলাই যোৱাৰ উপক্ৰম হৈছে। বৰ্তমান প্ৰকৃত ৰূপত সত্ৰৰ হাতত ১৬ বিঘা মাটিহে আছে। লগতে বিবৃতিত কোৱা হয় যে গুৰুজনাই ভক্তসকলৰ সুবিধাৰ্থে নিৰ্মাণ কৰা ঐতিহাসিক পুখুৰী পশ্চিম বংগৰ পূৰ্বৰ চৰকাৰৰ দিনত পঞ্চায়তৰ অধীনলৈ নিয়া হৈছিল। ইয়াৰ বাবে সত্ৰখনে প্ৰতি বছৰে প্ৰায় ৫ লাখ টকা হেৰুৱাব লগীয়া হৈছে। আনহাতে, নিৰ্মাণ কাৰ্য আৰম্ভ হোৱা সংগ্ৰহালয়টোৰ কাম পুঁজিৰ অভাৱত বৰ্তমান বন্ধ হৈ আছে। ইয়াৰ পৰিণতিত সত্ৰত ৰখা গুৰু দুজনাৰ সাঁচিপাত আৰু আন বহুমূলীয়া সম্পদ হৰণ-ভগন হোৱাৰ লগতে ঐতিহ্যপূৰ্ণ সম্পদসমূহ ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা সৃষ্টি হৈছে। সত্ৰত থকা গুৰুজনাৰ অস্থিখিনিও এটা বাকচত ৰাখিব লগা অৱস্থা হৈছে। ইয়াৰ উপৰিও অসম চৰকাৰৰ পৰ্যটন বিভাগে নিৰ্মাণ কৰা অতিথি গৃহটো প্ৰয়োজনীয় মেৰামতি আৰু তদাৰকৰ অভাৱত ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হোৱা অতিথি গৃহকেইটাও উপযুক্ত তদাৰকৰ অভাৱত লাহে লাহে নষ্ট হৈছে। এনে পৰিস্থিতিত সমন্বয় ৰক্ষী সমিতিয়ে মুখ্যমন্ত্ৰীৰ মধুপুৰ সত্ৰ পৰিদৰ্শনৰ পদক্ষেপক আদৰণি জনাইছে আৰু সত্ৰখনৰ সৰ্বাংগ বিকাশৰ বাবে গ্ৰহণ কৰা উদ্যোগক স্বাগত জনাইছে। সমিতিয়ে লগতে মধুপুৰ সত্ৰৰ সৈতে সংপৃক্ত উত্তৰ বংগৰ প্ৰায় ৰছখন সত্ৰ আৰু নামঘৰৰ বিকাশৰ বাবেও উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। ইয়াৰ লগতে কাকত কুটা সত্ৰত অতি অৱহেলিতভাৱে এটা টিঙৰ বাকচত ৰখা মহাপুৰুষ শ্ৰীমাধৱ দেৱৰ চিতাভস্ম বিজ্ঞানসন্মতভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীলৈ আহ্বান জনাইছে। সমিতিৰ মতে, এই ঐতিহ্য আৰু সম্পদসমূহৰ সংৰক্ষণ নহ'লে সত্ৰ-সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ চিৰদিনৰ বাবে হেৰাই যোৱাৰ সম্ভাৱনা আছে।

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা

কৰা হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ আন আন অঞ্চলতো এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। পুৱাৰে পৰা মহানগৰী আৰু ইয়াৰ উপকণ্ঠৰ লগতে বিভিন্ন জিলাৰ পূজা মণ্ডপসমূহত বিশ্বখনিকৰক আৰাধনা জনোৱাৰ প্ৰস্তুতি চলিছে। শ্ৰদ্ধা আৰু ভক্তিভাৱেৰে পূজাৰ সামগ্ৰী সজাই-পৰাই লোকে কাৰিকৰী জীৱনৰ সুৰক্ষা, সমৃদ্ধি আৰু উন্নতিৰ বাবে প্ৰাৰ্থনা জনাইছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী শিক্ষানুষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। একেদৰে বহুতে ব্যক্তিগতভাৱেও ঘৰে-প্ৰতিষ্ঠানে এই পূজা পালন কৰিছে। পূজাৰ লগতে বিভিন্ন স্থানত নাম-প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব। কাৰিকৰী শ্ৰম আৰু নিৰ্মাণৰ লগত জঞ্জতি লোকসকলে আজি বিশেষ শ্ৰদ্ধাৰে বিশ্বকৰ্মাক স্মৰণ কৰি নিজৰ যন্ত্ৰ-পাতি, বাহন আৰু কৰ্মস্থান পবিত্ৰ কৰি তুলিছে। ধুবুৰী জিলাতো উলহ-মালহেৰে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ আৰু গৌৰীপুৰৰ কল-কাৰখানা তথা ব্যক্তিগত প্ৰতিষ্ঠানসমূহত বৈদিক নিয়মেৰে পূজা-অৰ্চনা কৰা হ'ব। এই উপলক্ষে সমগ্ৰ জিলাখনতে উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। ভক্তসকলে পুৱাই স্নান-দান কৰি পূজাস্থলীত সমবেত হৈ মঙ্গল কামনা কৰিছে। নলবাৰী জিলাৰ বাছ আস্থান, গেৰেজ, কল-কাৰখানা আৰু বিভিন্ন প্ৰতিষ্ঠানতো আড়ম্বৰপূৰ্ণভাৱে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন উদ্যোগ, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, বাছ আস্থান আৰু গেৰেজ আদিত আজি পুৱাৰে পৰা উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। শ্ৰমজীৱী, কাৰিকৰ, শিল্পী আৰু উদ্যোগীসকলে নিজ নিজ কৰ্মক্ষেত্ৰত পূজা-অৰ্চনা কৰি দিনটো উদযাপন কৰিছে। সামগ্ৰিকভাৱে ৰাজ্যখনত আজি শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাৰ ধৰ্মীয় আৰু সামাজিক উৎসৱে এক সুন্দৰ পৰিৱেশ সৃষ্টি কৰিছে।

দিল্লী-মীৰাটৰ আৰ্হিত অসমতো

পৰিকল্পনা আগবঢ়াইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম 'এক্স'ত এই সম্পৰ্কে তথ্য দি কৈছে যে এই প্ৰকল্পৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংক (ADB)ৰ সৈতে প্ৰাৰম্ভিক পৰ্যায়ত আলোচনা চলি আছে। মুখ্যমন্ত্ৰীয়ে লিখিছে, "দিল্লী-মীৰাটৰ আৰ্হিত অসম ৰেপিড ট্ৰেনজিট ছিষ্টেম (ARTS)। এই সন্দৰ্ভত এছিয়ান ডেভেলপমেণ্ট বেংকৰ সৈতে প্ৰাৰম্ভিক আলোচনা চলি আছে। গুৰুত্বপূৰ্ণ অঞ্চলসমূহক সংযোগ কৰাৰ লক্ষ্যৰে বহনক্ষম পৰিবহণ ব্লুপ্ৰিণ্ট প্ৰস্তুত কৰিবলৈ আলোচনা চলি আছে। আলোচনা আগবঢ়াৰ লগে লগে আপোনালোকক জনোৱা হ'ব।" এই ঘোষণাৰ জৰিয়তে ৰাজ্যত আধুনিক ৰে'ল আন্তঃগাঁথনিৰ এক নতুন অধ্যায় আৰম্ভ হোৱাৰ সম্ভাৱনা প্ৰকাশ পাইছে। যদিও এতিয়ালৈকে কোন কোন ঠাই এই ৰেপিড ৰে'ল নেটৱৰ্কত অন্তৰ্ভুক্ত হ'ব, প্ৰকল্পৰ সম্ভাব্য খৰচ কিমান হ'ব অথবা কেতিয়া ইয়াৰ কাম আৰম্ভ হ'ব, সেই সম্পৰ্কে কোনো স্পষ্ট তথ্য দিয়া হোৱা নাই। মুখ্যমন্ত্ৰীয়ে অৱশ্যে সংকেত দিছে যে শেহতীয়াকৈ প্ৰস্তাৱিত ৰিং ৰোডৰ সৈতে সংযোগ ৰাখি কৰিড'ৰসমূহক অগ্ৰাধিকাৰ দিয়া হ'ব। জানিব পৰা মতে, প্ৰায় ৰচৰ কিলোমিটাৰ দীঘল ৰিং ৰোড কৰিড'ৰ প্ৰকল্পত উত্তৰ পাৰৰ বাইপাছ আৰু ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন নতুন দলং নিৰ্মাণৰ পৰিকল্পনা আছে। এই ৰিং ৰোডৰ কাষেৰে ৰেপিড ৰে'ল অথবা মেট্ৰ' ৰে'লৰ ব্যৱস্থা সংযুক্ত কৰিব পাৰি নেকি, সেই সন্দৰ্ভতো সম্ভাব্য পৰ্যালোচনা চলি আছে। ইয়াৰ ফলত গুৱাহাটী মহানগৰী আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ যাতায়াত ব্যৱস্থা বহু পৰিমাণে উন্নত হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য, গুৱাহাটীত দ্ৰুত পৰিবহণ ব্যৱস্থা গঢ়ি তোলাৰ প্ৰচেষ্টা এইবাৰ প্ৰথম নহয়। ইয়াৰ পূৰ্বে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে প্ৰথম পৰ্যায়ত প্ৰায় ছৰ.ছ্ছ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰেপিড ট্ৰেনজিট ছিষ্টেম নিৰ্মাণৰ প্ৰস্তাৱ আগবঞ্জাইছিল। সেই প্ৰস্তাৱত ধাৰাপুৰ—নাৰেংগী আৰু জালুকবাৰী—খানাপাৰা কৰিড'ৰকে ধৰি কেইবাটাও কৰিড'ৰ অন্তৰ্ভুক্ত আছিল। কিন্তু বিভিন্ন কাৰণত সেই পৰিকল্পনা সম্পূৰ্ণ ৰূপত কাৰ্যকৰী হোৱা নাই। অসমত বিশেষকৈ গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠত জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ লগে লগে নগৰীকৰণ, যান-বাহনৰ চাপ আৰু পৰিবহণ সমস্যা দিনক দিনে বাঢ়িছে। এনে পৰিস্থিতিত ৰেপিড ৰে'ল, মেট্ৰ' ৰে'ল আৰু ৰিং ৰোডৰ দৰে পৰিবহণ আন্তঃগাঁথনিৰ পৰিকল্পনা সময়ৰ প্ৰয়োজন হৈ পৰিছে। যদি এই প্ৰকল্প বাস্তৱায়িত হয়, তেন্তে ই অসমৰ অৰ্থনৈতিক বিকাশ, নগৰাঞ্চলৰ সংযোগ আৰু পৰ্যটনৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব পাৰে। এতিয়াৰ পৰিস্থিতিত এছিয়ান ডেভেলপমেণ্ট বেংকৰ সৈতে চলি থকা আলোচনাৰ ফলাফল আৰু চৰকাৰৰ চূঞ্জান্ত ৰূপৰেখাই নিৰ্ধাৰণ কৰিব যে অসমত ৰেপিড ৰে'ল কেতিয়া আৰু কেনেদৰে আৰম্ভ হ'ব। আলোচনা আগবঢ়িগ'লে আগন্তুক দিনত প্ৰকল্পৰ সবিশেষ তথ্য ৰাজহুৱা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ বক্তব্যৰ পৰা স্পষ্ট হয়।

আধ্যাত্মিক পৰ্যটনস্থলী হিচাপে

ঐতিহাসিক ক্ষণত কৰা হ'ব বুলি সমিতিয়ে আশা প্ৰকাশ কৰে। এই সন্দৰ্ভত পৰিচালনা সমিতিৰ সভাপতি প্ৰবীন কলিতাই কয় যে অহা ২০২৮ চনত ৰাজ্য চৰকাৰে উলহ-মালহেৰে নামঘৰখনৰ ৫০০ বছৰীয়া প্ৰতিষ্ঠা জয়ন্তী উদযাপন কৰিব। সেই উদযাপন কেনেদৰে আগবঢ়াব পাৰি, তাৰ বাবে সমিতিয়ে সমূহ অসমবাসীৰ পৰামৰ্শ বিচাৰিছে। তেওঁ লগতে কয় যে মহাপুৰুষ মাধৱদেৱৰ গুৰুজনাৰ এক প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনাও সমিতিৰ আছে। এই ক্ষেত্ৰত সৰ্বজনগ্ৰহণযোগ্য এখন ৰূপৰেখা নিৰ্ধাৰণ কৰি সমিতিক অৰ্পণ কৰিবলৈ তেওঁ অভিজ্ঞতাপুষ্ট ৰাইজক আন্তৰিকতাৰে আহ্বান জনাইছে। সংবাদমেলত ঢেকীয়াখোৱা বৰনামঘৰৰ পালনাম মহোৎসৱত কিছু বিসংগতিৰ অভিযোগৰ প্ৰসংগতো পৰিচালনা সমিতিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সমিতিয়ে সদৰি কৰে যে ভাদমহীয়া পালনামৰ ভকত-বৈষ্ণৱসকলৰ সুবিধাৰ্থে অসমৰ বিভিন্ন সুহৃদ ব্যক্তি, দল-সংগঠনে খাদ্য, পানী, চৰবত আদি যোগান ধৰে। কিন্তু সেই যোগানত নামঘৰ পৰিচালনা সমিতিৰ কোনো হস্তক্ষেপ নাথাকে। অৱশ্যে নামঘৰৰ ভিতৰত পৰিচালনা সমিতিয়ে সম্পূৰ্ণ আধ্যাত্মিকতা তথা অসমীয়া ৰীতি-নীতি অনুসৰি সকলো যোগান ধৰি আহিছে বুলি সংবাদমেলত স্পষ্ট কৰা হয়। সমিতিয়ে দুখ প্ৰকাশ কৰি কয় যে বৰ্তমান সামাজিক মাধ্যমত একাংশ দুষ্ট চক্ৰই মূল বিষয়টোৰ পৰা ফালৰি কাটি বৰনামঘৰত খাদ্য যোগানৰ নামত ব্যভিচাৰ হৈছে বুলি অপপ্ৰচাৰ চলাইছে। এই অপপ্ৰচাৰৰ ফলত ধৰ্মীয় পীঠখনৰ সুনাম ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা সৃষ্টি হৈছে। পৰিচালনা সমিতিৰ সম্পাদকে কয় যে প্ৰকৃত সত্য বিচাৰ কৰি প্ৰচাৰ কৰিবলৈ তেওঁ ৰাইজক আহ্বান জনাইছে। তেওঁ স্পষ্ট কৰে যে সমিতিৰ পাকঘৰত সম্পূৰ্ণ ৰীতি-নীতিৰে খাদ্য সামগ্ৰী প্ৰস্তুত কৰা হয় আৰু নিয়ম-নীতি অনুসৰি নাম-প্ৰসংগ অব্যাহত আছে। সমগ্ৰ গাঁৱৰ ৰাইজে এই কামত সহযোগ কৰি আহিছে। তেওঁ লগতে কয় যে কোনো কামত অনাকাংক্ষিত ভুল থাকিব পাৰে; সেয়ে নামঘৰ পৰিচালনাৰ ক্ষেত্ৰত সমূহ অসমবাসীৰ পৰা সজ দিহা-পৰামৰ্শ কামনা কৰিছে। সমিতিৰ মতে, ঢেকীয়াখোৱা বৰনামঘৰ কেৱল এখন ধৰ্মীয় স্থান নহয়, ই অসমীয়া সমাজ, সংস্কৃতি আৰু বৈষ্ণৱ পৰম্পৰাৰ এক গুৰুত্বপূৰ্ণ ঐতিহ্য। সেয়েহে এই ঐতিহ্য সুৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ দায়িত্ব সমগ্ৰ অসমবাসীৰ। ২০২৮ চনৰ ৫০০ বছৰীয়া প্ৰতিষ্ঠা জয়ন্তীয়ে এই পীঠখনক বিশ্বৰ আগত আধ্যাত্মিক পৰ্যটনস্থলী হিচাপে প্ৰতিষ্ঠা কৰাৰ এক সুবৰ্ণ সুযোগ কঢ়িয়াই আনিছে বুলি সমিতিয়ে আশা প্ৰকাশ কৰে।

পেমা খাণ্ডুৰ বিৰুদ্ধে চিবিআই

চিবিআই তদন্তৰ নিৰ্দেশৰ প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰক কংগ্ৰেছে পুনৰ তীব্ৰ সমালোচনা কৰিছে। কংগ্ৰেছৰ অভিযোগ, চৰকাৰে দুমুখীয়া নীতি অৱলম্বন কৰি দুৰ্নীতিক প্ৰশ্ৰয় দি আহিছে। অৰুণাচল প্ৰদেশৰ উন্নয়নমূলক কামৰ ঠিকা প্ৰদানৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ পৰিয়ালৰ নাম জড়িত হোৱাৰ পাছতো তেওঁক মুখ্যমন্ত্ৰী পদত বহুৱাই ৰখাটো সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয় বুলি কংগ্ৰেছে মন্তব্য কৰিছে। কংগ্ৰেছৰ যোগাযোগ বিভাগৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে এক্সত দিয়া এক পোষ্টত কয় যে খাণ্ডুৱে তৎক্ষণাত পদত্যাগ কৰিব লাগিছিল অথবা তেওঁক পদত্যাগ কৰিবলৈ কোৱা হ'ব লাগিছিল। তেওঁ মন্তব্য কৰে যে এইটো দুৰ্নীতিক প্ৰশ্ৰয় দিয়া আৰু ধন ঘটাৰ আন এক উদাহৰণ। ৰমেশে লগতে কয় যে মুখ্যমন্ত্ৰী আৰু তেওঁৰ সৰ্বোচ্চ নেতা প্ৰধানমন্ত্ৰী-উভয়েই নিৰ্লজ্জভাৱে পৰিস্থিতিৰ মুখামুখি হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে পূৰ্বতে লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত নিজৰ পৰিয়ালৰ লোকক ১, ২৭০ কোটি টকাৰ ঠিকা প্ৰদান কৰা সন্দৰ্ভত উত্থাপিত অভিযোগৰ বিষয়ে উচ্চতম ন্যায়ালয়ে চিবিআই তদন্তৰ নিৰ্দেশ দিছিল। কংগ্ৰেছে উল্লেখ কৰা অনুসৰি, যোৱা ৬ এপ্ৰিলত উচ্চতম ন্যায়ালয়ে এই তদন্তৰ নিৰ্দেশ দিয়ে। কংগ্ৰেছ নেতাগৰাকীয়ে অভিযোগ কৰে যে মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু তেওঁৰ পৰিয়ালৰ লোকসকলক চৰকাৰী ঠিকা প্ৰদানৰ ক্ষেত্ৰত হোৱা অনিয়মৰ তদন্ত চিবিআয়ে কৰি আছে। অভিযোগ অনুসৰি, মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী হৈ থাকোঁতে ২০১৫ চনৰ পৰা ২০২৫ চনলৈ পৰিয়ালৰ সদস্যৰ ফাৰ্মত এই ঠিকাসমূহ প্ৰদান কৰা হৈছিল। কংগ্ৰেছে লগতে কয় যে যোৱা ৩ আগষ্টত উচ্চতম ন্যায়ালয়ে অৰুণাচল প্ৰদেশৰ শীৰ্ষ বিষয়াক ব্যক্তিগতভাৱে আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিছিল। তেওঁ কয় যে মুখ্যমন্ত্ৰীয়ে-যিগৰাকী এতিয়াও পিডব্লিউ বিভাগৰ মন্ত্ৰী হৈ আছে-দৰকাৰী ফাইলবোৰ দিবলৈ অস্বীকাৰ কৰিছে। যোৱা ২৪ আগষ্টত উচ্চতম ন্যায়ালয়ে পৰ্যবেক্ষণ কৰে যে প্ৰাসংগিক নথিপত্ৰ যোগান ধৰাৰ পৰিৱৰ্তে ৰাজ্যখনে চিবিআইক বৃহৎ পৰিমাণৰ নথিপত্ৰহে যোগান ধৰিছিল। কংগ্ৰেছ নেতা ৰমেশে পুনৰ কয় যে মুখ্যমন্ত্ৰীয়ে নিজৰ পদত বাহাল থকাটো আচৰিত আৰু সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়। প্ৰধানমন্ত্ৰীক পুনৰ কটাক্ষ কৰি তেওঁ কয়, আগতে আছিল "নাখাও আৰু খাবলৈ নিদিও"; এতিয়া হৈছে "মই খাইছো, খাবলৈ দিছো আৰু আনৰ দ্বাৰা খুৱাইছোও।" এই মন্তব্যৰ জৰিয়তে কংগ্ৰেছে চৰকাৰৰ ওপৰত দুৰ্নীতিৰ অভিযোগত একে ধৰণৰ নীতি বজাই ৰখাৰ অভিযোগ উত্থাপন কৰিছে।

জুবিনময় প্ৰহৰ আৰু লহৰ

প্লাৱন ভূঞা

এখন আকাশৰ পৰিধি জুবিন; এটি সেউজীয়া গানৰ নাম জুবিন; অসমীয়াৰ আৱেগৰ ভৰাঁলৰ নাম জুবিন। এটি যুগৰ তৰংগ আৰু আচ্ছাদনৰ নাম জুবিন। এটি যোগাত্মক চিন্তাৰ ইতিবাচক ধাৰাৰ নাম হ'ল জুবিন। মনৰ চিলাখনৰ ঠিকনা হ'ল জুবিন; হৃদয়ৰ উন্মাদনাৰ অভিপ্ৰায় হ'ল জুবিন; ঠিক সেইদৰে বিৰহৰ ৰংঘৰ হ'ল জুবিন। পখীৰ কাকলিত যেন জুবিনৰ সুৰৰ মালিতা; আনহাতে জীৱনৰ গানত যেন জুবিনৰ ঠিকনা। সপোনৰ ৰামধেনুত যেন বৰ্ণিত মায়াবিনী বাসনা; গানৰ মেদিনীত যেন তাৰেই ব্যঞ্জনা। জীৱন জীয়াই থকাৰ ছন্দত জুবিন; প্ৰেৰণাৰ পূৰ্ণিমা জুবিন। চিন্তাৰ পৰিধিত জুবিন; ভাৱনাৰ মানচিত্ৰত অক্ষ্যাংশ জুবিন; জনতাৰ হৃদয়ৰ সমাধিত জুবিন। যুগৰ আধাৰশিলাত জুবিন; সময়ৰ তৰংগতো জুবিন। কৈশোৰত জুবিনৰ পাখি লগা মনৰ ল'ৰালি আৰু যৌৱনত একবিংশ শতিকাৰ প্ৰেম কাহিনী......যন্ত্ৰৰ তন্ত্ৰত মন্ত্ৰমুগ্ধ জীৱনৰ ধামখুমীয়া; শিকলি ছিঙি ধুমুহাৰ সৈতে নাচোন কাঞ্চনজংঘাৰ সীমনাত। এক মহিমামণ্ডিত কাহিনীৰ ইতিগাথা।

ক'ত নাই জুবিন? ৰাতিপুৱা চাহৰ কাপৰ পৰা আৰম্ভ কৰি গধূলি বয়স্কসকলৰ জুবিনবিহীনতাৰ হুমুনিয়াহ পৰ্যন্ত, সৰ্বত্ৰে বিৰাজমান ঈশ্বৰপুত্ৰৰ স্বৰ্ণিল পৰিক্ৰমা। জুবিন গাৰ্গ আছিল, আছে আৰু থাকিব আমাৰ মাজত অনাদি অনন্ত কাল পৰ্যন্ত। তেওঁ আছে গানত, আছে প্ৰাণত, আছে হৃদয়ৰ নিভৃত কোণত এক মধুৰ ঝাংকাৰৰ নীৰৱধি ধাৰা স্বৰূপে। জুবিন এক সংগীত সৰোবৰ, য'ত ৰোমাঞ্চিত হয় বহুতৰ মন; পুলকিত হয় বহুতৰ প্ৰাণ; বহুতে বাগৰ মাৰে নষ্টালজিয়াৰ শেতেলিত। বহুতৰ বাবে জুবিনৰ গান যেন জীয়া জীৱনৰ উশাহ; বহুতৰ আকৌ জীৱনৰ স্পন্দন নিৰ্ধাৰিত হয় হাৰ্টথ্ৰ'বৰ গানৰ গুঞ্জনত। বহুতৰ প্ৰাপ্তি-অপ্ৰাপ্তিৰ ঠিকনাৰ সমীকৰণ তথা উপপাদ্য হ'ল জুবিনৰ সুৰৰ মূচ্ছনা। আজি কেৱল খাৰঘূলিত বা জোনালীত জুবিন নাই, জুবিন আছে প্ৰতিজনৰ হৃদয়ৰ মণিকোটৰ থাপনাত। ধুমুহাৰ ছন্দত নিজৰ জীৱনৰ ইতিবৃত্ত ৰচনা কৰা হিয়াৰ আমঠুজন অসাধাৰণ হৈয়ো আছিল তেনেই সাধাৰণ। জুবিন যেন সংগীতৰ এক অনুভৱৰ বাংময় বৰ্হিপ্ৰকাশ। তেওঁৰ শব্দ আৰু সুৰৰ ব্যঞ্জনাত কণ্ঠই যেন অমিয়া মাধুৰী বৰষে। তেখেতৰ সংগীতৰ যি উচ্চস্তৰ সেয়া সঁচাকৈয়ে তুলনাবিহীন। তাৰ সমান্তৰালকৈ তেওঁৰ গীতৰ অন্ত: নিহিত অৰ্থই জুবিন গাৰ্গক মানুহৰ বুকুৰ কুটম হিচাপে গঢ়ি তুলিলে। সময় আৰু পৰিস্থিতিক গানৰ লহৰত সুন্দৰভাৱে চিত্ৰায়ণ কৰাত সফল হৈছে জুবিন গাৰ্গ। যান্ত্ৰিকতাৰ ধামখুমীয়া আৰু ব্যস্ততাক বোধগম্য কৰিবৰ অৰ্থে জুবিনৰ 'যন্ত্ৰ' এলবামে অবিকল ব্যাখ্যা দাঙি ধৰিছে। সময়ৰ ব্যস্ততাক সুৰ আৰু শব্দৰ সংযোগেৰে সজাই তোলাত সফল হৈছে জুবিন গাৰ্গ। ল'ৰালি কালৰ পৰা আৰম্ভ কৰি বৃদ্ধ বয়স পৰ্যন্ত সময়ৰ প্ৰভাৱ অতি সুন্দৰ চিত্ৰকল্পৰ দ্বাৰা বুজাই দিবলৈ সক্ষম হৈছে। মৃত্যুৰ দৰে শাশ্বত সত্যক নেওচা দিয়াৰ মৰসাহ কাৰো নাই; কিন্তু জুবিন গাৰ্গে নিজৰ মাতৃৰ মৃত্যুৰ পিচত সময়ক কাবৌ কৰিছে ক্ষন্তেক অপেক্ষা কৰিবৰ বাবে যাতে তেওঁ মাতৃৰ মুখখন হেঁপাহ পলোৱাই অন্তিমবাৰৰ বাবে চাব পাৰে। সেই মুহূৰ্ত্তক মৰ্মস্পৰ্শী চিত্ৰকল্প আৰু সুৰেৰে সজাই তুলি সকলোৰে চকু সেমেকাই তুলিছে। সময় তথা পৰিৱেশৰ ভাৱসিদ্ধ এই গীতসমূহ সদায়ে উজ্জীৱিত আৰু সোণালী।

বানৰ বিভীষিকা আৰু বানাক্ৰান্তৰ মৰ্মবেদনা হৃদয়ৰ নিভৃত কোণৰ পৰা উপলব্ধি কৰা জুবিন গাৰ্গে উক্ত সময়খিনি গীতৰ মাজেৰে সুসংহত ৰূপত তুলি ধৰিছে। বানে থানবান কৰা সপোন আৰু ভেঁটিৰ লঠঙা চিত্ৰ এখন জীৱন্ত ৰূপত তুলি ধৰিছে। অৰ্থাৎ কঠিন সময়ৰ নিষ্ঠুৰ বাস্তৱক সফলভাৱে ফুটাই তোলাত সফল হৈছে জুবিন গাৰ্গ। অন্যহাতেদি, প্ৰেম-ভালপোৱাৰ সময়খিনিক জুবিন গাৰ্গৰ বাদে আন কোনেও সাৱলীলভাৱে হয়তো ফুটাই তুলিছে বুলি মনে নধৰে। ৰঙালীয়ে হওক কিম্বা ভোগালীয়েই হওক, আঘোণেই হওক কিম্বা ফাগুনেই হওক; জুবিন গাৰ্গৰ কণ্ঠৰ এক নিভাঁজ স্পন্দন, সৌন্দৰ্য তথা সুবাস আছে। একাঁজলি সুন্দৰ সময়ক সৰ্বাংগ সুন্দৰ তথা পূৰ্ণাংগ ৰূপত উপস্থাপন কৰাটোৱেই আছিল অমৃত কণ্ঠৰ সফলতাৰ বুনিয়াদ। ভগৱান শ্ৰীকৃষ্ণৰ সন্মোহনী বাঁহীৰ কণ্ঠত সমগ্ৰ বৃন্দাবন, মথুৰা তথা গকুল মতলীয়া হোৱাৰ দৰে জুবিন গাৰ্গৰ 'বাঁহী' এলবামৰ গীতৰ লালিত্য আৰু সান্নিধ্যত সমগ্ৰ অসম উদ্বেলিত হৈ পৰিছিল। সেই বাঁহীৰ সুৰত নিশাৰ তৰাই মন প্ৰাণ খুলি নাচিছিল। প্ৰকৃতি তথা প্ৰাকৃতিক উপাদানবোৰৰ অপূৰ্ব সমাহাৰ তেওঁৰ গীতৰ এক লক্ষণীয় বৈশিষ্ট্য্য তথা দিশ আছিল। জুবিনৰ গীতৰ মাজত প্ৰকৃতিয়ে বিচাৰি পাইছিল নিজৰ সুন্দৰতাৰ সোপান। তেওঁৰ গীতৰ সুবাসত প্ৰকৃতি তথা প্ৰাকৃতিক উপাদানবোৰে এক নতুন জীৱন লাভ কৰিছিল। গছ লতিকাৰ পৰা আৰম্ভ কৰি পশু-পক্ষী তথা চৰাই চিৰিকতি পৰ্যন্ত তেওঁৰ গীতে সাঙুৰি লৈছিল, যাৰ বাবে তেওঁক অসমীয়া সংগীত সমুদ্ৰৰ 'ৱৰ্ডছৱৰ্থ' বুলি অভিহিত কৰিলেও হয়তো ভুল কোৱা নহ'ব। সেইবাবেই হয়তো তেওঁৰ গানবোৰ চিৰসুন্দৰ আৰু জীৱন্ত সত্তাৰে উদ্ভাসিত।

জুবিন গাৰ্গ যেন এটি ধুমুহাৰ গান। নব্বৈৰ দশকতো অসমৰ সমাজ জীৱনৰ বাবে অতি ভয়াৱহ সন্ধিক্ষণৰ সময়। হিংসা-প্ৰতিহিংসাৰ দাবানলৰ কলা ধোঁৱাই অসমৰ চৌপাশ ছানি ধৰিছিল। ৰাজনৈতিক অস্থিৰতা আৰু অৰিয়াঅৰিয়ে সমাজখন গ্ৰাস কৰিছিল। তেনে এক প্ৰেক্ষাপটতে সৃজনশীলতা, প্ৰেমৰ বতৰা আৰু আশাৰ একাঁজলি কলৰব লৈ আৰ্বিভাৱ হ'ল অমৃতৰ দৰে মধুৰ আৰু এক সতেজ কণ্ঠ। এজাক প্ৰচুৰ সম্ভাৱনাৰ বৰযুণৰ দৰে অসমী আইৰ বুকুত সৃষ্টিৰ কঠীয়া ৰোপণ কৰিলে জুবিন গাৰ্গ নামৰ খেতিয়কজনে। জ্যোতি-বিষ্ণুৰ আশাসুধীয়া প্ৰচেষ্টাৰ মাজেদি উদ্ভাসিত হৈ উঠা শান্তি, সমৃদ্ধি আৰু সমন্বয়ৰ বৰ অসমৰ স্বপ্নদ্ৰষ্টা আছিল জুবিন গাৰ্গ নামৰ উজ্জ্বল ভোটা তৰাটি। কুৰি শতিকাৰ ৰূঢ় বাস্তৱৰ ছবিয়ে তেওঁৰ মনত এক হাহাকাৰ সৃষ্টি কৰিছিল। যাৰ বাবে তেওঁ কণ্ঠ নিগৰাইছে এনেদৰে- "এয়াই জানো সপোন আছিল কুৰি শতিকাৰ?" হিংসা, দমন, প্ৰতিৰোধ আৰু সংগ্ৰামত দগ্ধ অসমৰ শান্তি আৰু মুক্তিৰ বাণী বিয়পোৱাত অগ্ৰদূতৰ ভূমিকা পালন কৰিছিল। শান্তিপূৰ্ণ সময়ৰ সন্ধানত জুবিন গাৰ্গে প্ৰগতিবাদৰ পৃষ্ঠপোষকৰ ভূমিকা পালন কৰিছিল। গানৰ প্লাৱনৰ খনিকৰ শিল্পীজনে সময়ৰ আহ্বানক উপলব্ধি কৰি ধুমুহাৰ গতিৰে সৃষ্টি কৰিছিল এটাৰ পিচত আন এটা স্মৰণীয় চিৰসেউজ গীত। জুবিন গাৰ্গ হ'ল বিশ্বায়ন যুগৰ শিল্পী। গোলকীয় পৃথিৱীত অসমীয়া যুৱ সত্তাটোৰ প্ৰতিভূ হ'ল জুবিন গাৰ্গ। অসমৰ বৰণ্যে সাহিত্যিক হোমেন বৰগোহাঞিদেৱে জুবিন গাৰ্গ সম্পৰ্কে কৈছিল, "জুবিন একাধাৰে গায়ক, অভিনেতা, খেলুৱৈ আৰু ৰাজনৈতিকভাৱে সক্ৰিয় শিল্পী, বিষ্ণু ৰাভাৰ দৰে।" অন্যহাতেদি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা 'মৃতভাষ'ৰ স্ৰষ্টা ড° নগেন শইকীয়াদেৱৰ ভাষাত, " মই দেখিছোঁ জুবিনৰ কণ্ঠত এনে এক সুৰৰ যাদু আছে যি মানুহক, শ্ৰোতাক সহজেই আকৰ্ষণ কৰিব পাৰে।"

সঁচাকৈ জুবিন আকাশৰ, জুবিন সাগৰৰ, জুবিন শৰতৰ, জুবিন বসন্তৰ, জুবিন মেঘৰ, জুবিন প্ৰেমৰ, জুবিন মানুহৰ, জুবিন অনুভৱৰ, জুবিন অসমৰ, জুবিন সমাজৰ.....। জুবিন গাৰ্গ নতুনৰ এক উন্মেষ; মুক্ত বিহংগৰ আকাশলংঘী অভিষেক। এটা ৰাতিৰ ভিতৰতে ৩৬ টাকৈ গীত বাণীৱদ্ধ কৰা এক চাঞ্চল্যৰ নামেই হ'ল জুবিন গাৰ্গ। জুবিনময় সময়ক সমৃদ্ধিশালী কৰি বিশ্ববাসীৰ আগত চিৰ যুগমীয়া কৰিবৰ নিমিত্তে 'ভাৰত ৰত্ন' দিয়াৰ নাৰ্যতা এশ শতাংশই আছে। সংগীতৰ ভগৱান জনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি প্ৰতি বছৰে ১৯ ছেপ্টেম্বৰ দিনটো "জুবিন দিৱস" হিচাপে অসমত উদযাপন কৰাৰ যুক্তিযুক্ততা আছে। তদুপৰি তেওঁৰ নামত প্ৰতিখন জিলাতে এখনি মুকলি মঞ্চ স্থাপন কৰি সংগীতৰ মহানায়কজনক অসম তথা অসমীয়াৰ হৃদয়ৰ থাপনাত স্থান দিবলৈ প্ৰয়াস কৰিব পাৰোঁ। সদ্য নিৰ্মিত জুবিন ক্ষেত্ৰত জুবিন গাৰ্গে নিজৰ বৰ্ণিল জীৱন পৰিক্ৰমাত ব্যৱহাৰ কৰা বয়বস্তুবিলাক আটকধুনীয়াকৈ সংৰক্ষণ কৰিবৰ অৰ্থে এটি সংগ্ৰহালয় স্থাপন কৰিলে অসমৰ সকলো শ্ৰেণীৰ লোকে সুৰৰ সম্ৰাটজনৰ চিন্তা-চেতনাৰ লগত পোনপটীয়াকৈ সংযোগ স্থাপন কৰিবলৈ সক্ষম হ'ব বুলি ধাৰণা কৰিব পাৰি। গানেই আছিল যাৰ পৰিচয় তথা প্ৰাণ, তেওঁৱেই জুবিন গাৰ্গ। গান আৰু চিনেমাৰ মাজতেই নিজৰ সৰ্বস্ব নিয়োজিত কৰা প্ৰাণৰ শিল্পীজনৰ সত্তাক চিৰযুগমীয়া কৰিবৰ অৰ্থে জুবিন ক্ষেত্ৰত এটা মিউজিকেল ৱাকিং জ'ন (Musical Walking Zone) নিমাৰ্ণৰ থল আছে যাতে সেই নিৰ্দিষ্ট এলেকাত খোজ কাঢ়িলেই জুবিন গাৰ্গৰ গান স্বতস্ফূত ভাৱে যাতে উঠে। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধক জুবিন গাৰ্গে প্ৰচুৰ গ্ৰন্থ অধ্যয়ন কৰিছিল, সেই বাবেই জুবিন ক্ষেত্ৰত এটা সৰ্বাংগসুন্দৰ গ্ৰন্থাগাৰ স্থাপন কৰাটো এক সময়োচিত পদক্ষেপ হ'ব। বহু লোকে বিগত বৰ্ষটোত জুবিনক্ষেত্ৰত মহানায়কজনলৈ উপহাৰ হিচাপে বহু মূল্যবান গ্ৰন্থ আগবঢ়াইছে। সেই মূল্যবান গ্ৰন্থৰাজি সংৰক্ষণৰ অদ্যাপিও বিহিত ব্যৱস্থা কৰা নাই। এই ক্ষেত্ৰত গ্ৰন্থাগাৰ প্ৰতিষ্ঠা কৰি এক অভিনৱ আৰু ফলপ্ৰসূ ব্যৱস্থা হাতত ল'ব পযা যায়। জুবিনৰ সময়খিনি আৰু অধিক ভাৱপ্ৰৱণ, প্ৰভাৱশালী তথা হৃদয়স্পৰ্শী হিচাপে গঢ়ি তোলাৰ সকলো সমল আৰু সম্বল আমাৰ মাজত বিদ্যমান। এই কথাও সমানেই প্ৰণিধানযোগ্য যে জুবিন গাৰ্গৰ গীতৰ গুহাৰ্থ জীৱিত কালত মানুহে যিমান হৃদয়ংগম কৰিছিল বা কৰিবলৈ সক্ষম হৈছিল; তেওঁৰ মহাপ্ৰয়াণৰ পিচত মানুহে সেই গীত আৰু অধিক বৱহাৰিক অৰ্থত বুজিবলৈ সক্ষম হৈছে। তাৰ অন্যতম দৃষ্টান্ত হ'ল "মায়াবিনী ৰাতিৰ বুকুত" শীৰ্ষক গীতটি কিয়নো শিল্পীজনৰ এই অমৰ সৃষ্টি সাম্প্ৰতিক সময়ত এক প্ৰাৰ্থনাত পৰিণত হোৱা দেখা গ'ল। তেওঁৰ অন্তিম যাত্ৰাত যিজন সমুদ্ৰৰ সৃষ্টি হৈছিল; সেয়া এছিয়াৰ ভিতৰতে সৰ্ববৃহৎ আৰু বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎজন সমাৱেশত পৰিণত হ'ল। ৰূপকোঁৱৰ, কলাগুৰু আৰু সুধাকণ্ঠৰ পিচত মানৱতাৰ জয়গান গাই মানুহৰ হৃদয়ত বিশেষ আসন অলংকৃত কৰা গণশিল্পী জুবিন গাৰ্গ সঁচাকৈয়ে একক, অনন্য, অদ্বিতীয়, অনিৰুদ্ধ আৰু অতুলনীয় সত্তা তথা চেতনা।

সহকাৰী অধ্যাপক, ইতিহাস বিভাগ,
ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়,
জামুগুৰিহাট, শোণিতপুৰ

জুবিন বিহীন এটা বছৰ ঃ এজন মানুহ, এটা যুগ আৰু কিছু কথা

প্ৰণৱ জ্যোতি বৰদলৈ

ব্ৰহ্মপুত্ৰৰ বুকুত পানী বৈয়েই আছে, ঋতুৰ পৰিক্ৰমাত বসন্ত পাৰ হৈ শৰতৰ শেৱালি সৰি আছে, জোন তৰা বেলিয়েও নিজৰ কৰ্তব্য সোঁৱৰি আকাশত উদিত হৈ অস্ত হৈছে, কিন্তু অসমৰ সামাজিক, সাংস্কৃতিক আকাশখনত যেন কিবা এক বৃহৎ শূন্যতা। সুৰৰ মায়াজাল হৈ মানুহক কন্দুওৱা, কোটি জনক হুঁহুওৱা আৰু জাতিক জগাই তোলা সেই উদাত্ত, মন জুৰোৱা কণ্ঠটো নিস্তব্ধ হোৱাৰ আজি সম্পূৰ্ণ এটা বছৰ পাৰ হৈ গ'ল। জুবিন গাৰ্গ বিহীন এটা বছৰ মানে কেৱল এজন শিল্পীৰ অনুপস্থিতি নহয়, ই অসমীয়া জাতীয় চেতনাৰ বুকুত এক অপূৰণীয়, গভীৰ শূন্যতাৰ বছৰ। জুবিন জানো কেৱল এজন কণ্ঠশিল্পী আছিল, কেতিয়াও নাছিল, তেওঁ আছিল অসমৰ বায়ু পানী মাটিৰ সৈতে মিলি থকা এটা অনুভৱ। এটা বছৰ আগৰ সেই বিষাদভৰা দিনটোত সমগ্ৰ অসমে যেন একেলগে উশাহ ল'বলৈ পাহৰি পেলাইছিল। মানুহৰ চকুলোৰে সেমেকি উঠিছিল ৰাজপথ। সময় গতিশীল, সময়ে কাৰো বাবে অপেক্ষা নকৰে; কিন্তু বিগত বাৰটা মাহে প্ৰতিটো দিন, প্ৰতিটো ক্ষণত অসমবাসীক সোঁৱৰাই দিলে যে জুবিনৰ স্থান আন কাৰোবাৰ দ্বাৰা পূৰণ কৰা কেতিয়াও সম্ভৱ নহয়।

বিগত এটা বছৰত বিহু মঞ্চবোৰ আকৌ সজাই তোলা হ'ল, পোহৰৰ মালাৰে উদ্ভাসিত হ'ল ৰাতিৰ আকাশ। কিন্তু সেই মঞ্চবোৰত সেই পুৰণি উন্মাদনা ক'ত? ৰাতি দুই-তিনি বজালৈকে লাখ লাখ মানুহে যাৰ এটা মাত শুনিবলৈ অপেক্ষা কৰিছিল, যাৰ মঞ্চত প্ৰৱেশ কৰাৰ লগে লগে এজাক বনৰীয়া ধুমুহাৰ দৰে জনসমুদ্ৰ উত্তাল হৈ পৰিছিল— সেই মাদকতা আজি নাই। বাদ্যযন্ত্ৰৰ ঝংকাৰ বাজিছে ঠিকেই, কিন্তু সেই বাদ্যৰ মাজত জীৱনৰ কেঁচা তেজ ঢালি দিয়া মানুহজন নাই।

তেওঁৰ অনুপস্থিতিত অসমীয়া আধুনিক সংগীতে অনুভৱ কৰিছে এক বিৰাট শূন্যতা। জুবিনৰ সুৰ কেৱল স্বৰলিপিত আৱদ্ধ নাছিল, সেয়া আছিল তেওঁৰ উন্মুক্ত সত্ত্বাৰ এক স্বতঃস্ফূৰ্ত প্ৰকাশ। অসমৰ যুৱপ্ৰজন্মৰ মনস্তত্ত্বত জুবিন গাৰ্গৰ প্ৰভাৱ অতুলনীয় আৰু বিস্ময়কৰ। তেওঁ অসমৰ যুৱসমাজৰ কেৱল এজন প্ৰিয় কণ্ঠশিল্পী নহয়, তেওঁ ডেকা তেজৰ এক জীৱন্ত অনুভূতি। তেওঁৰ চাল-চলন, তেওঁৰ সৰলতা, তেওঁৰ স্পষ্টবাদিতা আৰু আপোচহীন চৰিত্ৰই নৱপ্ৰজন্মক অন্ধ অনুকৰণৰ সলনি আত্মমৰ্যাদাৰে জীয়াই থাকিবলৈ শিকায়। বিভেদকামী শক্তিয়ে যেতিয়া জাত-পাত, ধৰ্ম আৰু ভাষাৰ নামত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতি ভাঙিবলৈ ষড়যন্ত্ৰ কৰে, তেতিয়া জুবিনৰ এটা মাততেই একত্ৰিত হয় লক্ষ লক্ষ যুৱক-যুৱতী। তেওঁ নিজৰ জীৱনশৈলী আৰু সৃষ্টিৰে বুজাই দিয়ে যে অসমীয়া জাতি কেৱল কোনো সংকীৰ্ণ ভৌগোলিক বা গোষ্ঠীগত ধাৰণা নহয়; ই সকলো জনগোষ্ঠী, সকলো ধৰ্মৰ মিলনৰ এক বিশাল মহীৰূহ। সেইবাবেই তেওঁৰ অন্তিম শয়নৰ ঠাইকণত আজিও দেখা নাযায় জাতি ধৰ্ম বৰ্ণ অথবা ধৰ্ম বৈষম্য।

জুবিন গাৰ্গ বিহীন এইটো বছৰত আটাইতকৈ বেছি নিসংগ অনুভৱ কৰিছে অসমৰ দুখীয়া, আৰ্ত আৰু বানপীড়িত মানুহখিনিয়ে। বাৰিষাৰ বাঢ়নী পানীয়ে যেতিয়া গাঁওবোৰ বুৰাই পেলাইছিল, মানুহৰ চকুত ভাঁহি উঠিছিল সেই চিনাকি ছবিখন— পানীত নামি খাদ্যৰ টোপোলা লৈ আগবাঢ়ি অহা এজন আপোন মানুহ। কোনেও মাতিব নালাগিছিল, কোনো চৰকাৰী অনুদানৰ বাবে তেওঁ বাট চোৱা নাছিল। তেওঁ আছিল মানুহৰ দুখৰ স্বভাৱজাত সহযাত্ৰী। চিকিৎসাৰ বাবে সহায় বিচাৰি তেওঁৰ দুৱাৰমুখত শাৰী পতা মানুহবোৰে এই এটা বছৰত বাৰে বাৰে কান্দি উঠিছে। তেওঁৰ 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেশ্যন' বা অনুৰাগীসকলে হয়তো নিজৰ সাধ্যানুসাৰে চেষ্টা অব্যাহত ৰাখিছে, কিন্তু জুবিন নামৰ মানুহজনৰ সেই আন্তৰিক আশ্বাসে যি মানসিক শক্তি দিছিল, সেয়া ক'তো বিচাৰি পোৱা নাযায়। তেওঁ কেৱল টকা দিয়া নাছিল, মানুহক জীয়াই থকাৰ সাহস দিছিল। অন্যায়ৰ বিৰুদ্ধে বজ্ৰৰ দৰে গৰজি উঠা এটা নিৰ্ভীক কণ্ঠ এই এটা বছৰে মৌন হৈ ৰ'ল। সমাজৰ বা জাতিৰ যিকোনো সংকটকালত অসমে সদায় জুবিনৰ মুখলৈ চাইছিল। তেওঁ কি ক'ব, তেওঁ কেনে স্থিতি ল'ব— তাৰ ওপৰত বহু কথা নিৰ্ভৰ কৰিছিল। ব্যক্তিগত লাভালাভ, ৰাজনৈতিক সমীকৰণ বা প্ৰতিষ্ঠানিক ভয়ক কেতিয়াও ভ্ৰূক্ষেপ নকৰা এনে এজন স্পষ্টবাদী মানুহৰ অভাৱ যোৱা এটা বছৰত অসমবাসীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। যেতিয়াই জাতিৰ স্বাভিমানত আঘাত লাগিছিল, জুবিনে কেতিয়াও নীৰৱতা অৱলম্বন কৰা নাছিল। তেওঁ মুক্তকণ্ঠে ৰাজপথলৈ ওলাই আহিছিল। আজি যেতিয়া চৌদিশে সুবিধাবাদ আৰু মৌনতাৰ এক বাতাবৰণ গঢ় লৈ উঠিছে, তেতিয়া অসমৰ সাধাৰণ জনতাই গভীৰভাৱে অনুভৱ কৰিছে— আমাৰ মাজত সেই নিৰ্ভীক, কাকো খাতিৰ নকৰা মানুহজন নাই, যিয়ে কোনো দ্বিধাবোধ নকৰাকৈ ক'ব পাৰিছিল, "মই সদায় মানুহৰ পক্ষত।"

কৃষিকৰ্মৰ প্ৰতি যুৱপ্ৰজন্মক উৎসাহিত কৰিবলৈ তেওঁ নিজেই পথাৰো আমাৰ বজাৰো আমাৰ বুলি নৱ প্ৰজন্মক উৎসাহিত কৰিছিল। মাটিক ভাল পাবলৈ, শ্ৰমক মৰ্যাদা দিবলৈ তেওঁ যুৱসমাজক যি বাস্তৱিক বাৰ্তা দিছিল, সেয়া কোনো পুথিগত শিক্ষাই দিব নোৱাৰে। তেওঁ নৱপ্ৰজন্মক শিকাইছিল ব্যৰ্থতাৰ মাজতো থমকি নৰৈ নিজৰ সত্তাক লৈ গৰ্ব কৰিবলৈ, নিজৰ ভাষা আৰু সংস্কৃতিক বিশ্বৰ দৰবাৰত নিৰ্ভয়ে দাঙি ধৰিবলৈ। সেইবাবেই জুবিন গাৰ্গ আজিৰ যুৱপ্ৰজন্মৰ বাবে কোনো আৱেগিক দূৰত্বত থকা তাৰকা নহয়, তেওঁ প্ৰতিজন অসমীয়া ডেকাৰ ঘৰৰ এজন আপোন ককাইদেউ, যি বিপদে-আপদে বাট দেখুৱাব পাৰে। জুবিন এক বৈপৰীত্যৰ নাম— য'ত এফালে সুৰৰ সুকোমল মাদকতা আৰু আনফালে অন্যায়ৰ বিৰুদ্ধে বজ্ৰৰ দৰে কঠিন সংগ্ৰাম। তেওঁ সমাজৰ পৰা যি মৰম পাইছে, তাতকৈ সহস্ৰগুণ বেছি মৰম তেওঁ মাটিক আৰু মানুহক ওভতাই দিছে। তেওঁৰ এই মানৱদৰদী সত্ত্বা, স্পষ্টবাদিতা আৰু অপৰাজেয় গণচেতনাৰ বাবেই তেওঁ কেৱল এজন শিল্পী হৈ ৰোৱা নাই; তেওঁ হৈ পৰিছে সমগ্ৰ অসমৰ স্পন্দন, নিপীড়িতৰ সহায় আৰু এক জাগ্ৰত বিবেক।

এটা বছৰ পাৰ হৈ গ'ল যদিও প্ৰতিজন অসমীয়াৰ হৃদয়ত জুবিন গাৰ্গ আজিও সমানেই সজীৱ। গাড়ীৰ মিউজিক চিষ্টেমত, চহৰৰ চুকৰ চাহৰ দোকানখনত, গাঁৱৰ তিনিআলিৰ মূৰৰ আড্ডা বোৰত অথবা কোনোবা উদাস নিশা হেডফোনত বাজি থকা তেওঁৰ গীতবোৰে সোঁৱৰাই দিয়ে যে শিল্পীৰ শাৰীৰিক মৃত্যু হ'ব পাৰে, কিন্তু তেওঁৰ কৰ্ম, তেওঁৰ আদৰ্শ অনন্তকাললৈ জীৱন্ত হৈ ৰয়। জুবিন বিহীন এটা বছৰে আমাক শিকালে যে কিছুমান মানুহ কেৱল তেজ-মঙহৰ মানুহ হৈ নাথাকে, তেওঁলোক এটা যুগ হৈ পৰে। জুবিন গাৰ্গ আছিল অসমৰ তেনেই এটা যুগ- সাহসৰ, প্ৰেমৰ, প্ৰতিবাদৰ আৰু মানৱতাৰ যুগ। সেই যুগটোৰ শাৰীৰিক অৱসান ঘটিলেও, তেওঁ এৰি থৈ যোৱা সৃষ্টিৰ বিশাল ভাণ্ডাৰ আৰু মানৱপ্ৰীতিৰ পদচিহ্নই অনাগত বহু শতাব্দীলৈ অসমীয়া জাতিক বাট দেখুৱাই থাকিব। ব্ৰহ্মপুত্ৰৰ বুকুত যেতিয়ালৈকে পানী বৈ থাকিব, অসমীয়াৰ শিৰত যেতিয়ালৈকে স্বাভিমানৰ গামোচাখন থাকিব, তেতিয়ালৈকে 'জনতাৰ জুবিন' এই জাতিৰ বুকুত মানৱতা আৰু সাহসৰ চিৰন্তন প্ৰতীক হৈ জিলিকি থাকিব।

অসমীয়াৰ অমৰ আৱেগ জুবিন গাৰ্গ

কবিতা নাথ

সময়ৰ সোঁতত এটা বছৰ কেনেদৰে পাৰ হৈ গ'ল, ধৰিবই নোৱাৰি। কিন্তু অসমৰ আকাশ-বতাহত আজিও বিৰাজ কৰিছে এক গভীৰ বিষাদৰ নীৰৱ সুৰ। অহা ১৯ ছেপ্টেম্বৰত অসমীয়া জাতিৰ বুকুৰ আপুৰুগীয়া সম্পদ, সকলোৰে মৰমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মৃত্যুবাৰ্ষিকী। যোৱা বছৰৰ সেই অভিশপ্ত দিনটোত ছিংগাপুৰৰ সাগৰৰ পাৰত হোৱা তেওঁৰ আকস্মিক আৰু অকাল বিয়োগৰ খবৰে সমগ্ৰ অসমক নিমিষতে স্তব্ধ কৰি তুলিছিল। আজিও সেই খবৰটো মনলৈ আহিলে প্ৰতিগৰাকী অসমীয়া মানুহৰ বুকুখন চিৰিংকৈ মাৰে। "ৰৈ ৰৈ বিনালে সকলোৰে"— হয়, সেইদিনা সঁচাকৈয়ে লুইতৰ দুয়োপাৰৰ মানুহে হিয়া ঢাকুৰি কান্দিছিল। এগৰাকী শিল্পীৰ বিয়োগত সমগ্ৰ জাতি এটাৰ এনে স্বতঃস্ফূৰ্ত আৰু বুকুভঙা ক্ৰন্দন সমগ্ৰ ভাৰতবৰ্ষৰ ইতিহাসতেই বিৰল। শেহতীয়াকৈ ছিংগাপুৰৰ ক'ৰ'নাৰ (Coroner) প্ৰতিবেদনে তেওঁৰ মৃত্যুৰ কাৰণ দুৰ্ভাগ্যজনক সলিল সমাধি বুলি স্পষ্ট কৰাৰ পিছত আৰু তেওঁৰ মৃত্যুৰ গোচৰক লৈ চলি থকা আইনী তথা ৰাজনৈতিক চৰ্চাসমূহৰ মাজত অসমীয়া ৰাইজে পুনৰবাৰ অনুভৱ কৰিছে সেই অপূৰণীয় ক্ষতিৰ গভীৰতা। কিন্তু আইনী বিতৰ্কৰ উৰ্ধ্বত দেখা যায় যে জুবিন গাৰ্গ কেৱল এজন কণ্ঠশিল্পী নাছিল, তেওঁ আছিল অসমীয়া জাতিৰ এক নিভাঁজ আৱেগ আৰু এক জীৱন্ত স্পন্দন।

জুবিন গাৰ্গৰ সৃষ্টিৰাজিৰ বিষয়ে আলোচনা কৰিলে সৰ্বপ্ৰথমে মনলৈ আহে 'মায়াবিনী ৰাতিৰ বুকুত' নামৰ সেই কালজয়ী গীতটো। নব্বৈৰ দশকৰ আৰম্ভণিতে 'অনামিকা' এলবামৰ জৰিয়তে মুকলি হোৱা এই গীতটোৱে অসমীয়া আধুনিক সংগীতলৈ এক বৈপ্-ৱিক পৰিৱৰ্তন কঢ়িয়াই আনিছিল। সেই সময়ৰ অসমৰ এক জটিল আৰু অস্থিৰ ৰাজনৈতিক প্ৰেক্ষাপটত হতাশাগ্ৰস্ত যুৱপ্ৰজন্মই এই গীতটোৰ মাজত বিচাৰি পাইছিল এক অনামী প্ৰশান্তি। নিশাৰ ৰহস্যময়তা, তৰাৰ জিকমিকনি আৰু মানৱীয় প্ৰেমৰ গভীৰ আকুলতাক প্ৰকৃতিৰ বিশাল কেনভাছত তুলি ধৰাৰ যি অসাধাৰণ শৈলী জুবিন গাৰ্গে প্ৰদৰ্শন কৰিলে, সেয়া আছিল অতুলনীয়। 'মায়াবিনী' কেৱল এটি গীত নহয়, ই হৈছে অসমীয়া নৱপ্ৰজন্মৰ প্ৰথম প্ৰেমৰ সাক্ষী, বিষাদৰ সংগী আৰু নিসংগতাৰ প্ৰলেপ। জুবিনৰ কণ্ঠৰ সেই বিশেষ যাদুৱে প্ৰকৃতি আৰু মানৱীয় আৱেগক এনেদৰে একাকাৰ কৰিছিল যে আজিও এই গীতটো শুনিলে শ্ৰোতাৰ মনলৈ এক আধ্যাত্মিক স্তৰৰ অনুভৱ আহে। এটা গীতে কেনেদৰে এটা প্ৰজন্মৰ আৱেগক প্ৰতিনিধিত্ব কৰিব পাৰে, তাৰ এক উৎকৃষ্ট নিদৰ্শন হৈছে 'মায়াবিনী'। জুবিন গাৰ্গক 'অসমীয়া জাতিৰ আৱেগ' বুলি কিয় কোৱা হয়, তাৰ কাৰণ কেৱল তেওঁৰ সংগীতৰ মাজতেই সীমাবদ্ধ নহয়।

তেওঁ আছিল এজন বিদ্ৰোহী, এজন মানৱদৰদী আৰু এজন প্ৰকৃত অৰ্থত মুক্ত মানুহ। তেওঁ কেতিয়াও সমাজৰ পুৰণি ৰীতি-নীতি, ৰাজনৈতিক ভণ্ডামি বা ধৰ্মীয় গোড়ামিৰ ওচৰত নিজকে সমৰ্পণ কৰা নাছিল। "পলিটিক্স নকৰিবা বন্ধু" বুলি মুকলিকৈ গাব পৰা সাহসেই হওক বা 'কা' (CAA) বিৰোধী আন্দোলনত জনতাৰ আগশাৰীত থিয় দিয়াই হওক, জুবিন সদায় জনতাৰ কাষত আছিল। ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিও লগুণ ত্যাগ কৰি নিজকে জাত-পাতৰ ঊৰ্ধ্বত ৰখা এই মানুহজনৰ মাজত অসমীয়া ৰাইজে নিজৰ সপোন আৰু সাহসৰ প্ৰতিচ্ছবি দেখিছিল। প্ৰতিটো বানপানীৰ সময়ত জনতাৰ মাজলৈ গৈ সাহায্য বিতৰণ কৰা, প্ৰকৃতি সুৰক্ষাৰ বাবে মাত মাতি অহা এইগৰাকী শিল্পীৰ স্পষ্টবাদিতা আৰু খামখেয়ালী স্বভাৱৰ বাবে প্ৰায়ে বিতৰ্কৰ সৃষ্টি হৈছিল যদিও, অসমৰ ৰাইজে তেওঁৰ সকলো ভুল-ভ্ৰান্তি ক্ষমা কৰি নিজৰ ঘৰৰ ল'ৰাৰ দৰে মৰম কৰিছিল। কাৰণ ৰাইজে জানিছিল যে জুবিনৰ বুকুখনত কেৱল অসম আৰু অসমীয়াৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাহে বিৰাজমান। যোৱা বৰ্ষৰ ছেপ্টেম্বৰ মাহত নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ ছিংগাপুৰলৈ গৈ মৃত্যু সাৱটি লোৱা জুবিন গাৰ্গৰ সেই আকস্মিক ঘটনাই সমগ্ৰ দেশতেই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। শেহতীয়াকৈ চলিত বৰ্ষৰ মাৰ্চ মাহত ছিংগাপুৰৰ ক'ৰ'নাৰৰ প্ৰতিবেদনত প্ৰকাশ পাইছে যে এই মৃত্যু আছিল এক দুৰ্ভাগ্যজনক দুৰ্ঘটনা, য'ত অত্যধিক মদ্যপানৰ ফলত নিয়ন্ত্ৰণ হেৰুৱাই তেওঁ সাগৰৰ বুকুত ডুব গৈছিল। কিন্তু অসমৰ ৰাইজে আৰু তেওঁৰ অগণন অনুৰাগীয়ে আজিও এই কথাক সহজভাৱে মানি ল'ব পৰা নাই। আনকি অসমৰ মুখ্যমন্ত্ৰীয়েও ইয়াক এক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ প্ৰকাশ কৰিছিল আৰু শেহতীয়াকৈ ফাষ্ট-ট্ৰেক আদালতত অভিযুক্তৰ বিৰুদ্ধে হত্যাৰ গোচৰ ৰুজু হোৱা ঘটনাই এই সমগ্ৰ প্ৰক্ৰিয়াটোক এক নতুন মোৰ দিছে। ন্যায়ৰ দাবীত অসমৰ ৰাজপথত হোৱা প্ৰতিবাদ আৰু 'জাষ্টিচ ফৰ জুবিন' (Justice for Zubeen) অভিযানে প্ৰমাণ কৰিছে যে অসমীয়া মানুহে তেওঁলোকৰ মৰমৰ শিল্পীগৰাকীক কিমান গভীৰভাৱে ভাল পাইছিল। নৈতিক বা আইনী যুঁজ নিজৰ ঠাইত চলি থাকিব, কিন্তু ইয়াৰ মাজত আটাইতকৈ ডাঙৰ সত্যটো হৈছে যে আমি আমাৰ আটাইতকৈ প্ৰতিভাশালী শিল্পীগৰাকীক চিৰদিনৰ বাবে হেৰুৱালোঁ। "ৰৈ ৰৈ বিনালে সকলোৰে"— জুবিনৰ নশ্বৰ দেহ যেতিয়া অসমলৈ ঘূৰাই অনা হৈছিল, তেতিয়া লুইতৰ দুয়োপাৰৰ আকাশ-বতাহ কান্দোনত গধুৰ হৈ পৰিছিল। কিন্তু শিল্পীৰ মৃত্যু শৰীৰৰ লগত নহয়। জুবিন গাৰ্গে তেওঁৰ ৩৩ বছৰীয়া বৰ্ণিল সাংগীতিক জীৱনত অসমীয়া, বাংলা, হিন্দীকে ধৰি ৪০ টাৰো অধিক ভাষা-উপভাষাত যি অলেখ গীতৰ সৃষ্টি কৰি গ'ল, সেয়া মানৱ ইতিহাসত চিৰকাল অমৰ হৈ ৰ'ব। বলিউডত 'য়া আলি' (Ya Ali) গাই সমগ্ৰ ভাৰতবৰ্ষ কঁপাই তোলাৰ পিছতো তেওঁ অসমৰ মাটিৰ গোন্ধ এৰিব পৰা নাছিল। অসমৰ প্ৰায় ২৫০টা জনজাতীয় জনগোষ্ঠীৰ লোকগীত সংগ্ৰহ আৰু সংৰক্ষণ কৰাত তেওঁ যি অৱদান আগবঢ়াই গ'ল, সেয়া সঁচাকৈয়ে অতুলনীয়। অহা ১৯ ছেপ্টেম্বৰত তেওঁৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে সমগ্ৰ অসমবাসীয়ে তেওঁলৈ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ৰাজ্য চৰকাৰে তেওঁৰ স্মৃতিসৌধ নিৰ্মাণৰ যি পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া আদৰণীয়। কিন্তু জুবিন গাৰ্গৰ প্ৰকৃত স্মৃতিসৌধ নিৰ্মাণ হৈছে প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত।

যেতিয়ালৈকে ফাগুনৰ বলা বতাহ থাকিব, যেতিয়ালৈকে ব্ৰহ্মপুত্ৰৰ বুকুত ঢৌ উঠিব আৰু যেতিয়ালৈকে অসমৰ আকাশত 'মায়াবিনী'ৰ সুৰ বাজি থাকিব, তেতিয়ালৈকে জুবিন গাৰ্গ আমাৰ মাজত জীয়াই থাকিব। তেওঁৰ মৃত্যুৱে সৃষ্টি কৰা বিশাল শূন্যতা কোনেও পূৰণ কৰিব নোৱাৰে, কিন্তু তেওঁৰ সৃষ্টিৰাজিয়ে অনাগত হাজাৰ বছৰলৈকে অসমীয়া জাতিক সাহস, প্ৰেম আৰু জাতীয় আৱেগৰ পাঠ পঢ়ুৱাই থাকিব।

অশ্ৰুৰে নহয়, সৃষ্টিৰে- জুবিনলৈ এক গভীৰ শ্ৰদ্ধাঞ্জলি

লক্ষ্মীনন্দন কলিতা

কিছুমান জীৱন কেৱল এটা সময়ৰ পৰিসৰত আবদ্ধ নাথাকে। জীৱনৰ সীমা অতিক্ৰম কৰি তেওঁলোকৰ কৰ্ম, কণ্ঠ আৰু সৃষ্টিয়ে যুগৰ চেতনাত নিজৰ এক স্থায়ী ঠিকনা নিৰ্মাণ কৰে। জুবিন গাৰ্গ তেনে এক নাম-যি নাম উচ্চাৰিত হ'লেই অসমৰ সাংস্কৃতিক আকাশত অনুৰণিত হয় অসংখ্য সুৰ, স্মৃতি আৰু অনুভৱৰ গভীৰ প্ৰতিধ্বনি। জুবিন কেৱল সংগীতৰ এজন শিল্পী নাছিল, তেওঁ আছিল এক সৃষ্টিশীল সত্তা, এক সাংস্কৃতিক চেতনা। তেওঁৰ কণ্ঠত অসমৰ মাটিৰ গোন্ধ আছিল, ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে এক স্বাভাৱিক প্ৰবাহ আছিল, আৰু মানুহৰ সুখ-দুখৰ প্ৰতি আছিল এক গভীৰ সংবেদনশীলতা। সেয়েহে তেওঁৰ সৃষ্টিক কেৱল মনোৰঞ্জনৰ পৰিসৰত সীমাবদ্ধ কৰিলে তেওঁৰ অৱদানৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰা নহ'ব। ১৯ ছেপ্টেম্বৰ দিনটো আত্মমন্থনৰ দিন। জুবিনে আমাক যি সৃষ্টিশীল সাহস, মানৱীয় সংবেদন আৰু স্বকীয়তাৰ বোধ দি থৈ গৈছে, সেই মূল্যবোধক আমি আমাৰ জীৱনত কিমান দূৰ আগুৱাই নিব পাৰিছোঁ-সেই প্ৰশ্নটো নিজকে সোধাৰ দিন। এগৰাকী শিল্পীক সঁচা অৰ্থত সোঁৱৰণ কৰা মানে কেৱল তেওঁৰ ছবি সন্মুখত বন্তি জ্বলোৱা নহয়, তেওঁৰ সৃষ্টিৰ অন্তৰ্নিহিত চেতনাক নিজৰ কৰ্মৰ মাজত ধাৰণ কৰা। সেয়ে জুবিনক কেৱল স্মৃতিৰ অশ্ৰুসিক্ত পৃষ্ঠাত নহয়, সৃষ্টিৰ উজ্জ্বল পৃষ্ঠাত স্থান দিব লাগিব প্ৰতিজন অসমীয়াই। কোনো এজনে কবিতা লিখক, কোনোবাই গীত গাওক, কোনো শিশোৱে ছবি আঁকক, কোনো যুৱকে কলম তুলি লওক, কোনোবাই সাহিত্যৰ চৰ্চা কৰক, কোনোবাই সংস্কৃতিৰ সংৰক্ষণত নিজকে নিয়োজিত কৰক। কোনোবাই আকৌ নীৰৱে কোনো অসহায় মানুহৰ কাষত থিয় হওক। এই সৰু সৰু সৃষ্টিশীল আৰু মানৱীয় প্ৰয়াসবোৰৰ মাজতেই হয়তো জুবিনৰ প্ৰতি আটাইতকৈ অৰ্থৱহ শ্ৰদ্ধাঞ্জলি নিহিত হৈ আছে। কাৰণ জুবিনে আমাক কেৱল সুৰ শুনাই যোৱা নাছিল, তেওঁ আমাক অনুভৱ কৰিবলৈ শিকাইছিল। নিজৰ মাটিক ভাল পাবলৈ, নিজৰ ভাষাক মৰম কৰিবলৈ আৰু নিজৰ অস্তিত্বক লৈ গৌৰৱ কৰিবলৈ তেওঁৰ সৃষ্টিয়ে বহু হৃদয়ক অনুপ্ৰাণিত কৰিছিল। সেই অনুপ্ৰেৰণাক যদি আমি পৰৱৰ্তী প্ৰজন্মৰ হাতলৈ আগবঢ়াই দিব পাৰো, তেন্তে সোঁৱৰণে তেতিয়াহে অৰ্থ লাভ কৰিব। আজিৰ প্ৰজন্মৰ বাবে জুবিনৰ স্মৃতি সেয়ে এক দায়িত্বও। তেওঁৰ সৃষ্টিক সংৰক্ষণ কৰা, তেওঁৰ সাংস্কৃতিক অৱদানক গভীৰভাৱে অনুধাৱন কৰা আৰু অসমৰ সৃষ্টিশীল পৰম্পৰাক অধিক সমৃদ্ধ কৰাৰ সংকল্প লোৱা-এইবোৰেই হ'ব তেওঁৰ প্ৰতি আমাৰ সুদূৰপ্ৰসাৰী সন্মান। ১৯ ছেপ্টেম্বৰত আহক, কিছু সময় নীৰৱ হওঁ। তেওঁৰ সুৰৰ মাজেৰে অতীতলৈ উভতি যাওঁ, তেওঁৰ সৃষ্টিৰ মাজেৰে বৰ্তমানক চাওঁ আৰু ভৱিষ্যতৰ বাবে কিছু সৃষ্টিশীল সংকল্প গ্ৰহণ কৰোঁ। জুবিন গাৰ্গক সোঁৱৰো কেৱল অশ্ৰুৰে নহয়, আদৰ্শৰে। কেৱল স্মৃতিৰে নহয়, সৃষ্টিৰে। কেৱল কথাৰে নহয়, কৰ্মৰে। এগৰাকী শিল্পীৰ জীৱনৰ অন্ত পৰিব পাৰে, কিন্তু তেওঁৰ সৃষ্টিৰ যাত্ৰাৰ অন্ত নপৰে। যেতিয়ালৈকে কোনো কণ্ঠত সুৰ জাগিব, কোনো কলমত শব্দ জন্ম ল'ব, কোনো হৃদয়ত মানুহৰ বাবে মমতা জাগিব, তেতিয়ালৈকে জুবিনৰ সৃষ্টিশীল অনুৰণনো কোনোবা নহয় কোনোবা ৰূপত জীয়াই থাকিব। ১৯ ছেপ্টেম্বৰত আমি সকলোৱে আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গক সৃষ্টিশীলতাৰে সোঁৱৰো আহক। তেওঁৰ স্মৃতিৰ দীপশিখাৰ পৰা নিজৰ অন্তৰত এটি নতুন সৃষ্টিৰ পোহৰ জ্বলাই তোলোঁ আহক।

জুবিনবিহীন সেই দিনটোৰ এক স্মৃতি

ড° মঞ্জু চক্ৰৱৰ্তী

সেইদিনা আছিল ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰ শুকুৰবাৰ। পুৱা ৯ বজাত নিজা গাড়ীৰে ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ বুলি ৰাওনা হৈছো। সাধাৰণতে গাড়ীৰে এনেদৰে দীঘলীয়া যাত্ৰা কৰিলে নিজে ভালপোৱা গীতবোৰ গাড়ীতে শুনা হয়। আজিকালি ঘৰত বহি গীত শুনা নহয়েই দেখোন। ইতিমধ্যে জীৱনৰ ছয়টা দশক পাৰ কৰিছো যদিও গাড়ীত গান শুনাৰ আমেজটো এৰিব পৰা নাই। আগতে ভূপেনদা, জয়ন্ত হাজৰিকা, লতা মংগেশকাৰ, মহম্মদ ৰফী আদিৰ চিৰযুগমীয়া গীতসমূহ শুনো যদিও আজি কিছু বছৰৰ পৰা জুবিন গাৰ্গৰ সুৰীয়া কণ্ঠইও মন প্ৰাণ হৰি আৱেগপ্ৰৱণ কৰি তুলিছিল। সেয়েহে তেওঁৰ গীতবোৰো প্ৰায়ে যাত্ৰাপথত শুনি ভাল পাওঁ। সেইদিনাও জুবিনৰ 'মায়াবিনী ৰাতিৰ বুকুত' গীতটি শুনি শুনি সহযাত্ৰীৰ সৈতে জুবিনৰ যাদুকৰী কণ্ঠ, শব্দ আৰু সুৰৰ অপূৰ্ব সৃষ্টিৰ কথা আলোচনা কৰিয়েই আগবাঢ়িছিলো। হঠাতে কাজিৰঙাৰ ওচৰত বৰষুণ পৰা দেখি চিন্তা কৰিলোঁ যে যোৱাবাটৰ ওচৰত পানী বা শুকাল নে নাহ ! কাৰণ সেইকেইদিন টি ভি নিউজত এজাক বৰষুণতে গুৱাহাটী বুৰ যোৱা আৰু যোৱাবাটত পানীৰ বাবেই হোৱা যান-জঁটৰ কথা শুনি আছিলো। সেয়েহে গান বন্ধ কৰি মোবাইলতে বাতৰি এটা চাওঁ বুলি ফেচবুকটো খুলিছো মাত্ৰ Big Breaking News এটা দেখি চক্ খাই উঠিলোঁ। 'ছিংগাপুৰত জুবিন গাৰ্গ অসুস্থ' বুলি কৈছে। লগে লগে মোবাইলটো টিপি ইটোৰ পিছত সিটোকৈ সকলোবোৰ নিউজ চেনেল চাবলৈ ধৰিলো। এইবাৰ শুনিলো সকলোকে প্ৰাৰ্থনা জনাবলৈ কৈছে যাতে জুবিন গাৰ্গ সুস্থ হৈ উঠে। গাড়ীৰ ভিতৰতে উশাহ বন্ধ হোৱা যেন লাগিল। কি হব এতিয়া ! কি কৰোঁ, কলৈ যাওঁ যেন লাগিছে। গাড়ী গৈ আছে, হাতযোৰ কৰি নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা কৰিছো যাতে বেয়া খবৰ নাহে, জুবিন সুস্থ হৈ উঠক। অলপ সময়ৰ ভিতৰতে কাহানিও নুশুনিম যেন লগা সেই দুঃসংবাদটো আহিল 'জুবিন গাৰ্গ আৰু নাই'।

ছিংগাপুৰৰ সাগৰত 'স্কুবা ড্ৰাইভিঙত মৃত্যু হৈছে।' এনে লাগিল চাৰিওফালে যেন এক অন্ধকাৰে চাটি ধৰিছে। ভিন ভিন চেনেলত ভিন্ন খবৰ প্ৰচাৰ হবলৈ ধৰিছে। পিছৰ খবৰত পালো 'লাইফ জেকেট নোহোৱাকৈ সাগৰত নামিছিল', কোনোৱে জনালে সেইসময়তে জুবিনৰ Seizure attack হ'ল। খবৰবোৰ শুনি শুনি অস্থিৰ হৈ পৰিছো। কথাটো সহ্য কৰিব পৰা নাই। মোবাইলতে চকু থিৰ হৈৰ'ল। কেনেকৈ গুৱাহাটী পালোহি গমকে নাপালোঁ। জুবিনবিহীন গুৱাহাটী এক ভাৱিব নোৱাৰা কথা। ইতিমধ্যে সেই দু: সংবাদটো সত্য বুলি প্ৰমাণ হ'ল। খানাপাৰাৰ পৰা জি.এচ ৰোড হৈ গৈ থাকোঁতে দেখা পালো ৰাস্তাৰ দুয়োকাষে অগণন গুণমুগ্ধ জনতাই অশ্ৰুসিক্ত নয়নেৰে হাতে হাতে মমবাতি চাকি জ্বলাই জুবিনৰ প্ৰতিচ্ছবিৰ আগত 'মায়াবিনী ৰাতিৰ বুকুত ' গীতটি গাই গাই শোকত ভাগি পৰিছে। গণেশগুৰিৰ উৰণীয়া সেতুৰ তলতো জুবিন অনুৰাগীসকলে বন্তিপ্ৰজ্বলন কৰি 'জয় জুবিনদা' ধ্বনি দি মৰমৰ শিল্পীজনাক সুঁৱৰিছে। এক শোকাকুল পৰিৱেশ আৰু অভাৱনীয় পৰিস্থিতি সন্মুখীন হৈ নিজেও কোনোপধ্যে মনক সান্ত্বনা দিব পৰা নাছিলোঁ। নিশাটো নিদ্ৰাহীন ভাৱে পাৰ কৰিলোঁ। আজিপৰ্যন্ত সেইদিনটোৰ কথা মনৰ পৰা আঁতৰাব পৰা নাই। মুহূৰ্তৰ ভিতৰতে এনেকৈ এক মহান সত্তা সাধাৰণৰ দৰে গুচি গ'ল। সাধাৰণৰ দৰে এই কাৰণেই কৈছো যে জুবিন অসমৰ সম্পদ, তেওঁক সুৰক্ষা দিয়াটো সকলোৰে কৰ্তব্য। জুবিন য'তেই থাকক, য'তেই অনুষ্ঠান নকৰক কিয় তেওঁৰ লগত চিকিৎসক থকাটো উচিত আছিল। যিসকল লগত গৈছিল তেওঁলোকৰো সম্পূৰ্ণ দায়িত্ব থাকিব লাগিছিল। তেওঁলোকৰ অৱহেলাৰ বাবেই আজি অসম তথা ভাৰতে এক অমূল্য ৰত্ন অকালতে হেৰুৱাব লগা হ'ল। জুবিন গাৰ্গ যে কিমান মহান, তেওঁৰ প্ৰেমৰ শক্তি কিমান প্ৰবল সেইকথা তেওঁ নোহোৱা হোৱাৰ পিছত হে আজি সমগ্ৰ বিশ্বই বুজি পাইছে।

জুবিনবিহীন অসমে আজি সম্পূৰ্ণ এবছৰ পাৰ কৰিলে। আজিও অসমীয়াই তেওঁৰ আকস্মিক বিয়োগক সহজভাৱে ল'ব পৰা নাই। সকলোৱে তেওঁৰ গীত, মাত-কথা তথা সৃষ্টিৰাজিক চাই চাইয়েই দিন পাৰ কৰিছে। কোনোজন অসমীয়াই মনক সান্ত্বনা দিব পৰা নাই। সময়ো যেন থমকি ৰৈছে। সকলোৱে আজি জুবিনৰ অস্বাভাৱিক বিয়োগৰ কাৰণ বিচাৰি হাবাথুৰি খাইছে। নৱপ্ৰজন্মৰ মেৰুদণ্ড স্বৰূপ জুবিন গাৰ্গ। শোকস্তব্ধ অসম আকৌ কেতিয়া সক্ৰিয় হৈ উঠিব সেই কথা কব নোৱাৰো। জুবিন গাৰ্গৰ ঠাই যে আনে পুৰাব পাৰিব সিয়ো অসম্ভৱ। তেওঁৰ প্ৰেমৰ শক্তি, যাদুকৰী কণ্ঠ আৰু গীতৰ গভীৰতাইহে অসমক পুনৰ সজীৱ কৰি তুলিব। আজিৰ অসমীয়াই জুবিনে বিচৰা অসমখন বিচাৰি পাইছে। সেইখন অসমক সকলোৱে তুলি ধৰিব পাৰিলেহে জুবিন গাৰ্গৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। তেওঁৰ আদৰ্শ আৰু সৃষ্টিয়ে প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি ৰাখিব বুলি আশা কৰিলোঁ। আমাৰ সকলোৰে প্ৰাণৰো প্ৰাণ জুবিন গাৰ্গ য'তেই আছে ত'তেই শান্তিৰে থাকক, এয়ে প্ৰাৰ্থনা।

অসমীয়া সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গ

লাচিত বায়ন

অসমীয়া সংগীত জগতৰ অন্যতম জনপ্ৰিয় কণ্ঠশিল্পী, সংগীত পৰিচালক, গীতিকাৰ আৰু অভিনেতা জুবিন গাৰ্গ। নিজৰ সুকীয়া কণ্ঠশৈলী, সংগীতৰ প্ৰতি গভীৰ অনুৰাগ আৰু বহুমুখী প্ৰতিভাৰে তেওঁ দীৰ্ঘদিন ধৰি অসমীয়া সাংস্কৃতিক জগতত এক বিশেষ স্থান দখল কৰি আহিছে।

অসমীয়া সংগীতৰ লগতে হিন্দী, বাংলা আৰু অন্যান্য ভাষাৰ সংগীতো কণ্ঠদান কৰি জুবিন গাৰ্গে ৰাজ্যৰ বাহিৰতো নিজৰ পৰিচয় গঢ়ি তুলিছে। গীত গোৱাৰ উপৰি সংগীত পৰিচালনা, গীত ৰচনা আৰু চলচ্চিত্ৰত অভিনয়ৰ জৰিয়তেও তেওঁ নিজৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দিছে।

জুবিন গাৰ্গৰ সংগীতৰ অন্যতম বৈশিষ্ট্য হৈছে— তেওঁৰ গীতত অসমৰ মাটি, মানুহ, প্ৰকৃতি আৰু সমাজ জীৱনৰ বিভিন্ন অনুভূতিৰ প্ৰতিফলন দেখা যায়। প্ৰেম, বিৰহ, আশা-আকাংক্ষা, জীৱনৰ সংগ্ৰামৰ পৰা আৰম্ভ কৰি সামাজিক আৰু মানৱীয় অনুভূতিলৈকে বিভিন্ন বিষয় তেওঁৰ সৃষ্টিত স্থান লাভ কৰিছে। সেইবাবেই তেওঁৰ কণ্ঠৰ গীত অসমৰ শ্ৰোতাৰ হৃদয়ত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

চেঙাৰ মাটিৰ সৈতে জুবিন গাৰ্গৰ এক বিশেষ সংগীতৰ সম্পৰ্ক জুবিন গাৰ্গৰ সৈতে চেঙাবাসীৰ সম্পৰ্ক কেৱল এগৰাকী শিল্পীৰ অনুষ্ঠান উপভোগ কৰাতে সীমাবদ্ধ নহয়। চেঙাৰ সংগীত জগতৰ কেইবাগৰাকীও প্ৰতিভাৱান শিল্পী আৰু গীতিকাৰৰ সৈতে জুবিন গাৰ্গৰ সৃষ্টিশীল সম্পৰ্কৰ স্মৃতিও জড়িত হৈ আছে।

চেঙা গাঁৱৰ জনপ্ৰিয় গীতিকাৰ-সুৰকাৰ শ্ৰী দেৱৰাজ পাঠকৰ কথা আৰু সুৰেৰে সজোৱা 'হিয়া জুৰোৱা কথা কৈও' শীৰ্ষক গীতটো জুবিন গাৰ্গে 'নাহৰমণি' কেছেটত কণ্ঠদান কৰিছিল। চেঙাৰ এগৰাকী গীতিকাৰ-সুৰকাৰৰ কথা আৰু সুৰেৰে সৃষ্টি হোৱা গীতত জুবিন গাৰ্গৰ দৰে জনপ্ৰিয় শিল্পীৰ কণ্ঠ সংযোজন হোৱাটো চেঙাৰ সাংস্কৃতিক জগতৰ বাবে এক উল্লেখযোগ্য স্মৃতি।

ইয়াৰ লগতে চেঙা গাঁৱৰে জনপ্ৰিয় কণ্ঠশিল্পী শ্ৰী অপূৰ্ব পাঠকেও জুবিন গাৰ্গৰ সান্নিধ্য লাভ কৰাৰ সুযোগ পাইছিল। জুবিন গাৰ্গৰ সান্নিধ্যত অপূৰ্ব পাঠকে 'নাচ ময়ূৰী নাচ' গীত পৰিৱেশন কৰাৰ স্মৃতিও চেঙাৰ সংগীত প্ৰেমী ৰাইজৰ মাজত বিশেষভাৱে চৰ্চিত।

আৱাহন থিয়েটাৰৰ সৈতে জড়িত থকাৰ সময়ছোৱাতো অপূৰ্ব পাঠকে কেইবাদিনো জুবিন গাৰ্গৰ সান্নিধ্য লাভ কৰিছিল। এগৰাকী শিল্পীৰ বাবে জুবিন গাৰ্গৰ দৰে অভিজ্ঞ আৰু জনপ্ৰিয় শিল্পীৰ কাষত থাকি সংগীতৰ বিভিন্ন দিশৰ অভিজ্ঞতা লাভ কৰাটো এক স্মৰণীয় অধ্যায় হিচাপে বিবেচিত হয়। চেঙাৰ মাটিত জুবিনৰ সেই স্মৰণীয় সন্ধিয়া জুবিন গাৰ্গৰ সৈতে চেঙাবাসীৰ সম্পৰ্কৰ আন এক স্মৰণীয় অধ্যায় হৈছে ২০২৩ চনৰ ২৯ এপ্ৰিল, ১৫ বহাগ। সেইদিনা বৰপেটা জিলাৰ চেঙা শালদিয়া পাৰাৰ শ্ৰীমন্ত শংকৰদেৱ ভাৰিধোঁ ঘাটৰ ফিল্ডত অনুষ্ঠিত এক অনুষ্ঠানত জুবিন গাৰ্গে উপস্থিত হৈ চেঙাবাসীৰ মাজত এক বিশেষ উৎসাহৰ সৃষ্টি কৰিছিল।

সেইদিনা বতৰ আছিল অত্যন্ত প্ৰতিকূল। আকাশত ডাৱৰ, প্ৰচণ্ড ধুমুহা- সকলো মিলি অনুষ্ঠান স্থলীৰ পৰিৱেশ কঠিন হৈ পৰিছিল। কিন্তু সেই প্ৰতিকূল বতৰেও জুবিন গাৰ্গক এবাৰ চকুৰে চোৱাৰ হেঁপাহক বাধা দিব পৰা নাছিল চেঙাৰ ৰাইজক। ধুমুহা-বতাহক নেওচি বহু লোক হেঁপাহেৰে অনুষ্ঠান স্থলীলৈ ঢাপলি মেলিছিল। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত সেইদিনা দেখা গৈছিল এক অভূতপূৰ্ব উৎসাহ। প্ৰিয় শিল্পী জুবিন গাৰ্গক সন্মুখৰ পৰা চোৱাৰ আনন্দত ডেকা-যুৱক, যুৱতীকে ধৰি অসংখ্য অনুৰাগী অনুষ্ঠানস্থলীত সমবেত হৈছিল।

অনুষ্ঠানৰ মাজতে জুবিন গাৰ্গে 'বোকা ডান্স লাগে' বুলি কোৱাৰ পাছতেই পৰিৱেশটো যেন আৰু অধিক উৎসৱমুখৰ হৈ পৰিছিল। জুবিনৰ আহ্বানত বহু ডেকা ল'ৰা বোকাত নামি আনন্দত নাচি উঠিছিল। বোকা-মাটিৰ মাজতো তেওঁলোকৰ মুখত আছিল হাঁহি আৰু উৎসাহ। কোনোবাই বোকাত লুতুৰি-পুতুৰি হৈ নাচিছিল, কোনোবাই আকৌ বন্ধুৰ সৈতে আনন্দত মতলীয়া হৈ পৰিছিল। সেই দৃশ্য আজিও বহু চেঙাবাসীৰ মনত এক মধুৰ স্মৃতি হৈ আছে। প্ৰচণ্ড বতৰকো নেওচি প্ৰিয় শিল্পীগৰাকীৰ সৈতে সেই মুহূৰ্ত উপভোগ কৰাৰ আনন্দই উপস্থিত ৰাইজৰ মনত এক বিশেষ অনুভূতিৰ সৃষ্টি কৰিছিল।

জুবিন গাৰ্গৰ বাবে অসমৰ ৰাইজৰ মৰম যে কিমান গভীৰ, চেঙাৰ সেই অনুষ্ঠানটোৱেই যেন তাৰ এক জীৱন্ত উদাহৰণ। প্ৰতিকূল বতৰ, বোকা-মাটি—একোৱেই অনুৰাগীৰ উৎসাহক ম্লান কৰিব পৰা নাছিল। জুবিন গাৰ্গ কেৱল এগৰাকী গায়ক নহয়; তেওঁ অসমৰ বহু মানুহৰ বাবে আৱেগ, অনুভূতি আৰু স্মৃতিৰ সৈতে জড়িত এটা নাম। তেওঁৰ কণ্ঠত অসমীয়া গীত শুনি ডাঙৰ হোৱা বহু প্ৰজন্মৰ বাবে জুবিন এক চিনাকি আৰু আপোন মুখ।

চেঙাৰ গীতিকাৰ-সুৰকাৰ দেৱৰাজ পাঠকৰ সৃষ্টি কৰা গীতত কণ্ঠদানৰ পৰা আৰম্ভ কৰি কণ্ঠশিল্পী অপূৰ্ব পাঠকৰ সৈতে সান্নিধ্য, আৰু চেঙাৰ মাটিত হাজাৰ হাজাৰ অনুৰাগীৰ সৈতে কটোৱা সেই স্মৰণীয় সন্ধিয়ালৈকে— জুবিন গাৰ্গৰ সৈতে চেঙাৰ এক বিশেষ সাংস্কৃতিক সম্পৰ্ক গঢ় লৈ উঠিছে।

সময়ৰ পৰিৱৰ্তনৰ সৈতে সংগীতৰ ধাৰা সলনি হৈ আহিছে যদিও জুবিন গাৰ্গৰ গীতৰ প্ৰতি শ্ৰোতাৰ আগ্ৰহ অব্যাহত আছে। অসমীয়া সংগীত আৰু সংস্কৃতিৰ ক্ষেত্ৰত তেওঁৰ দীঘলীয়া যাত্ৰাই এক উল্লেখযোগ্য অধ্যায়ৰ ৰূপ লাভ কৰিছে। চেঙাৰ মাটিত জুবিন গাৰ্গক লৈ থকা এই স্মৃতিবোৰো চেঙাবাসীৰ সাংস্কৃতিক জীৱনৰ এক অবিস্মৰণীয় অধ্যায় হৈ ৰ'ব।

জুবিন গাৰ্গ পুঁজিবাদৰ মঞ্চত সমাজবাদৰ সুৰ

অভিজিৎ খাটনিয়াৰ

সাম্প্ৰতিক অসমৰ সংগীত, সাংস্কৃতিক আৰু সামাজিক জীৱনত আটাইতকৈ বেছি গভীৰভাৱে প্ৰতিধ্বনিত হোৱা নামটোৱেই হৈছে জুবিন গাৰ্গ। যোৱা তিনি দশকৰো অধিক কাল তেওঁৰ গীত, ৰাগ, শব্দ আৰু ব্যক্তিত্বই অসমীয়া সমাজ সত্তাক জাগ্ৰত কৰি ৰাখিছিল। কিন্তু জুবিন গাৰ্গ কেৱল এজন গায়ক, সংগীতকাৰ বা অভিনেতাই নাছিল — তেওঁ আছিল এটা দৰ্শন, এটা বিপ্লৱী চিন্তা, যিয়ে সংগীতৰ জৰিয়তে সমাজক সজাগ কৰাৰ প্ৰয়াস কৰিছিল।

তেওঁ নিজেই সগৰ্বে ঘোষণা কৰি গৈছিল, "মই সমাজবাদী বাওঁপন্থী" (I am social leftist). তেওঁৰ আদৰ্শ ব্যক্তি চে গুৱেভাৰা, চাৰ্লি চেপলিন আৰু বিষ্ণু ৰাভা বুলি তেওঁ নিজেই কৈ গৈছে। কিন্তু আশ্চৰ্যজনকভাৱে, শেহতীয়াকৈ একাংশ লোকে তেওঁৰ এই স্বঘোষিত কথাটো উপেক্ষা কৰিবলৈ অহৰহ চেষ্টা কৰি আছে। তেওঁলোকৰ মতে জুবিন আছিল "অৰাজনৈতিক"। কিন্তু, 'সমাজবাদ' মানেই জানো ৰাজনীতি? নিশ্চয় নহয়। ই মানৱতাৰ এক বিশ্বাস, সহানুভূতিৰ এক অনুভূতি। সমাজবাদ মানে মানুহক মানুহ হিচাপে গণ্য কৰা, অন্যায়ৰ বিৰুদ্ধে কথা কোৱা — আৰু এই দিশত জুবিন আছিল সৰ্বাধিক সমাজবাদী। তেওঁ পোনপটীয়াকৈ কোনো বাওঁপন্থী ৰাজনৈতিক দলৰ সৈতে জড়িত নহ'লেও, নিজেই আগবাঢ়ি আহি 'ভাৰতীয় গণনাট্য সংঘ'ৰ সভ্য ভৰ্তি হোৱাটোৱে তেওঁৰ বাওঁপন্থী আদৰ্শৰ প্ৰতি থকা গভীৰ আস্থাৰ কথা প্ৰতীয়মান কৰে।

জুবিনৰ সাংগীতিক যাত্ৰাও আছিল এক সংগ্ৰামী যাত্ৰা। 'অনামিকা'ৰ জুবিনৰ পৰা 'ইয়া আলি'ৰ বলিউডীয় জুবিনলৈ তেওঁৰ উত্তৰণ আছিল সংগ্ৰামেৰে পৰিপূৰ্ণ। খ্যাতিৰ শীৰ্ষত থাকিও তেওঁ কেতিয়াও নিজৰ মাটিৰ পৰা আঁতৰি যোৱা নাছিল। বানপানীৰ সময়ত পীড়িতৰ কাষত, অসুস্থ শিল্পীৰ সহায়ত অথবা কৃষকৰ অধিকাৰৰ দাবীত, নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধিতাত — জুবিন সদায় আছিল আগশাৰীত। তেওঁৰ সমাজবাদ কিতাপৰ পৃষ্ঠা বা বক্তৃতাত সীমাবদ্ধ নাছিল; ই আছিল তেওঁৰ জীৱনৰ অংশ।

তেওঁৰ গীতত আছিল শ্ৰমিকৰ গৌৰৱ, শিপিনীৰ শ্ৰমৰ মূল্য, মাছমৰীয়াৰ জীৱনৰ সপোন। তেওঁৰ বিপ্‌-বী গীতত প্ৰতিধ্বনিত হৈছিল প্ৰতিবাদ, ন্যায় আৰু সাহসৰ কথা। পৰিৱেশ, মাটিৰ গোন্ধ, মানুহৰ দুখ — এইবোৰেই আছিল তেওঁৰ সংগীতৰ মূল পুঁজি। এজন সমাজবাদী শিল্পীয়ে এইদৰেই গীতৰ মাজেৰেই কৰি গৈছিল প্ৰতিবাদ।

বলিউডত 'ইয়া আলি'ৰ জৰিয়তে খোপনি পোতাৰ লগতে দেশে-বিদেশে খ্যাতি অৰ্জন কৰিলেও, জুবিনৰ মন মুম্বাইত স্থিৰ হৈ থাকিব নোৱাৰিলে। তেওঁৰ মতে, সেই জগত আছিল কৃত্ৰিম, অৰ্থনিৰ্ভৰ, মানৱতাবিহীন। সেয়ে তেওঁ ঘূৰি আহিল নিজৰ মাটিলৈ, নিজৰ ভাষালৈ। এই সিদ্ধান্তও আছিল এটা নিঃশব্দ প্ৰতিবাদ - পুঁজিবাদী গৌৰৱৰ বিৰুদ্ধে সমাজবাদী সৰলতাৰ এক ঘোষণা।

জুবিনৰ জীৱন আৰু কৰ্মৰাজি আছিল দ্বন্দ্বপূৰ্ণ — একেদৰে উদ্দাম আৰু স্নেহময়, তেজস্বী আৰু কোমল, বিদ্ৰোহী আৰু বিনয়ী। কিন্তু, এই বৈপৰীত্যই তেওঁক প্ৰকৃতাৰ্থত এজন সম্পূৰ্ণ মানুহ কৰি তুলিছিল। তেওঁ গায়ক হিচাপে নকলা, তেওঁ অনুভৱ কৰিছিল। আৰু সেই অনুভৱৰেই জন্ম দিছিল এটা নতুন যুগৰ সংগীত — য'ত বিনোদন আৰু বাণিজ্যৰ মাজতো বাজি উঠিছিল মানৱতাৰ সুৰ।

আজিৰ এই পুঁজিবাদী যুগত, যেতিয়া শিল্পক মুনাফাৰ মাপকাঠিৰে জোখা হয়, তেনে এক সময়ত জুবিনে দেখুৱাই গ'ল — সংগীতে কিদৰে বিবেক বহন কৰিব পাৰে। তেওঁ বজাৰ, মিডিয়া, মঞ্চ — এই সকলো ব্যৱহাৰ কৰিলে তেওঁৰ সমাজবাদী বাৰ্তা শ্ৰোতাৰ মাজলৈ প্ৰেৰণ কৰিবলৈ। এই ক্ষেত্ৰত তেওঁ সফলো হৈছিল। বিশেষকৈ তৰুণ প্ৰজন্মৰ মনত সমাজবাদী আদৰ্শ গঢ় দিয়াত। এই ক্ষেত্ৰত কেৱল গীতেৰেই নহয় তেওঁৰ কৰ্মৰেও নৱপ্ৰজন্মক প্ৰভাৱিত কৰিছিল জুবিন গাৰ্গে।

জুবিন প্ৰত্যক্ষভাৱে ৰাজনীতিৰ মঞ্চত নাছিল, কিন্তু তেওঁৰ গীতেই আছিল ৰাজনীতি- দুখৰ গীত, প্ৰেমৰ গীত, প্ৰতিবাদৰ গীত। তেওঁৰ সংগীতে দেখুৱাই গ'ল — সমাজবাদ কেতিয়াও শেষ হৈ নাযায়; ই সুৰত বাচি থাকে, ই মানৱতাত নিশ্বাস লয়।

জুবিন গাৰ্গ আছিল পুঁজিবাদী মঞ্চত সমাজবাদৰ সুৰ। যদিও তেওঁ এজন ষ্টাৰ(Star) আছিল, কিন্তু গাইছিল দুখীয়া মানুহৰ বাবে। তেওঁ খ্যাতি অৰ্জন কৰিছিল, কিন্তু গৰ্বেৰে নহয়; মৰমেৰে। আৰু সেই মৰমেই তেওঁক চিৰঞ্জীৱী কৰি তুলিছে। আজিও তেওঁৰ সংগীতৰ প্ৰতিটো সুৰে যেন কাণে কাণে কয় — "প্ৰেম, সমতা আৰু ন্যায় — ইহে জীৱনৰ সঁচা সুৰ।"

দিন নাযায়-ৰাতি নুপুৱাই, জুবিন দা অবিহনে ৰৈ ৰৈ বিনাই

হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ অবিহনে এতিয়া অসমীয়াৰ হৃদয় ৰৈ ৰৈ বিনাই। ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰৰ সেই অভিশপ্ত দিনটোতেই আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গে সকলোকে কন্দুৱাই ইহসংসাৰৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছিল। অসমীয়াৰ মৰমৰ দাদা, জুবিন দা অবিহনে অসমীয়াৰ আজি দিন নাযায়, ৰাতি নুপুৱাই। অসমৰ সংগীত আজি স্থবিৰ, অসমীয়া সংগীতে নতুনত্ব হেৰাইছে। জুবিন দাই যিদৰে প্ৰাণ ঢালি গান গাইছিল সেই গান এতিয়া নাই। মাথোঁ স্মৃতি সুঁৱৰি জীয়াই আছে অসমীয়া জাতি। মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই বুলি সাহসেৰে ক'ব পৰা মানুহ এতিয়া অসমত নাই। ধৰ্মৰ নামত সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱাৰ কাৰণে কিন্তু একাংশ চৰ্চিত ব্যক্তি সদায় তৎপৰ হৈ আছে। আনহাতে, সাধাৰণ ব্যক্তিয়ে সদায় জুবিন গাৰ্গৰ কথা হৃদয়ত সংগোপনে সাঁচি ৰাখিছে। ইয়াৰ প্ৰমাণ যোৱা জুলাই মাহৰ শেষত অহা শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাটৰ প্ৰলয়ংকাৰী বানৰ সময়তে বিশ্ববাসীয়ে দেখা পাইছে। বানপীড়িত লোকক সহায়ৰ বাবে অসমৰ সুহৃদ লোকসকল আগুৱাই আহিছে। জাতি, ধৰ্ম, বৰ্ণৰ কথা নাভাবি সকলোৱে যিয়ে যেনেকৈ পাৰে সহায় কৰিছে। জুবিন গাৰ্গৰ সপোনৰ অসমখনৰ লোকসকল বিপদৰ সময়ত এক হ'বলৈ শিকিছে। চৰকাৰে কি ব্যৱস্থা লৈছে বা ল'ব তাৰ খবৰ নৰখাকৈ একমাত্ৰ সহায়ৰ উদ্দেশ্যে অসমৰ লোক সকল আগুৱাই আহিছে। অসমীয়া মানুহে এতিয়া সাম্প্ৰদায়িকতা ভাল নাপায়, ভাল পায় মাথোঁ মানুহক; যিটো জীৱিত কালত হিয়াৰ আমঠু জুবিন গাৰ্গে সকলো সময়তে কৈ গৈছিল। মানৱৰ জয়গান গোৱা অসমৰ প্ৰাণৰ শিল্পী জুবিন দাৰ আত্মাই চিৰকাল শান্তি লাভ কৰক তাকে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

কমলেশ কাঞ্চন

জুবিন দা

বিশ্বজিৎ কলিতা

সপোন ৰঙীন জীৱনৰ স'তে,
নিশা বোৰ জগাবলে...
নাহা আৰু তুমি নহয়নে জুবিন দা।
সকলোৰে বুকুবোৰ উকা কৰি সাগৰ তলিত,
চিৰনিদ্ৰাক কিয় সাৱতি ল'লা তুমি;
অ'...বুজিছো তুমি আমাক
সাগৰৰ মুকুতাও চাগৈ...
আনি দিম ভাবিছিলাঁ।
তোমাৰ উদাৰতাৰ প্ৰতিদান আজি
কি পালানো জুবিন দা?
মানুহ কেনেকৈ ইমান নিষ্ঠুৰ হ'ব পাৰে
তোমাৰ বিশ্বাসৰ মূল্য...
নৰপিশাচ হঁতে কেনেদৰে দিলে,
শেষ নিশ্বাসত তুমি নিশ্চয়...
মৰ্মে মৰ্মে উপলব্ধি কৰিলা।
তোমাৰ অনাকাংক্ষিত মৃত্যুৰে,
এটা সুৰীয়া যুগৰ অৱসান ঘটালে সঁচা;
কিন্তু সেই সুৰ আমাৰ
হৃদয়ৰ কোঁহে কোঁহে বাজি থাকিব
চিৰদিন-চিৰকাল।

জুবিন গাৰ্গ এটা কণ্ঠৰ সিপাৰে অসমীয়া সংস্কৃতিৰ ৰূপান্তৰ

মৌচুম কৌশিক

এজন শিল্পীক তেওঁৰ গানৰ সংখ্যাৰে জোখা যায়, কিন্তু এজন সাংস্কৃতিক শিল্পীক জুখিব লাগে তেওঁ নিজৰ সময়ক কিমান গভীৰভাৱে স্পৰ্শ কৰিলে, তাৰ জৰিয়তে। জুবিন গাৰ্গৰ ক্ষেত্ৰত এই প্ৰশ্নটোৱেই অধিক প্ৰাসংগিক। তেওঁৰ গানৰ সৈতে অসমৰ এটা প্ৰজন্মৰ কৈশোৰ, প্ৰেম, আনন্দ, অভিমান আৰু সামাজিক অভিজ্ঞতা জড়িত হৈ আছে। সেয়েহে জুবিন গাৰ্গ কেৱল এজন জনপ্ৰিয় গায়কৰ নাম নহয়; তেওঁ আধুনিক অসমীয়া জনপ্ৰিয় সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়।

১৯৯২ চনত 'অনামিকা'ৰ জৰিয়তে সংগীতৰ জগতত আত্মপ্ৰকাশ কৰাৰ পাছৰে পৰা জুবিনে অসমীয়া সংগীতত এক পৃথক প্ৰকাশভংগী আনিছিল। তেওঁৰ সংগীতত অসমীয়া লোকধাৰা আৰু আধুনিক বাদ্যসংগীতৰ সংমিশ্ৰণে সেই সময়ৰ যুৱসমাজৰ পৰিৱৰ্তিত ৰুচিক প্ৰতিফলিত কৰিছিল। এফালে নিজৰ ভাষা, লোকপৰম্পৰা আৰু সাংস্কৃতিক শিপাৰ প্ৰতি টান; আনফালে নতুন সংগীত, নতুন জীৱনশৈলী আৰু বিশ্বায়নৰ প্ৰভাৱ—এই দুয়োটা প্ৰৱাহৰ মাজত থকা মানসিক অৱস্থাই জুবিনৰ সৃষ্টিৰ মাজত এক স্বাভাৱিক প্ৰকাশ বিচাৰি পাইছিল।

এইখিনিতেই তেওঁৰ সাংস্কৃতিক অৱদানৰ বিশেষত্ব। তেওঁ পৰম্পৰাক কেৱল অতীতৰ স্মৃতি হিচাপে উপস্থাপন কৰা নাছিল। লোকসুৰ, বিহু আৰু অসমীয়া জীৱনৰ পৰিচিত অনুভূতিক নতুন সুৰ, বাদ্যযোজন আৰু পৰিৱেশনশৈলীৰে নতুন প্ৰজন্মৰ ওচৰলৈ লৈ গৈছিল। অৰ্থাৎ পৰম্পৰা সংৰক্ষণৰ সৈতে পৰিৱৰ্তনৰ এক সংঘাত সৃষ্টি কৰাৰ সলনি তেওঁ দুয়োটাৰ মাজত এক সংলাপৰ পৰিসৰ সৃষ্টি কৰিছিল। সংস্কৃতি যে স্থিৰ নহয়, সময়ৰ সৈতে তাৰ ৰূপ সলনি হয়— তেওঁৰ সংগীতে এই কথাটো জনপ্ৰিয় ৰূপত প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল।

তেওঁৰ গীতৰ বিষয়বস্তুও আছিল সাধাৰণ মানুহৰ অনুভূতিৰ সৈতে সংযুক্ত। প্ৰেম-বিৰহৰ পৰা নিঃসংগতা, আশা-নিৰাশা, আকাংক্ষা আৰু জীৱনৰ বিভিন্ন বাস্তৱ অনুভৱলৈকে বহু বিষয় তেওঁৰ গীতত প্ৰকাশ পাইছিল। ভাষাৰ সৰলতা আৰু অনুভূতিৰ পোনপটীয়া প্ৰকাশে তেওঁৰ গানক শ্ৰোতাৰ ব্যক্তিগত জীৱনৰ সৈতে সংযোগ কৰিছিল। সেইবাবেই তেওঁৰ গান কেৱল সংগীতৰ অনুষ্ঠানৰ মাজত সীমাবদ্ধ নাথাকি বিহুৰ মঞ্চ, সামাজিক অনুষ্ঠান আৰু মানুহৰ দৈনন্দিন স্মৃতিৰ অংশ হৈ পৰিছিল।

জুবিনৰ শিল্পীসত্তাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল তেওঁৰ বহুভাষিকতা। অসমীয়াৰ উপৰি হিন্দী, বাংলা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ভাষাত তেওঁ সংগীতচৰ্চা কৰিছিল। হিন্দী চলচ্চিত্ৰৰ 'য়া আলী'ৰ দৰে গীতে তেওঁক অসমৰ বাহিৰৰ শ্ৰোতাৰ মাজতো পৰিচিতি দিছিল। কিন্তু এই বহল পৰিসৰত কাম কৰিও তেওঁৰ সৃষ্টিশীল পৰিচয়ৰ কেন্দ্ৰত অসমীয়া ভাষা আৰু অসমৰ সাংস্কৃতিক অভিজ্ঞতা থাকিল। এই দ্বৈততাই এটা গুৰুত্বপূৰ্ণ বাৰ্তা বহন কৰে—আঞ্চলিক পৰিচয় মানেই নিজকে আৱদ্ধ কৰি ৰখা নহয়; নিজৰ শিপা অটুট ৰাখিও বৃহত্তৰ সাংস্কৃতিক জগতৰ সৈতে সংযোগ স্থাপন কৰিব পাৰি।



চলচ্চিত্ৰৰ ক্ষেত্ৰত তেওঁৰ অৱদানো এই সাংস্কৃতিক পৰিসৰটোক অধিক বহল কৰিছিল। গায়ক হিচাপে পৰিচিতিৰ উপৰি অভিনয়, সংগীত পৰিচালনা, চলচ্চিত্ৰ পৰিচালনা আৰু প্ৰযোজনাৰ সৈতে জড়িত হৈ তেওঁ অসমীয়া চলচ্চিত্ৰক জনপ্ৰিয় সংস্কৃতিৰ কেন্দ্ৰলৈ অনাত ভূমিকা লৈছিল। 'মিছন চায়না', 'কাঞ্চনজংঘা' আৰু 'ৰত্নাকৰ'ৰ দৰে ছবিৰ সৈতে তেওঁৰ সম্পৰ্কই সংগীত, অভিনয় আৰু চলচ্চিত্ৰৰ মাজত এক সংযোগ সৃষ্টি কৰিছিল। ফলত তেওঁৰ প্ৰভাৱ সংগীতৰ শ্ৰোতাৰ মাজতে সীমাবদ্ধ নাথাকি বৃহত্তৰ দৰ্শকসমাজলৈ বিস্তৃত হৈছিল।

অৱশ্যে জুবিন গাৰ্গৰ সাংস্কৃতিক অৱদানৰ আলোচনা কেৱল প্ৰশংসাত সীমাবদ্ধ থাকিলে সেয়া সম্পূৰ্ণ মূল্যায়ন নহ'ব। বিপুল জনপ্ৰিয়তা আৰু শিল্পমূল্য সদায় একে বস্তু নহয়। তেওঁৰ দীৰ্ঘ আৰু বিস্তৃত সৃষ্টিশীল জীৱনত সকলো সৃষ্টি একে নান্দনিক মানৰ বুলি ক'ব নোৱাৰি। জনপ্ৰিয় সংস্কৃতিত তাৎক্ষণিক আকৰ্ষণ, সহজ গ্ৰহণযোগ্যতা আৰু বৃহৎ শ্ৰোতাসমাজৰ চাহিদাই কেতিয়াবা শিল্পৰ গভীৰতাৰ সৈতে সংঘাত সৃষ্টি কৰিব পাৰে। সেয়েহে তেওঁৰ জনপ্ৰিয়তাকেই তেওঁৰ শিল্পীসত্তাৰ একমাত্ৰ মাপকাঠি হিচাপে লোৱা উচিত নহয়। তেওঁৰ স্পষ্টবাদী ব্যক্তিত্ব আৰু কিছুমান বক্তব্য বা কাৰ্যক কেন্দ্ৰ কৰিও সময়ে সময়ে বিতৰ্কৰ সৃষ্টি হৈছিল। বিহুৰ মঞ্চত হিন্দী গান পৰিৱেশনৰ দৰে প্ৰসংগই 'অসমীয়া সংস্কৃতি'ৰ সীমা ক'ত, সাংস্কৃতিক স্বকীয়তা কিদৰে ৰক্ষা কৰিব লাগে আৰু বাহিৰৰ সাংস্কৃতিক প্ৰভাৱক কিমানখিনি গ্ৰহণ কৰা উচিত— এই প্ৰশ্নবোৰক পুনৰ আলোচনালৈ আনিছিল। এইবোৰৰ সহজ বা একমাত্ৰ উত্তৰ নাথাকিলেও বিতৰ্কবোৰে দেখুৱায় যে আঞ্চলিক সংস্কৃতি একে সময়তে নিজৰ শিপাৰ প্ৰতিও দায়বদ্ধ আৰু বাহিৰৰ পৃথিৱীৰ প্ৰতিও মুকলি।

আন এটা দিশো গুৰুত্বসহকাৰে চাব লাগিব। জুবিনৰ অসাধাৰণ জনপ্ৰিয়তাই আধুনিক অসমীয়া সংস্কৃতিৰ আলোচনাত তেওঁক ইমান কেন্দ্ৰীয় কৰি তুলিছে যে বহু সময়ত আন শিল্পী, লোকশিল্পী, গীতিকাৰ, বাদ্যশিল্পী আৰু সাংস্কৃতিক কৰ্মীৰ অৱদান তুলনামূলকভাৱে আড়াল পৰে। অসমীয়া সংস্কৃতি কোনো এজন ব্যক্তিৰ সৃষ্টি নহয়। জুবিন আছিল এই বৃহৎ সাংস্কৃতিক পৰম্পৰাৰ এক শক্তিশালী কণ্ঠ; সমগ্ৰ সংস্কৃতিৰ একমাত্ৰ প্ৰতিনিধি নহয়। তেওঁৰ অৱদানক যথাযথ স্থান দিয়াৰ অৰ্থ আনসকলৰ অৱদানক উপেক্ষা কৰা হ'ব নালাগে।

আচলতে জুবিনৰ শিল্পী-যাত্ৰাক অসমৰ সাংস্কৃতিক পৰিৱৰ্তনৰ এটা আয়না হিচাপে পঢ়িলেহে তেওঁৰ গুৰুত্ব অধিক স্পষ্ট হয়। নব্বৈৰ দশকৰ যুৱসমাজৰ নতুনত্বৰ আকাংক্ষাৰ পৰা আধুনিক সংগীতৰ গ্ৰহণ, লোকধাৰাৰ নতুন উপস্থাপন, বহুভাষিক সাংস্কৃতিক সংযোগ আৰু চলচ্চিত্ৰকেন্দ্ৰিক জনপ্ৰিয় সংস্কৃতিৰ বিস্তাৰলৈ— বিগত কেইটামান দশকৰ বহু পৰিৱৰ্তনৰ ছাপ তেওঁৰ সৃষ্টিত দেখা যায়। তেওঁ অসমীয়া সংস্কৃতিক কেৱল অতীতৰ গৌৰৱৰ বিষয় হিচাপে নহয়, বৰ্তমানৰ জীৱন্ত অভিজ্ঞতা হিচাপে উপস্থাপন কৰিছিল। আজিৰ ডিজিটেল যুগত এই প্ৰসংগটো আৰু অধিক গুৰুত্বপূৰ্ণ। নতুন প্ৰজন্মৰ সাংস্কৃতিক ৰুচি এতিয়া সামাজিক মাধ্যম আৰু বিভিন্ন ডিজিটেল মাধ্যমৰ দ্বাৰা দ্ৰুতগতিত সলনি হৈ আছে। এনে পৰিস্থিতিত আঞ্চলিক ভাষা আৰু সংস্কৃতি জীয়াই ৰখাৰ অৰ্থ কেৱল পুৰণি সৃষ্টিৰ পুনৰাবৃত্তি নহয়; নতুন প্ৰজন্মৰ ভাষা, ৰুচি আৰু অভিজ্ঞতাৰ সৈতে সংযোগ স্থাপন কৰাও প্ৰয়োজন। জুবিনৰ শিল্পী-যাত্ৰাই দেখুৱাই গৈছে যে এই সংযোগ সম্ভৱ।

সেয়েহে জুবিন গাৰ্গৰ সাংস্কৃতিক উত্তৰাধিকাৰক দুটা চৰম দৃষ্টিভংগীৰ মাজত আৱদ্ধ কৰা উচিত নহয়। তেওঁক কেৱল জনপ্ৰিয় গায়ক বুলি সৰু কৰি চোৱাও যথাযথ নহয়, আকৌ অসমীয়া সংস্কৃতিৰ একমাত্ৰ প্ৰতীক হিচাপে চোৱাটোও যুক্তিসংগত নহয়। তেওঁৰ প্ৰভাৱ বুজিবলৈ হ'লে তেওঁৰ সাফল্যৰ লগতে সীমাবদ্ধতা, জনপ্ৰিয়তাৰ লগতে শিল্পমূল্য আৰু ব্যক্তিগত সৃষ্টিৰ লগতে অসমৰ সামূহিক সাংস্কৃতিক পৰিৱৰ্তনক একেলগে চাব লাগিব।

জুবিন গাৰ্গে অসমীয়া সংস্কৃতিক আধুনিকতাৰ পৰা আঁতৰাই ৰখা নাছিল, আকৌ আধুনিকতাৰ সোঁতত নিজৰ শিপা এৰি দিবলৈও কোৱা নাছিল। নিজৰ ভাষা, মাটি আৰু অনুভূতিক নতুন প্ৰকাশভংগীৰে এটা প্ৰজন্মৰ ওচৰলৈ লৈ যোৱাৰ সেইপ্ৰয়াসেই তেওঁক অসমৰ সাংস্কৃতিক ইতিহাসত এক বিশেষ স্থান দিছে। সেয়ে জুবিনৰ কণ্ঠ থমকি গ'লেও, তেওঁৰ শিল্পী-যাত্ৰাই উত্থাপন কৰা প্ৰশ্নটো ৰৈ যাব—সলনি হৈ থকা পৃথিৱীৰ মাজত নিজৰ সংস্কৃতিক কেনেকৈ জীয়াই ৰাখি নতুন ৰূপ দিব পাৰি?